# কানৈয়ান

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ

ত্ৰিসপ্ততি সংখ্যক বাৰ্ষিক প্ৰকাশ

২০১৮-১৯ বৰ্ষ



সম্পাদক। কৃষ্ণ ভূজেল

মহাবিদ্যালয়ৰ নাম পৰিৱৰ্তন হোৱাৰ বাবে পুৰণা প্ৰতীকটোৰ সলনি ইং ১৯৫২ চনত কানৈ মহাবিদ্যালয়ৰ বাবে এটা নতুন প্ৰতীক গ্ৰহণ কৰা হয়। এই প্ৰতীকটো আঁকি দিয়ে ডিব্ৰুগড়ৰ শ্ৰী ৰবিন্দ্ৰ ভট্টাচাৰ্য নামৰ এগৰাকী শিল্পীয়ে। এই প্ৰতীকৰ ব্যাখ্যা তলত দিয়া ধৰণে দিয়া হৈছে ঃ প্ৰতীকটোৰ প্ৰধান চানেকিটো লোৱা হৈছে পদুম ফুলৰ পাহিৰ আৰ্হিত। পদুম ফুল হৈছে ভাৰতীয় সংস্কৃতিৰ প্ৰতীক। মহাবিদ্যালয়ৰ নামাংকিত থকা তলছোৱাত বহল; কিন্তু ওপৰলৈ ক্ৰমাৎ ক্ষীণ হৈ এটা তীক্ষ্ণ চূড়াত মিলিত হৈ পৰা ৰেখা যিডাল এটা বৌদ্ধ মঠৰ তোৰণৰ আৰ্হিত অংকিত হৈছে।

প্ৰতীকটোৰ ঠিক মধ্যভাগত দুডাল তৰংগায়িত ৰেখা প্ৰত্যক্ষ কৰা যায়, যাৰ সন্মুখভাগত বিৰাট এক গড় বা দুৰ্গৰ কিছু অংশ ৰেখাচিত্ৰৰে ৰূপ দিয়া হৈছে। এই তৰাংগায়িত ৰেখা আৰু গড়ৰ নক্সাই মহাবিদ্যালয়ৰ অৱস্থান সূচাইছে। ১৯২৫ চনলৈকে ডিব্ৰু নৈৰ পাৰত এটা গড় আছিল আৰু এই গড়ৰ পৰাই এই ঠাইৰ নাম ডিব্ৰুগড় হয়। সমান্তৰাল এই ছন্দোবদ্ধ ৰেখাকেইডালে ডিব্ৰু নৈ আৰু ব্ৰহ্মপুত্ৰ নৈক ৰূপায়িত কৰিছে। ইয়াৰ অন্য এটা অন্তৰ্নিহিত অৰ্থ বা তাৎপৰ্য এনেধৰণৰ হ'বও পাৰে যে বিশাল ব্ৰহ্মপুত্ৰ নৈখন অসমৰ বুকুৰেদি বৈ থকাৰ দৰে অসমৰ চুকে-কোণে থকা সকলো অধিবাসীয়েই আঞ্চলিক বিভিন্নতা পাহৰি একেটা সংস্কৃতিকে সাবটি ধৰি আছে। এই সংস্কৃতিয়ে যুগৰ লগত তাল ৰাখি বৈচিত্ৰ্য আৰু বিৰোধৰ মাজতো ঐক্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এই দুৰ্গ বা ঘৰটোৱেই হ'ল জ্ঞানৰ দুৰ্গ বা শিক্ষা অনুষ্ঠানটোৰ প্ৰতীক, বাহিৰৰ ধ্বংসকাৰী অসৎ শত্ৰুবোৰৰ পৰা এই দুৰ্গই জ্ঞানক সদা-সৰ্বদা ৰক্ষা কৰি থাকে। দুৰ্গৰ অভ্যন্তৰৰ ভাগ পোহৰাই তুলিছে মাটিৰ চাকিত প্ৰজ্বলিত এটি দীপশিখাই। এই দীপশিখাৰ তাৎপৰ্য হ'ল পবিত্ৰতা আৰু জ্ঞানৰ জ্যোতিমণ্ডল। প্ৰতীকত ব্যৱহৃত নীতিবাক্য ফাঁকিৰ অৰ্থ হ'ল— "জ্ঞানতকৈ শ্ৰেষ্ঠ একো নাই।"

এই শিক্ষানুষ্ঠানসমূহৰ লক্ষ্যসমূহৰ কথা লক্ষ্য ৰাখি প্ৰতীকটোৰ পটভূমিত পৰ্বতমালা আৰু তিনিটা শৃংগৰ অংকন কৰা হৈছে। আন আন বিষয়ৰ শিক্ষাদানৰ লগতে প্ৰাকৃতিক সম্পদ আহৰণৰ বিষয়ে শিক্ষাদানো এই অনুষ্ঠানৰ লক্ষ্য। অসমৰ প্ৰাকৃতিক সম্পদসমূহ পাহাৰে-ভৈয়ামে সিঁচৰতি হৈ আছে। সেই বাবেই পৰ্বত আৰু শৃংগক এই প্ৰতীকৰ বুকুত স্থান দিয়া হৈছে। তিনিটা শৃংগ মহাবিদ্যালয়ত শিক্ষাদানৰ ব্যৱস্থা থকা তিনিটা বিভিন্ন শাখাৰ (কলা, বিজ্ঞান আৰু বাণিজ্য) প্ৰতীক স্বৰূপ বুলিও ক'ব পাৰি।

গড়ৰ ওপৰ ভাগলৈ অংকিত পদুম ফুলপাহ আমাৰ সংস্কৃতিৰ লক্ষ্যৰ প্ৰতীক— যি মহৎ আদৰ্শৰ লক্ষ্যত উপনীত হ'ব পৰা যায় একান্ত নিষ্ঠা আৰু প্ৰকৃত শিক্ষা লাভৰ দ্বাৰাহে।

প্ৰতীকত অংকিত হাতী দুটাই বনজ সম্পদত চহকী অসমৰ বনৰীয়া জীৱ-জন্তুৰ প্ৰতিনিধিত্ব কৰিছে। পুৰাণত আৰু কালিদাসৰ অমৰ লিখনিতো অসমৰ হাতীৰ উল্লেখ আছে। ৰাজোচিত গাম্ভীৰ্য, জ্ঞান আৰু শক্তিৰ প্ৰতীক হ'ল এই যুগল হাতী। এখন শৰাইৰ দুয়োকাষে পৰস্পৰে মুখামুখিকৈ ভক্তিভাৱেৰে থিয় হৈ এই হাতী দুটাই যেন ইয়াকে বুজাব খুজিছে যে প্ৰকৃত শিক্ষা গ্ৰহণ কৰিবলৈ হ'লে জ্ঞান আৰু শক্তিৰ লগতে ভক্তিভাৱৰো যোগ থাকিব লাগিব। জ্ঞানে অজ্ঞতাৰ আন্ধাৰ আঁতৰাই আৰু ভক্তিভাৱে অহংকাৰ দূৰ কৰি শিক্ষা লাভৰ পথ নিষ্কণ্টক কৰি তোলে।

আমাৰ অনুষ্ঠানখনি যে সমৃদ্ধিশালী আৰু পৰমেশ্বৰৰ কৃপা লাভ কৰি ধন্য —এই দুয়োটা অৰ্থকে ৰূপায়িত কৰিছে যুগল হাতীৰ শুকুলা দাঁত দুযোৰাই।

(কানৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ 'স্মৃতিগ্ৰন্থ'ৰ পৰা)

সংগ্ৰাহক ঃ কৃষ্ণ ভূজেল

# কানৈয়ান

## ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় বাৰ্ষিক আলোচনী

ত্ৰিসপ্ততি সংখ্যক বাৰ্ষিক প্ৰকাশ

২০১৮-১৯ বৰ্ষ

সম্পাদক

কৃষ্ণ ভূজেল

Dibyajyoti Goswami

The 73rd Edition of College Magazine 'KANOIAN', the Annual Publication of DHSK College
Dibrugarh - 786 001, Published by DHSK College Students' Union (2018-19) and Printed a
Designer Graphics, H. S. Road, Dibrugarh, Assam.

**সম্পাদনা সমিতি**

উপদেষ্টা ঃ
চুলতানা হাজৰিকা

তত্ত্বাৱধায়ক ঃ
ৰূপালীম ঠাকুৰ

সহঃ তত্ত্বাৱধায়কদ্বয় ঃ
অদিতি কোঁৱৰ গগৈ, ড° মনমী বৰুৱা

সম্পাদক ঃ
কৃষ্ণ ভূজেল

বেটুপাত ঃ
ৰাহুল বৰা

অলংকৰণ ঃ
ৰাহুল বৰা




আলোকচিত্র ঃ
প্রেমদ্বীপ সোনোৱাল, বিমান সোনোৱাল

প্রকাশক ঃ
ডি. হ. সু. কানৈ মহাবিদ্যালয় ছাত্র একতা সভা (২০১৮-১৯)

মুদ্রণ ঃ
**ডিজাইনাৰ গ্ৰাফিক্স**
এইচ. এচ. ৰোড, ডিব্রুগড় (অসম), দূৰভাষ ঃ (০৩৭৩) ২৩২২১২১

# কানৈয়ান

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ

ত্ৰিসপ্ততি সংখ্যক বাৰ্ষিক প্ৰকাশ

২০১৮-১৯ বৰ্ষ



সম্পাদক। কৃষ্ণা ভুজেল

# আলোচনী সম্পাদনা সমিতি



চুলতানা হাজৰিকা
উপদেষ্টা



কৃষ্ণ ভূজেল
সম্পাদক



ৰূপালীম ঠাকুৰ
তত্ত্বাবধায়ক



ড° মনমী বৰুৱা
সহঃ তত্ত্বাবধায়ক



অদিতি কোঁৱৰ গগৈ
সহঃ তত্ত্বাবধায়ক



অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ সৈতে সম্পাদনা সমিতি

# ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল



সুখবৰ বৰুৱা
সভাপতি



শৈলধৰ গোঁহাই
উপ- সভাপতি



বিকাশ মিছং
সাধাৰণ সম্পাদক



নাইটিংগেল পেগু
সহ- সাধাৰণ সম্পাদিকা



কৃষ্ণ ভূজেল
আলোচনী সম্পাদক



জুবিন বুঢ়াগোঁহাই
সাংস্কৃতিক সম্পাদক



ৰশ্মি তামাং
সমাজ সেৱা সম্পাদিকা



ভূপালী দত্ত
তৰ্ক সম্পাদিকা



ৰাণী দেৱনাথ
সংগীত সম্পাদিকা



জাচিন্তা লাক্রা
সাধাৰণ ক্ৰীড়া সম্পাদিকা



মনিষ পাটেল
গুৰু ক্ৰীড়া সম্পাদক



শেখৰজ্যোতি লাহন
লঘু ক্ৰীড়া সম্পাদক



অৰভিকা দত্ত
শৰীৰ চৰ্চা সম্পাদিকা



অংকুৰ মৰাণ
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক



হেম্লী গগৈ
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা



ৰক্তিম গগৈ
শ্ৰেণী প্ৰতিনিধি



তুলিকা তামুলী
শ্ৰেণী প্ৰতিনিধি



প্ৰদ্যুন্ন ৰায়া মাঝী
শ্ৰেণী প্ৰতিনিধি



অংশুমান বৰুৱা
শ্ৰেণী প্ৰতিনিধি

## যাৰ সাহসত আমি আগবাঢ়োঁ...



ড০ শশীকান্ত শইকীয়া
অধ্যক্ষ



অধ্যক্ষ - উপাধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ শিক্ষক - শিক্ষয়িত্ৰী



অধ্যক্ষ - উপাধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ কৰ্মচাৰী

# মহাৰজত জয়ন্তী বৰ্ষৰ আৰম্ভণী অনুষ্ঠানৰ কিছু দৃশ্য


















# উৎসর্গা



যিসকল মহান ব্যক্তিৰ কঠোৰ পৰিশ্ৰম, ত্যাগ আৰু মহান অৱদানৰ বাবে উজনি অসমৰ জ্ঞানৰ বটবৃক্ষ স্বৰূপ ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিলে সেইসকল চিৰনমস্য, বৰেণ্য, মহান মনীষীৰ শ্ৰীচৰণত শ্ৰদ্ধা সহকাৰে 'কানৈয়ান'ৰ এই সংখ্যাটি উৎসৰ্গা কৰিলোঁ।

*~ সম্পাদনা সমিতি*

# শ্ৰদ্ধাঞ্জলি

"মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য"

~ হীৰেন ভট্টাচাৰ্য



বিগত বৰ্ষত আমাৰ মাজৰ পৰা হেৰাই যোৱা কানৈয়ান, প্ৰাক্তন কানৈয়ান, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অসমৰ সাহিত্য, খেল, সমাজ, ৰাজনীতি, অৰ্থনীতি আদি বিভিন্ন দিশত অনবদ্য অৱদান আগবঢ়োৱা চিৰনমস্য ব্যক্তিসকলৰ আত্মাৰ সদ্গতিৰ কামনাৰে গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ।

~ সম্পাদনা সমিতি

# ।। সূ . চী . প . ত্ৰ ।।


সম্পাদকীয় ।।

**কৃষ্ণ ভূজেল ।। ৭**

অধ্যক্ষৰ একলম ।।

**ড° শশীকান্ত শইকীয়া ।। ১০**

শিক্ষা আৰু সমাজ ।।

- **শিশুৰ শিক্ষা প্ৰসাৰত সামাজিক অনুষ্ঠানসমূহৰ ভূমিকা**
  চয়নিকা সোণোৱাল ।। ১৭
- **বৈদিক যুগৰ শিক্ষা পদ্ধতি**
  অমৃতা পূজা পাঠক ।। ২০
- **শিক্ষা ব্যৱস্থাত আধ্যাত্মিক মূল্যবোধৰ অভাৱ**
  লিপিশিখা সোণোৱাল ।। ২৩
- **শিক্ষক বা গুৰুৰ মূল্য কিমান?**
  পম্পী সোণোৱাল ।। ২৪
- **Scenerio of the Present Education System in India**
  Priyanka Choudury ।। ২৬

জনগোষ্ঠীয় জীৱন ।।

- **গোৰ্খা জনগোষ্ঠীৰ জাতীয় উৎসৱ ঃ তিহাৰ**
  সন্ধ্যা নেৱাৰ ।। ২৮
- **মিছিং জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি**
  নাইটিংগেল পেগু ।। ৩০

গল্পগুচ্ছ ।।

- **পুৰাৰ খিৰিকী**
  মৃদুলা চেতিয়া ।। ৩৩
- **এটি বৰ্ষাসিক্ত নিশা**
  চয়নজ্যোতি চুতীয়া ।। ৩৭
- **ক'লা দাগ - এটি অভিশাপ**
  মাধুৰিমা বৰুৱা ।। ৩৯
- **ফিৰিঙতি**
  কাকলি গগৈ ।। ৪১
- **ৰ'দঘাই কপালত বেলি নথকা মানুহগৰাকী কথাৰে**
  ঋতুপ্ৰিয়া দুৱৰা ।। ৪৩
- **দুৰ্ভাগ্য**
  নয়নমণি ভাগৱতী ।। ৪৬

সাক্ষাৎকাৰ ।।

- **বিশিষ্ট সাহিত্য সমালোচক ড০ আনন্দ বৰমুদৈৰ সৈতে এখন্তেক ।। ৪৮**
- **বিশিষ্ট বিজ্ঞানী, অধ্যাপক প্ৰদীপ কুমাৰ ভূঞাৰ সৈতে সাক্ষাৎকাৰ ।। ৫২**

নীলা খামৰ চিঠি ।।

- **কংকন ভৰদ্বাজ ।। ৫৫**
- **ৰঞ্জিনী চেতিয়া ।। ৫৬**
- **কাকলি গগৈ ।। ৫৭**

অনুগল্প ।।

- **হিৰণ্যপ্ৰভা দিহিঙ্গীয়া ।। ৫৮**

গ্ৰন্থ আলোচনা ।।

- **শৰ কটা মানুহ উপন্যাসৰ বিষয়সাৰ ঃ এটি আলোচনা**
  অৰূপ সোণোৱাল ।। ৫৯
- **মণিকুন্তলা ভট্টাচাৰ্য 'বৰদোৱানী' উপন্যাস ঃ এটি আলোচনা**
  ইৰাণী দত্ত ।। ৬৮

সমাজ আৰু সমস্যা ।।

- **যুৱ উশৃংখলতা ঃ ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ**
  ডিৰুপ্ৰভা চাংমাই ।। ৭৫
- **মাদক দ্ৰব্য আৰু ইয়াৰ প্ৰভাৱ**
  ৰিপাশ্ৰী শইকীয়া ।। ৭৭

সংস্কৃতি ।।

- **গাভৰু বিহু - এটি চমু আলোচনা**
  প্ৰিয়দৰ্শিনী ফুকন ।। ৭৯
- **অসমৰ পৰম্পৰাগত সাজপাৰ আৰু আ-অলংকাৰ**
  যুগ্মালী নেওগ ।। ৮১
- **Culture of Assam**
  Amit Pegu ।। ৮৩

কবিতা ।।

- **বাসনা জীৱন**
  অঞ্জলি গগৈ ।। ৮৬
- **গঁড় হত্যা**
  লোকপ্রিয়া দত্ত ।। ৮৭
- **সময়**
  অনন্যা কাশ্যপ ।। ৮৮
- **তিতা মিঠা ক্ষণৰ সমষ্টি**
  ডিম্পী সোণোৱাল ।। ৮৯
- **ধৰ্ষণ**
  বিশাল আকাশ মাউট ।। ৯০
- **জীৱন**
  প্ৰিয়ংগনা কাশ্যপ ।। ৯১
- **A clear Night**
  Snehashree Acharjee ।। ৯২
- **Thank you mom**
  Rashmita Dutta ।। ৯৩
- **Nature**
  Amrita Agarwal ।। ৯৩
- **Hireath**
  Dimpy Dutta ।। ৯৩

জীৱনী ।।

- **ভাৰতীয় গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজনৰ এটি পৰিচিতি**
  নিতামণি নাথ ।। ৯৪
- **ভাৰতৰ মাটিত ষ্টিফেন হকিং ঃ এটি চমু অৱলোকন**
  হেপ্পীমণি বৰ্মন ।। ৯৬

লোক সাহিত্য ।।

- **অসমীয়া লোক সাহিত্যৰ এটি চমু পৰিচিতি**
  বিস্মিতা গগৈ ।। ৯৮

পৰিৱেশ ।।

- **Ozone Depletion and Global Warming**
  Gurpreet Kaur Virdi ।। ১০০
- **Natural conservatin and Tourism**
  Mayuri Sensuwa ।। ১০২

ভ্ৰমণ ।।

- **হোলোঙাপাৰ গিবন অভয়াৰণ্যত এভূমুকি**
  চুমি পাঠক ।। ১০৪

নাৰী ।।

- **Women Empowerment : Winds of Change**
  Juthika Kalita & Prerna Baruah ।। ১০৬

প্ৰযুক্তি ।।

- **How Technology is Changing Work and Organisaiton**
  Angshuman Borkakoti ।। ১০৯

নতুন চিন্তা ।।

- **নতুন চিন্তাৰে প্ৰভাৱিত যুৱ প্ৰজন্ম আৰু সমাজ ব্যৱস্থা**
  অনিছা ভুজেল ।। ১১১

অন্যান্য প্ৰবন্ধ ।।

- **প্ৰাচীন ভাৰতবৰ্ষ, জ্যোতিষশাস্ত্ৰ আৰু ৰত্নতত্ব**
  নেত্ৰপ্ৰভা বৰুৱা ।। ১১৩
- **Tissue Culture : The soul of Modern Agriculture**
  Swapnali Gogoi ।। ১১৭
- **Plastic**
  Martina Doley ।। ১১৯

দৃষ্টিভংগী ।।

- **সাম্প্ৰতিক অসম আৰু কিছু চিন্তা**
  চন্দ্ৰমল্লিকা শইকীয়া ।। ১২১

অনুভৱ ।।

- **এয়া জীৱন যাত্ৰাত সপোন দেখাৰ সময়**
  ভাৰতী কলিতা ।। ১২৪
- **অনুভৱৰ এখিলা পৃষ্ঠা**
  হিমাশ্ৰী ডেকা ।। ১২৬
- **কলেজীয়া জীৱনৰ অভিজ্ঞতা**
  কমলিকা দাস ।। ১২৭
- **শান্তিক এক সুযোগ দিয়ক**
  ৰূপা ভট্টাচাৰ্য্য ।। ১২৯


অন্যান্য ।।

- ছাত্ৰ একতা সভাৰ সম্পাদকসকলৰ প্ৰতিবেদন ।। ১৩০
- 'কানৈয়ান'ৰ ইতিহাস ।। ১৪৪
- ২০১৯ বৰ্ষৰ স্নাতক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ কানৈয়ানৰ তালিকা ।। ১[illegible]
- বাতৰিৰ শিৰোনামাত কানৈ মহাবিদ্যালয় ।। ১৫১

এই দুই বিষয়ে বিশেষকৈ অসমৰ যুৱিজা...
স্থল হিচাপে খলকনিৰ সৃষ্টি কৰিছে। কিয়নো বৰ্ত
এই দুই বিষয়ৰ গুৰুত্ব আৰু প্ৰাসংগিকতা অধিক
কৰ্মসংস্কৃতি আৰু জাতীয়তাবাদ এটা মুদ্ৰাৰ ইপিঠি
কিয়নো জাতিৰ প্ৰগতিৰ বাবে কৰ্মসম্পন্ন জাতী
প্ৰয়োজন। নিজ দেশ, জাতিক ভাল পোৱাৰ লগে
কৰাৰ মাধ্যমেৰে সেৱা আগবঢ়োৱাৰ শক্তি তথা
তেতিয়াহে প্ৰগতি সম্ভৱ। তলত অসমৰ প্ৰেক্ষা
আগবঢ়াবলৈ যত্ন কৰা হৈছে।

সম্প্ৰতি অসমত এক নৱ-বিপ্লৱৰ সূচনা হৈ
সংস্কৃতি, জাতি-মাটি-ভেটিৰ হকে সকলোৱে ৰাজ
সমাজ, ছাত্ৰ সমাজ, সাহিত্যিক, বুদ্ধিজীৱী
সকলোৱে মুখত কেৱল অসমীয়াৰ জয়গান,
অসম অসমীয়াৰ। জাতি-ধৰ্ম-বৰ্ণ-ভাষাৰ
বৈচিত্ৰতা থকাৰ পাছতো সকলোৱে অসমীয়াৰ
পৰিচয়েৰে অসমী আইৰ মান ৰক্ষাৰ্থে থিয় দিছে।
সময়ৰ আহ্বানত অসমীয়া জাতীয়তাবাদ আৰু
একতাৰ এনাজৰীত বান্ধ খাব ধৰিছে আজিৰ
অসমীয়াই। ই অসমীয়া জাতিটোৰ বাবে এক
শুভলক্ষণ। কাৰণ, জাতীয়তাবাদ আৰু একতাৰ
দ্বাৰাহে এটা জাতি সবল জাতি হিচাপে পৰিগণিত
হয়। জাতিৰ সংকটৰ সন্ধিক্ষণত এক হৈ পৰা
জাতিটো যে সবল জাতি, তাত কোনো সন্দেহৰ
অৱকাশ নাই। কিন্তু কেতবোৰ ক্ষেত্ৰত আমি
আমাৰ চিন্তাধাৰাক সংস্কাৰ কৰাৰ নিতান্তই
প্ৰয়োজন আছে। আমি সকলোৱে জ্ঞাত যে কৰ্মসং
ইন্ধন। কৰ্মৰ অবিহনে প্ৰগতিৰ আশা, আকাশত চাং
অধিক সবল কৰিবলৈ হলে, প্ৰগতিৰ দিশত এখোজ
এইক্ষেত্ৰত যুৱশক্তিৰ দায়িত্ব অধিক। আমাৰ আশে-পা

# স•ম্পা•দ•কী•য়



## অসমীয়া আৰু কৰ্মসম্পন্ন জাতীয়তাবাদ .....



সাম্প্রতিক সময়ত বহু চৰ্চিত বিষয়বোৰৰ ভিতৰত কৰ্মসংস্কৃতি আৰু জাতীয়তাবাদ দুটা লেখত ল'বলগীয়া বিষয়। এই দুই বিষয়ে বিশেষকৈ অসমৰ বুদ্ধিজীৱী মহলত চিন্তাৰ প্ৰধান স্থল হিচাপে খলকনিৰ সৃষ্টি কৰিছে। কিয়নো বৰ্তমান অসমত এই দুই বিষয়ৰ গুৰুত্ব আৰু প্ৰাসংগিকতা অধিক। আনহাতে, কৰ্মসংস্কৃতি আৰু জাতীয়তাবাদ এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। কিয়নো জাতিৰ প্ৰগতিৰ বাবে কৰ্মসম্পন্ন জাতীয়তাবাদৰহে প্ৰয়োজন। নিজ দেশ, জাতিক ভাল পোৱাৰ লগে লগে কাম কৰাৰ মাধ্যমেৰে সেৱা আগবঢ়োৱাৰ শক্তি তথা কৰ্মশক্তি থকাটো অতিকৈ প্ৰয়োজন, তেতিয়াহে প্ৰগতি সম্ভৱ। তলত অসমৰ প্ৰেক্ষাপটত এই দুই বিষয়ৰ চমু আলোচনা আগবঢ়াবলৈ যত্ন কৰা হৈছে।

সম্প্রতি অসমত এক নৱ-বিপ্লৱৰ সূচনা হোৱা দেখা গৈছে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি, জাতি-মাটি-ভেটিৰ হকে সকলোৰে ৰাজপথলৈ ওলাই আহিছে। চহা ৰাইজ, শিল্পী সমাজ, ছাত্র সমাজ, সাহিত্যিক, বুদ্ধিজীৱী সকলোৰে মুখত কেৱল অসমীয়াৰ জয়গান, অসম অসমীয়াৰ। জাতি-ধৰ্ম-বৰ্ণ-ভাষাৰ বৈচিত্ৰতা থকাৰ পাছতো সকলোৰে অসমীয়াৰ পৰিচয়েৰে অসমী আইৰ মান ৰক্ষাৰ্থে থিয় দিছে। সময়ৰ আহ্বানত অসমীয়া জাতীয়তাবাদ আৰু একতাৰ এনাজৰীত বান্ধ খাব ধৰিছে আজিৰ অসমীয়াই। ই অসমীয়া জাতিটোৰ বাবে এক শুভলক্ষণ। কাৰণ, জাতীয়তাবাদ আৰু একতাৰ দ্বাৰাহে এটা জাতি সবল জাতি হিচাপে পৰিগণিত হয়। জাতিৰ সংকটৰ সন্ধিক্ষণত এক হৈ পৰা জাতিটো যে সবল জাতি, তাত কোনো সন্দেহৰ অৱকাশ নাই। কিন্তু কেতবোৰ ক্ষেত্ৰত আমি আমাৰ চিন্তাধাৰাক সংস্কাৰ কৰাৰ নিতান্তই প্ৰয়োজন আছে। আমি সকলোৰে জ্ঞাত যে কৰ্মসংস্কৃতি একোটা জাতিৰ উন্নয়নৰ অন্যতম ইন্ধন। কৰ্মৰ অবিহনে প্ৰগতিৰ আশা, আকাশত চাংপতা কথা। গতিকে, অসমীয়া জাতিটোক অধিক সবল কৰিবলৈ হলে, প্ৰগতিৰ দিশত এখোজ আগুৱাই নিবলৈ হ'লে, কৰ্ম কৰিবই লাগিব, এইক্ষেত্ৰত যুৱশক্তিৰ দায়িত্ব অধিক। আমাৰ আশে-পাশে থকা মাৰোৱাৰী, বাঙালী, বিহাৰীসকলৰ লগতে চুবুৰীয়া দেশ চীনৰ বাসিন্দাসকলৰ জীৱন চৰ্যা যদি অধ্যয়ন কৰোঁ তেতিয়াহ'লে দেখিবলৈ

> **কৰ্মসংস্কৃতিয়ে বহু পৰিমাণে থলুৱা সংস্কৃতিক ধৰি ৰখাত সহায় কৰে আৰু যদি কৰ্মসংস্কৃতিয়েই নাথাকে তেনেহ'লে দুষ্কৃতিৰ প্ৰৱেশৰ পথ সুচল হয়।**

পাম যে কৰ্মই তেওঁলোকৰ মূল লক্ষ্য। সেয়ে তেওঁলোক প্ৰগতিৰ ক্ষেত্ৰত আমাতকৈ বহু আগত। যাৰ পৰা আমাৰ শিকিবলগীয়া আৰু অনুকৰণ কৰিবলগীয়া বহু আছে।

এতিয়া সময় অনুভৱৰ, আত্মবিশ্লেষণৰ আৰু সংস্কাৰৰ। পাণ-তামোলৰ দোকানৰ পৰা আৰম্ভ কৰি ডাঙৰ-ডাঙৰ বাণিজ্য যিয়ে নহওক কিয়, যেতিয়ালৈকে আমি সকলোবোৰ কৰ্মক্ষেত্ৰত নিজকে মনোনিৱেশ নকৰোঁ, তেতিয়ালৈকে আমি উন্নতিৰ শিখৰত অৱস্থান কৰিব নোৱাৰোঁ। আনহাতে, কৰ্মসংস্কৃতিয়ে বহু পৰিমাণে থলুৱা সংস্কৃতিক ধৰি ৰখাত সহায় কৰে আৰু যদি কৰ্মসংস্কৃতি নাথাকে তেনেহ'লে দুষ্কৃতিৰ প্ৰৱেশৰ পথ সূচল হয়। গতিকে আজিৰ অসমীয়াই আৱেগৰ সমান্তৰালকৈ লাজ, সংকোচৰ দৰে কেঁকোৰাসদৃশ মানসিকতাক পৰিত্যাগ কৰি কৰ্মসংস্কৃতিক আঁকোৱালি লৈ কাম কৰা জাতি হিচাপে নিজকে প্ৰতিষ্ঠা কৰাটো অতীব প্ৰয়োজন হৈ পৰিছে। অসমীয়া যুৱচামেও মধ্যম পন্থাক এৰি কৰ্মৰ জৰিয়তে জীৱনটোক উপভোগ কৰিবলৈ শিকিব লাগিব। কাৰণ, কৰ্মই আমাৰ ধৰ্ম, কৰ্মই প্ৰগতিৰ মূলমন্ত্ৰ।

বৰ্তমান সময়ত অসমৰ প্ৰেক্ষাপটত শক্তিশালী জাতীয়তাবাদ অতি প্ৰাসংগিক বিষয়। সাধাৰণ ভাষাত, অসমীয়া জাতীয়তাবাদ হৈছে অসমীয়া জাতিৰ প্ৰতি আমাৰ ভালপোৱা ভাৱ, মাতৃভূমিৰ প্ৰতি আমাৰ প্ৰেমভাৱ। এই জাতীয়তাবাদে সমগ্ৰ অসমীয়া জাতিটোক একতাৰ এনাজৰীৰে বান্ধি ৰাখিছে, ঐক্যবদ্ধ শক্তিশালী জাতি হিচাপে প্ৰতিষ্ঠা কৰিছে। কিন্তু অসমীয়া জাতীয়তাবাদক এক সবল জাতীয়তাবাদ হিচাপে প্ৰতিষ্ঠা কৰাত আমি অসমীয়াই কিছু ক্ষেত্ৰত সফল নোহোৱা যেন অনুভৱ হয়। ইয়াৰ কাৰণ হৈছে নিজৰ ভালখিনিক হৃদয়ংগম নকৰা। কিয়নো যেতিয়ালৈকে আমি নিজৰ মাতৃভাষাটোক লিখিব, পঢ়িব আৰু ক'ব নাজানো, যেতিয়ালৈকে অসমীয়া সাজ-পোছাক, আহাৰ তথা থলুৱা সংস্কৃতিক আঁকোৱালি নলওঁ, যেতিয়ালৈকে অসমীয়া সাহিত্যৰ প্ৰতি শ্ৰদ্ধাশীল নহওঁ, তেতিয়ালৈকে কেৱল আৱেগেৰে অসমীয়া জাতীয়তাবাদক সবল ৰূপত প্ৰতিষ্ঠা কৰিব নোৱাৰিম। কাৰণ অসমীয়া জাতীয়তাবাদ মাথোঁ এক শব্দ নহয়, ই বৈচিত্ৰ্যৰ মাজত ঐক্য আনিব পৰা আদৰ্শৰ স্তম্ভ, যাৰ লগত সহস্ৰ অসমীয়াৰ আৱেগ-অনুভূতি জড়িত। গতিকে অসমীয়া জাতীয়তাবাদৰ ভেটিক শক্তিশালী কৰিবলৈ হ'লে প্ৰথমতে নিজক ভালপোৱাৰ জৰিয়তে প্ৰকৃত অসমীয়া হ'ব লাগিব। কাৰণ ভাষা-সাহিত্য-সংস্কৃতিৰ ভেটিতহে প্ৰকৃত অসমীয়া জাতীয়তাবাদ প্ৰতিষ্ঠিত। এইক্ষেত্ৰটো যুৱচামৰ দায়িত্ব অধিক।

## 'কানৈয়ান' আৰু মোৰ কিছু অনুভৱ

তাৰিখ আছিল ১ ছেপ্টেম্বৰ, ২০১৮। এই দিনটো মোৰ জীৱনস্মৰণত সোণালী আখৰেৰে লিখিত হ'ব। কাৰণ এই দিনটোতে মই ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০১৮-১৯ বৰ্ষৰ বাবে আলোচনী সম্পাদক হিচাপে জয়ী হৈছিলোঁ আৰু নেতৃত্ব জীৱনৰ পাতনি মেলিছিলোঁ। টিংখাং অঞ্চলৰ অতি ভিতৰুৱা গাঁও নাওঁজানৰ পৰা আহি ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়ত আলোচনী সম্পাদক হোৱাটো মোৰ বাবে এক গৌৰৱৰ বিষয় বুলি অনুভৱ কৰোঁ। তাতোকৈ ভাল লাগিছিল মোৰ প্ৰতি থকা কানৈয়ানৰ বিশ্বাস আৰু মৰম দেখি। এই সময়বোৰ সঁচাকৈয়ে মোৰ বাবে নষ্টালজিয়া।

কানৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ দৰে গধুৰ দায়িত্ব লোৱাটো মোৰ বাবে ডাঙৰ প্ৰত্যাহ্বান স্বৰূপ আছিল। তাতে যেতিয়া মই শুনিবলৈ পাইছিলোঁ যে যোৱা তিনিটা বছৰে কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰকাশ পোৱা নাছিল। নানা-সমস্যা আৰু কথাই মোক বাৰে বাৰে প্ৰশ্ন কৰিছিল, তই আলোচনী উলিয়াব পাৰিবিনে? কিন্তু মই পৰাজয় স্বীকাৰ কৰা নাছিলোঁ। মনক বান্ধি ৰাখিছিলোঁ আৰু মনৰ মাজতে পণ লৈছিলোঁ যিকোনো প্ৰকাৰে কানৈয়ানৰ সপোন, জ্ঞানৰ দাপোণস্বৰূপ আলোচনী প্ৰকাশ কৰাৰ। সেই অনুসাৰে মই মোৰ যাৱতীয় কামসমূহ সম্পাদক হিচাপে শপত গ্ৰহণ কৰা দিনৰে পৰা আৰম্ভ কৰিছিলোঁ। কাৰণ মোৰ বাবে তেতিয়া আলোচনী প্ৰকাশ কৰাটোৱে মূল লক্ষ্য হৈ পৰিছিল।

সম্পাদকৰ দায়িত্বৰ আৰম্ভণিৰে পৰা মই লেখা বিচাৰি হোষ্টেলে-হোষ্টেলে গৈছিলোঁ, মহাবিদ্যালয়ৰ প্ৰতিটো শ্ৰেণী কোঠাত সোমাইছিলোঁ আৰু সময়ে-সময়ে ছাত্ৰ-ছাত্ৰীৰ সৈতে আলোচনাত বহিছিলোঁ। মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগত সোমাই শিক্ষাগুৰুসকলৰ সৈতে আলোচনা কৰিছিলোঁ, সৎ দিহা-পৰামৰ্শ লৈছিলোঁ। এইক্ষেত্ৰত বিশেষভাৱে সহায় পাইছিলোঁ শ্ৰদ্ধাৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া ছাৰৰ পৰা। তেখেতৰ সৈতে প্ৰতিটো মুহূৰ্ততে মই আলোচনী সন্দৰ্ভত বিভিন্ন আলোচনা কৰিছিলোঁ।

আলোচনী বিভাগৰ উপদেষ্টা চুলতানা হাজৰিকা বাইদেউ, তত্ত্বাৱধায়ক অধ্যাপিকা ৰূপালীম ঠাকুৰ বাইদেউ, সদস্যাদ্বয় ড° মনমী বৰুৱা বাইদেউ আৰু অদিতি কোঁৱৰ বাইদেউৰ আলোচনীৰ সফল প্ৰকাশৰ ক্ষেত্ৰত থকা অনবদ্য অৱদানক অস্বীকাৰ কৰিব নোৱাৰি। সম্পাদক হিচাপে মই প্ৰতিটো মুহূৰ্ততে, প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকৰ পৰা বহু সহায়-সহযোগিতা, সৎ দিহা-পৰামৰ্শ পাইছিলোঁ।

আলোচনী প্ৰকাশৰ কামৰ ক্ষেত্ৰত পোৱা ডাঙৰ প্ৰত্যাহ্বানটো আছিল লেখা যুগুত কৰা। হাজাৰ -হাজাৰ কানৈয়ানৰ মাজত ১৫০ পৃষ্ঠাৰ আলোচনীৰ বাবে লেখা বিচাৰি মই হাবাথুৰি খাবলগা হৈছিল। তেতিয়া মই সহজে অনুভৱ কৰিব পাৰিছিলোঁ যে নৱপ্ৰজন্মৰ মাজত সাহিত্য-চৰ্চা কমি অহাৰ কথা। বহুতৰ এটাই প্ৰশ্ন আছিল, আলোচনী প্ৰকাশ পাব জানো? আকৌ তাৰ মাজতে সমালোচনা, উপলুঙা কৰা লোকৰ সংখ্যা কম নাছিল। এনে বহু প্ৰত্যাহ্বানক নেওচি মই অৱশেষত লেখাসমূহ গোটাবলৈ সক্ষম হ'লো, বহু কানৈয়ানক আলোচনী প্ৰকাশ কৰিম বুলি কথা দিছিলোঁ। ইয়াৰ পৰা এটা কথা ভালদৰে উপলব্ধি কৰিলোঁ যে বিশ্বাসৰ জৰিয়তেও মানুহৰ পৰা বহু কাম আদায় কৰিব পাৰি। কিন্তু লাগি থাকিব লাগিব।

এইদৰে বহু অসুবিধা, প্ৰত্যাহ্বান নেওচি আলোচনীৰ সফল প্ৰকাশ কৰাত সক্ষম হ'লোঁ। এইক্ষেত্ৰত সহযোগ কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰুসকলক এই ছেগতে মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সম্পাদনাৰ ক্ষেত্ৰত সহযোগ কৰা সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়ালৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কানৈয়ানসকলৰ লেখা আৰু বিশ্বাস অবিহনে হয়তো আলোচনী প্ৰকাশ কৰাটো মোৰ বাবে সম্ভৱ নহ'লহেঁতেন। কিন্তু মোৰ ওপৰত কানৈয়ানে যি বিশ্বাস ৰাখিলে, তাৰ বাবে সমূহ কানৈয়ানৰ ওচৰত মই ঋণী হৈ ৰ'ম।

আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ ক্ষেত্ৰত সাক্ষাৎকাৰ শিতানৰ অৱদানক অস্বীকাৰ কৰিব নোৱাৰি। ইয়াৰ দ্বাৰা সফল ব্যক্তিৰ বহু জীৱন সংগ্ৰাম, সাধনাৰ বিষয়ে জানিব পাৰি। এইক্ষেত্ৰত মোক সহায় কৰা বিশিষ্ট সাহিত্য সমালোচক ড° আনন্দ বৰমুদৈ ছাৰ আৰু বিশিষ্ট বিজ্ঞানী, অধ্যাপক ড° প্ৰদীপ কুমাৰ ভূঞা ছাৰলৈও মই এই ছেগতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আলোচনীৰ কামসমূহ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহযোগ কৰা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ ওচৰত মই চিৰকৃতজ্ঞ। বিভিন্ন সময়ত মোক বহুতো সৎ দিহা-পৰামৰ্শৰে উপকৃত কৰা আমাৰ শ্ৰদ্ধাৰ প্ৰতাপ সেনাপতি দাদালৈও এই ছেগতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনীখনক সুন্দৰ প্ৰকাশৰ বাবে দিন-ৰাতি এক কৰি কঠোৰ পৰিশ্ৰম কৰা Designer Graphicsৰ সমূহ কৰ্মকৰ্তাৰ ওচৰতো মই চিৰকৃতজ্ঞ।

আমি সকলোৱে জানো, মানুহ মাত্ৰেই ভুল। গতিকে আলোচনী প্ৰকাশ তথা সম্পাদনাৰ ক্ষেত্ৰত যদি অজ্ঞাতবশতঃ ক'ৰবাত ভুল-ত্ৰুটি ৰৈ যায়, তেনেহ'লে মই সম্পাদক হিচাপে পাঠকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

শেষত, মই মোৰ সমূহ শুভাকাংক্ষীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু 'কানৈয়ান'ৰ এই জয়যাত্ৰা অব্যাহত থাকক, সফল হওক তাৰে কামনা কৰিছোঁ।

**কৃষ্ণ ভূজেল**
সম্পাদক 'কানৈয়ান'
ত্ৰিসপ্ততি সংখ্যক বাৰ্ষিক প্ৰকাশ

# অধ্যক্ষৰ একলম...




## মহাৰজত জয়ন্তী বৰ্ষত কানৈ মহাবিদ্যালয় ঃ কেতবোৰ ইতিবাচক দিশ

অসমৰ উচ্চ শিক্ষা জগতৰ ভোটা তৰা বুলিলে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ক একেষাৰতে ক'ব পাৰি। পয়সত্তৰ বছৰ গৰকা মহাবিদ্যালয়খনে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকাই তোলাৰ অন্যতম প্ৰয়াস হিচাপে ২০১৯ চনৰ পহিলা ডিচেম্বৰত ভুটানৰ গেলপ'জিং তথ্য প্ৰযুক্তি মহাবিদ্যালয়ৰ স'তে বুজাবুজি চুক্তি সম্পন্ন কৰে। সেই মহাবিদ্যালয়খন ভুটানৰ অন্যতম ৰাজহুৱা খণ্ডৰ মহাবিদ্যালয় যিখনৰ আচাৰ্য হিচাপে দেশখনৰ ৰজা জিগ্‌মে খেচাৰ নামগেল ৱাংচুক (Jigme Khesar Namgyel Wangchuk) উপাচাৰ্য হিচাপে দেশখনৰ প্ৰখ্যাত শিক্ষাবিদ দাসু নিদুপ দৰ্জি (Dasho Nidup Dorji) নিযুক্ত হৈ আছে। ভুটানৰ মংগাৰ অঞ্চলত অৱস্থিত এই তথ্য-প্ৰযুক্তি মহাবিদ্যালয়খন পৃথিৱীৰ আগশাৰীৰ মহাবিদ্যালয় হিচাপে গঢ়ি তোলাৰ সপোন দেখিছে মহাবিদ্যালয়খনৰ অধ্যক্ষ লাইট' জাম্বাই। কানৈ মহাবিদ্যালয়ে পয়সত্তৰ বছৰ অতিক্ৰম কৰা এই বৰ্ষতে এনেদৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মহাবিদ্যালয়খনক জিলিকাই তোলাৰ প্ৰয়াস হয়তো মহাবিদ্যালয়খনৰ ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব। কেৱল সেয়াই নহয়, দেশৰ এখন আগশাৰীৰ বে-চৰকাৰী বিশ্ববিদ্যালয় মেঘালয়ৰ বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ সৈতেও কানৈ মহাবিদ্যালয়ে বুজাবুজি চুক্তি কৰি মহাবিদ্যালয়খনক আগুৱাই নিয়াৰ প্ৰয়াস কৰি থকা হৈছে। গুৱাহাটীৰ আৰ বি এভিয়েছন, ডিব্ৰুগড়ৰ আদিত্য ডায়গনষ্টিক এণ্ড হস্পিটেলৰ সৈতেও বুজাবুজি চুক্তি কৰি মহাবিদ্যালয়খনে সামাজিক দায়বদ্ধতা পালন কৰিছে। কেৱল সেয়াই নহয় কানৈ মহাবিদ্যালয়ে দেশৰ অন্যতম উদ্যোগ বি চি পি এল আৰু দেশৰ আন কেইবাটাও শিক্ষা প্ৰতিষ্ঠানৰ সৈতে বুজাবুজি কাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে। এনে প্ৰচেষ্টাৰ ফলত কানৈ মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীয়ে শিক্ষাৰ আদান-প্ৰদান, আলোচনা চক্ৰ, ক্ৰীড়া-সাংস্কৃতিক ইত্যাদি দিশত লাভৱান হ'ব। কানৈ মহাবিদ্যালয়ৰ ইতিহাসত এনে বিষয়বোৰ এক গুৰুত্বপূৰ্ণ বুলি এই কাৰণেই বিবেচিত হৈছে যে মহাবিদ্যালয়খনে আন শিক্ষানুষ্ঠানক নেতৃত্ব দিব পৰা এক বয়সন্ধি যুগ অতিক্ৰম কৰিছে। তাতকৈ ইতিবাচক দিশ আৰু নো কি হ'ব। কানৈ মহাবিদ্যালয়ে কেনেদৰে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক গুণগত পৰিৱেশ দিব পাৰি তাৰ ওপৰত চকু দি আহিছে। ইয়াৰ ফলত কানৈ মহাবিদ্যালয়ে প্ৰথমখন শিক্ষানুষ্ঠান হিচাপে কেন্দ্ৰীয় গৱেষণাগাৰৰ সঁজুলিৰ সুবিধা লাভ কৰিছে।

প্ৰায় চাৰি কোটিতকৈ অধিক ধন এই আঁচনিৰ বাবে লাভ কৰা অসমৰ প্ৰথমখন মহাবিদ্যালয়ে হ'ল কানৈ মহাবিদ্যালয়। ৰুছাৰ অধীনতো দুই কোটি অনুমোদন লাভ কৰি মহাবিদ্যালয়খনে পৰীক্ষাগাৰ, নতুন ছাত্ৰীনিবাস আৰু অন্যান্য আন্তঃগাঠনিৰ সুবিধা লাভ কৰিছে। মহাবিদ্যালয়খনত এটা ক্ৰীড়া প্ৰকল্প গঢ়ি তোলাৰো চেষ্টা চলাই থকা হৈছে। নিশ্চিতভাবে এইয়া কানৈ মহাবিদ্যালয়ৰ বাবে সু-খবৰ। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৭৫ বছৰ অৰ্থাৎ মহাৰজত জয়ন্তী চূড়ান্ত কাৰ্যসূচী ৰূপায়ণ সম্পৰ্কে অনুষ্ঠিত ২৮ নৱেম্বৰ ২০১৯ত শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভাত পৰিচালনা সমিতিৰ দাতা সদস্য জ্যোতি প্ৰসাদ কানৈয়ে বৰ চিন্তা উদ্বেগকাৰী কেইশাৰীমান বাক্য কৈছিল। তেওঁ প্ৰধানকৈ বক্তব্যত উল্লেখ কৰিছিল যে পিতৃ পুৰুষে বহু সপোন লৈ কানৈ মহাবিদ্যালয়খন গঢ়ি তোলাত আগ-ভাগ লৈছিল। ৭৫ বছৰ আগতে তেওঁলোকে সপোন দেখিছিল যে কানৈ মহাবিদ্যালয় এদিন সকলো দিশতে জিলিকি উঠিব। সকলো শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী মিলি মহাবিদ্যালয়খন বিশ্বদৰবাৰলৈ আগুৱাই নিব। তেওঁৰ পূৰ্বপুৰুষে দেখা সেই সপোন বাস্তৱত ৰূপায়িত হৈছেনে? তেওঁ প্ৰশ্ন কৰিছিল হনুমানবক্স আৰু সুৰজমল কানৈয়ে দেখা সপোন বাস্তৱত ৰূপায়িত কৰিবৰ বাবে কিমান অধ্যাপক-কৰ্মচাৰীয়ে প্ৰচেষ্টা চলাইছে? মহাবিদ্যালয়খন এখন জাকত জিলিকা শিক্ষানুষ্ঠান হিচাপে গঢ়ি তুলিবলৈ সকলো অধ্যাপক-অধ্যাপিকাই, কৰ্মচাৰীয়ে নিজৰ ঘৰখনতকৈও মহাবিদ্যালয়খনক ভাল পাবলৈ শিকিব লাগিব। কিন্তু তেওঁ যি অনুভৱ কৰিছে একাংশ অধ্যাপক-অধ্যাপিকাই, কৰ্মচাৰীয়ে সেই সপোন বাস্তৱত ৰূপ দিবলৈ চেষ্টা কৰা নাই। চেষ্টা নকৰা সকলে চেষ্টা কৰা সকলৰ লগ লাগিব লাগিব আৰু ৭৫ বছৰীয়া মহাবিদ্যালয়খন বিশ্বৰ ভিতৰত জিলিকাই তোলাৰ প্ৰচেষ্টা চলাব লাগিব। জ্যোতি প্ৰসাদ কানৈৰ বক্তব্য সঁচাকৈ আৱেগ স্পৰ্শ কৰি যোৱা আৰু মনত ৰেখাপাত কৰিব পৰা ধৰণৰ আছিল। দাতা সদস্যগৰাকীৰ সেই বক্তব্য আখৰে আখৰে ফলিয়াবলৈ হ'লে কানৈ মহাবিদ্যালয় পৰিয়ালে একত্ৰিত হৈ মহাবিদ্যালয়খনৰ উন্নতিৰ স্বাৰ্থত কাম কৰি যাব লাগিব। তেহে কানৈ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাসকলৰ সপোন বাস্তৱ হ'ব।

সঁচাকৈ প্ৰতিষ্ঠাৰ সময়ৰ পৰা চালে দেখা যায় অতি নিবিঘ্নে কানৈ মহাবিদ্যালয়ে ৭৫ বছৰ বৰ্ষ অতিক্ৰম কৰিছে। চকুৰ প্ৰচাৰতে যেন ৭৫ বছৰ পাৰ হৈ গ'ল। এনে অনুভৱ হয় যেন কানৈ মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱা বৰ বেছি দিন হোৱা নাই। কিন্তু গভীৰভাবে অনুভৱ কৰিলে দেখা যায় ৭৫ বছৰ কম সময়ো নহয়। এখন মহাবিদ্যালয় ৭৫ বছৰ অতিক্ৰম কৰিছে স্বাভাৱিকতে অসমৰ বাবে ই এক আনন্দৰ বিষয়। এতিয়া ৭৫ বছৰীয়া এটা শিক্ষানুষ্ঠানৰ ইতিহাস খোছৰাৰ সময় নহয় যিহেতু শিক্ষানুষ্ঠানখনে নিজেই অসমৰ শৈক্ষিক ইতিহাসত এক ইতিহাস খোদিত কৰিবলৈ সক্ষম হৈছে। অসমৰ উচ্চ শিক্ষা জগতত নেতৃত্ব ল'ব পৰা হ'ল। কানৈ মহাবিদ্যালয়ে যি কয় সেয়া অসমৰ অন্যান্য মহাবিদ্যালয়সমূহেও মানি ল'ব পৰা হ'ল। কাৰণ কানৈ মহাবিদ্যালয় এখন অভিজ্ঞতাৰে পৰিপুষ্ট বয়স্ক শৈক্ষিক তথা উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল। ১৯৪৫ চনৰ ২৮ মে'ৰ কথা। ডিব্ৰুগড়ত এখন 'ইণ্টাৰমিডিয়েট' কলা মহাবিদ্যালয় স্থাপন কৰাৰ বাবে এখন ৰাজহুৱা সভা সেই সময়ৰ জৰ্জ ইন্সটিটিউচন (বৰ্তমান বাগ্মীবৰ নীলমণি উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত ৰায়চাহাব বি ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত হয়। মহাবিদ্যালয়খন কিয় আৰু কি কাৰণে গঠন কৰা হ'ব সেই বিষয়েও আলোচনা কৰা হয়। সভাখন আহ্বান কৰা অন্যতম আহ্বায়ক অশ্বিনীচৰণ চৌধুৰীয়ে ডিব্ৰুগড়ত তেনে এখন কলেজ স্থাপন কৰাত সযোৰে দাবী উত্থাপন কৰে। সভাত সেই সময়ৰ আৰ্ল ল' কলেজৰ অধ্যক্ষ এছ কে দত্ত আৰু জি চি শৰ্মা, এন বৰদলৈ, ডি মুখাৰ্জী, জে আৰ বসু, জি আৰ ফুকন আদিয়ে সভাখনত মহাবিদ্যালয়খন স্থাপন কৰাত সকলোৰে সহযোগিতা কামনা কৰে। সভাত সভাপতি কৰা ৰায়চাহাব বি ৰাজখোৱাই মহাবিদ্যালয়খন স্থাপন হোৱাটো হৃদয়ৰ পৰা কামনা কৰে আৰু যোগীৰাজ বসুৰ দৰে উচ্চ শিক্ষিত (প্ৰথম শ্ৰেণীৰ সোণৰ পদক লাভ কৰা, ট্ৰিপ'ল এম.এ) লোক এজনৰ পৰা তেনে সুবিধা গ্ৰহণ কৰাটো ভাল হ'ব বুলি কয়। সকলোৱে ডিব্ৰুগড়ত এখন মহাবিদ্যালয় বহু আগতে প্ৰতিস্থা হোৱাটো উচিত আছিল বুলি উল্লেখ কৰি সেই বৰ্ষৰ পৰাই মহাবিদ্যালয়খনৰ পাঠদান আৰম্ভ কৰাটো উচিত বুলি মত পোষণ কৰে। সভাত অধ্যক্ষ এচ কে দত্তই মহাবিদ্যালয়খন স্বীকৃতি সম্পৰ্কত প্ৰশ্ন উত্থাপন কৰি কয়-- বিশ্ববিদ্যালয়ে মহাবিদ্যালয়খনৰ ধাৰাবাহিকতা চাই স্বীকৃতিৰ ব্যৱস্থা নিশ্চয় কৰিব। তেওঁ স্বীকৃতিৰ কাম কাজ কৰি দিয়াৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব বুলি কয়। সেই সভাতে মহাবিদ্যালয়ৰ পৰিচালনা সমিতি এখন গঠন কৰা হয়। সভাৰ সিদ্ধান্ত মৰ্মে শ্ৰীযুত আই মজিদ, আই চি এছ, ডি চিক সভাপতি মনোনীত কৰি ৰায়বাহাদুৰ এছ দুৱৰা, ৰায়বাহাদুৰ পি এন ঘোষ, প্ৰাক্তন মন্ত্ৰী এন কে দত্ত, অৱসৰপ্ৰাপ্ত ই.এ.চি. ৰায় চাহিব বি ৰাজখোৱা, ৰায়বাহাদুৰ লাল চহৰীয়া, এ.পি.এছ.চিৰ প্ৰাক্তন সদস্য ফইজনুৰ আলী, ডিব্ৰুগড়ৰ পৌৰসভাৰ সভাপতি জালালুদ্দিন আহমেদ, যোগীৰাজ বসু, মজিবুৰ ৰহমান, ডি পি দাস, জি আৰ ফুকন, ট্ৰী প্লেনটাৰ এন চক্ৰৱৰ্তী, পি কে বৰুৱা, জি চি শৰ্মা, মুৰুলীধৰ জালান, এ চৌধাৰীক সদস্য হিচাপে ৰখা হয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক হিচাপে অশ্বিনীচৰণ চৌধুৰীক দায়িত্ব অৰ্পণ কৰে। সেইখন পৰিচালনা সমিতিয়েই মহাবিদ্যালয়খনৰ সকলো নীতি নিৰ্দ্ধাৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত মুঠতে ছটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰথম আৰু দ্বিতীয় প্ৰস্তাৱৰ পিছত তৃতীয়

# অধ্যক্ষৰ একলম...



প্ৰস্তাৱত সকলো শিক্ষাবিদৰ সদস্যভুক্তিক ধন্যবাদ জ্ঞাপন কৰা হয় আৰু পুৱা সাত বজাৰ পৰা দহ বজালৈ পাঠদান আৰম্ভ কৰিব পৰাকৈ জৰ্জ ইন্সটিটিউচনৰ পৰা অনুৰোধ কৰি ১৫ জুন ১৯৪৫ চনৰ পৰা পাঠদান আৰম্ভ কৰিব পৰাকৈ প্ৰচ'পেক্টাছ ছপাশাললৈ পঠাবৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কলেজ পৰিচালনা সমিতিৰ প্ৰথমখন বৈঠক ১৪ জুন ১৯৪৫ চনত জৰ্জ ইন্সটিটিউচনত আবেলি পাঁচ বজাত অনুষ্ঠিত হয়। প্ৰথমখন বৈঠকত সভাপতি কৰে ৰায়চাহাব বি ৰাজখোৱাই। সেই সভাত পাঁচজনকৈ সদস্য ক্ৰমে ৰায়চাহাব বি ৰাজখোৱা, জে আৰ বসু, জি চি শৰ্মা, জি আৰ ফুকন আৰু এ চি চৌধুৰীও উপস্থিত আছিল। সেই সভাত মুঠতে নটা প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। প্ৰথম প্ৰস্তাৱ আছিল ৰায়বাহাদুৰ এছ দুৱৰাক সভাপতি নিযুক্তি দিয়া। কাৰণ আই মজিদে সভাপতিৰ পদ অলংকিত কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। সভাত মাহে ৪০ টকাকৈ এজন কেৰাণী নিযুক্তি কৰা, মাহে দহ টকাকৈ এজন চৌকিদাৰ নিযুক্তি দিয়া, মাহে পোন্ধৰ বা বিশ টকাৰ ভিতৰত এজন পিয়ন নিযুক্তি দিয়া, সভাপতি অনুপস্থিত থাকিলে যিকোনো এজনক সভাপতি কাৰ্যভাৰ লৈ সভা পৰিচালনা কৰা, এছ চি দত্ত আৰু বি কে মজুমদাৰক ষ্টাফ হিচাপে নিযুক্তি দিয়া যিহেতু তেওঁলোকে সেৱা দিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। মহাবিদ্যালয়ৰ নামত সংগৃহিত ধন গুৱাহাটী বেংকত হিচাপ খুলি জমা ৰখা আৰু প্ৰতি মাহত খুচৰা খৰচ কৰিবলৈ সম্পাদকৰ হাতত পঞ্চাশ টকা জমা ৰখা, যোগীৰাজ বসু আৰু জি চি শৰ্মা আৰু জি আৰ ফুকনক মহাবিদ্যালয়খনৰ সম্পৰ্কত নীতি প্ৰস্তুত কৰিবলৈ এখন উপসমিতি গঠন কৰা হয়। প্ৰথম পৰিচালনা সমিতিৰ সভাৰ কাৰ্যবিৱৰণী আজিও মহাবিদ্যালয়খনৰ বাবে গৌৰৱৰ বিষয় হৈ আছে আৰু সেয়া সংৰক্ষিত হৈ আছে। আজিৰ পৰা ৭৫ বছৰ আগতেই অনুষ্ঠিত এখন সভাৰ কাৰ্যবিৱৰণী সংৰক্ষিত হৈ থকাটো গৌৰৱৰ বিষয় বুলিব পাৰি। প্ৰথম কাৰ্যবিৱৰণী আৰু সিদ্ধান্তসমূহ হুবহু তলত উল্লেখ কৰা হ'ল—

A meeting of the general public of Dibrugarh was held at 5 P.M. of Monday. The 28th May, 1945 in the premises of the George Institution, with Rai Sahib B Rajkhowa on the chair, to discuss about the establishment of a college at Dibrugarh and the ways and means to the adopted for the purpose.

Mr. A Choudhury one of the convenors of the meeting stressed the urgent necessity of starting a college at Dibrugarh from the session.

After that several gentlemen including Mr. S. K. Dutta Principal, Earle Law College, Gauhati, Mr. G C Sarmah, Mr. N. Bordoloi, Mr. D Mukherjee, Mr. J R Basu, Mr. G R Phukan addressing the meeting, all of them stressing the urgent necessity of starting a college at Dibrugarh.

The President Rai Sahib B Rajkhowa supported the cause whole heartedly and confirmed that this opportunity of getting the sacrificing spirited staff including a renowned scholar like Mr. Jogiraj Basu, MA (Triple)-First Class First (Gold Medalist) we should not lose.

The gentlemen present unanimously agreed that a college at Dibrugarh was a long full necessity and this is the opportune moment to have it, and that it should be started from this session without further delay.

Regarding the affiliation question Mr. S K Dutta explained it throughly and said that the affiliation is generally by the University authorities when they are fully satisfied with the institution would not die out, and that to assure its continued existence, it had enough funds and good staff and building. Further Mr. Dutta gave his full assurance that he would make every effort to get affiliation for the institution at the earliest possible moment.

The foloowing resolutions were then passed unanimously in the meeting-

Resolution (1): Resolved that an Intermediate Arts College be established at Dibrugarh from the session.

Resolution (2): Resolved the college managing committee constituted with the following gentlemen with power to co-apt with Mr. I Majid, ICS DC the President.

1. Rai Bahadur S Dowerah
2. Rai Bahadur Dr. P N Ghose
3. Mr. N K Dutta (Ex. Minister)
4. Rai Sahib B Rajkhowa- Retd EAC
5. Rai Bahadur Lal Saharia
6. Mr. Faiznur Ali-Ex-member APSC
7. Mr. Jalaluddin Ahmed-Chairman MB Dibrugarh

8. Jogiraj Basu M.A.
9. Mr. Mojibur Rahman
10. Mr. D P Das
11. Mr. G R Phukan
12. N Chakravarty-Tea Planter
13. Mr. P K Baruah
14. Mr. G C Sarmah
15. Mr. Muralidhar Jalan
16. Mr. A Choudhary

- That A. Choudhary be the Secretary of the College Managing Committee.
- That this committee will adopt all ways and means for running the institution and becoming affiliation.

Resolution (3): Resolved that the honorary session offerd by the educationist, be thankfully accepted and the draft prospectus with the members of the staff there in be passed.

Resolution (4): Resolved that the managing committee of the George Institution be requested to grant necessary permission for holding the college classes in the school premises from 7 to 10 AM.

Resolution (5): Resolved that the college be started from the 15th of June, 1945.

Resolution (6): Resolved that the prospectus be sent to the press for publication.

প্ৰথম ৰাজহুৱা সভাত অংশ লোৱা সকলো অতিথিয়ে আছিল সেই সময়ৰ ডিব্ৰুগড় চহৰৰ জনপ্ৰিয় সমাজকৰ্মী, উদ্যোগপতি আৰু শিক্ষাবিদ। ২৩ জুন ১৯৪৫ চনত অনুষ্ঠিত হোৱা দ্বিতীয়খন পৰিচালনা সমিতিৰ সভাই ৰায় বাহাদুৰ এছ. দুৰৰা, ৰায়বাহাদুৰ ড° পি এন ঘোষ, ৰায়চাহাব বি কড়ৰা আৰু বাবু ৰংলাল খেমানীক সদস্য হিচাপে লৈ প্ৰথমখন পুঁজি সংগ্ৰহ কমিতি গঠন কৰা হয়। সেই সমিতিখনলৈ ড° এ বাগচী, খাল চাহিব এল ৰহমান, ৰায়চাহাব বি কড়ৰা, ৰায়চাহাব এইচ. বি. কানৈ, বাবু ৰংলাল খেমানী, এছ বৰুৱা (তিনিচুকীয়া) কমিতিখনৰ ক'-অপটেড মেম্বাৰ হিচাপে ৰখা হয়। একেখন সভাত প্ৰতিষ্ঠিত চাহ খেতিয়ক নন্দেশ্বৰ চক্ৰৱৰ্তীক কোষাধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। ইয়াৰ পিছৰ সভাত হনুমানবক্স কানৈয়ে কলেজ গ্ৰন্থাগাৰ নিৰ্মাণ কৰিবলৈ দহ হাজাৰ টকাৰ অনুদান আগবঢ়ায়। ডিব্ৰুগড় ইম্পেৰিয়েল বেংকত ডিব্ৰুগড় কলেজ লাইব্ৰেৰী ফাণ্ড নামৰ হিচাপ খুলি সভাপতি আৰু কোষাধ্যক্ষই হিচাপটো চলাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৪৫ চনৰ ৭ আগষ্টত বহা পৰিচালনা সমিতিৰ সভাই অধ্যক্ষ যোগীৰাজ বসু আৰু আৰ্ল ল' কলেজৰ অধ্যক্ষ এছ কে দত্তক কলেজখন স্বীকৃতিৰ ব্যৱস্থা কৰিবলৈ কলিকতা বিশ্ববিদ্যালয়ত যোগাযোগৰ বাবে দায়িত্ব অৰ্পণ কৰে। যিহেতু ১৯৪৭ চনত প্ৰথমটো গোটৰ পৰীক্ষা অনুষ্ঠিত হ'ব সেয়ে অশ্বিনীচৰণ চৌধুৰীক সেই কামফেৰা কৰিবলৈ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰে। লগতে সেই সময়ৰ লখিমপুৰ জিলাৰ উপায়ুক্তৰ যোগেদি শিক্ষামন্ত্ৰীলৈ এখন পত্ৰ লিখাৰ সিদ্ধান্ত লোৱা হয়। পত্ৰখনত ডিব্ৰুগড় কলেজৰ স্থায়ী ভৱন নোহোৱা পৰ্যন্ত স্থানীয় ছোৱালী হাইস্কুলত পাঠদান কৰাৰ অনুমতি বিচৰা হয়। উল্লেখ্য যে, ১৯৪৫ চনৰ ৭ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ সভাই ডিব্ৰুগড় পৌৰসভাৰ সভাপতিক (বৰ্তমান থকা ঠাইডোখৰত) কলেজৰ নামত আৱণ্টন দিবলৈ অনুৰোধ জনাই এক পত্ৰ লিখাৰ সিদ্ধান্ত লোৱা হয়। সেই সময়ত এই ঠাইডোখৰ পৌৰসভাৰ আৱৰ্জনা পেলোৱা ঠাই আছিল। সভাত ইম্পেৰিয়েল বেংক অৱ ইণ্ডিয়াক মহাবিদ্যালয়খনৰ বেংকাৰ হিচাপে গ্ৰহণ কৰাৰো সিদ্ধান্ত লোৱা হ'ল। ১৯৪৬ চনৰ ২৫ এপ্ৰিলত অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ সভাত মহাবিদ্যালয়খনৰ কাৰণে ইংৰাজী, ল'জিক, চিভিক্স, বুৰঞ্জী, অংক, পাৰ্চী আৰু আৰবী বিষয়ৰ বাবে অধ্যাপক বিচাৰি বাতৰি কাকতত বিজ্ঞাপন দিয়াৰ সিদ্ধান্ত লোৱা হয়। সেইখন সভাতে ৰাজেন্দ্ৰ সিং নামৰ ঠিকাদাৰজনক অতি কমেও দুশজন ছাত্ৰ-ছাত্ৰীৰ বাবে ডেক্স-বেঞ্চ নিৰ্মাণৰ দায়িত্ব দিয়ে। সভাত চকীদাৰ থাকিবলৈ নতুন ঠাইডোখৰত এটা ঘৰ বনাবলৈ সিদ্ধান্ত লোৱা হয়। ১৯৪৬ চনৰ ২৮ জুনত বহা পৰিচালনা সমিতিৰ সভাত যোগীৰাজ বসুক (এম.এ ত্ৰিপ'ল) অধ্যক্ষ (মাহে ১৫০ টকা দৰমহা), নিৰ্মল কুমাৰ বসুক চিভিক্সৰ (এম.এ. বি.এল), উমাপ্ৰসন্ন দে'ক ইংৰাজীৰ (এম.এ), লক্ষ্মীপ্ৰসাদ দত্তক বুৰঞ্জীৰ (এম.এ. বি.এল.), এম.কে চক্ৰৱৰ্তীক ল'জিকৰ (এম.এ), বেণুধৰ ৰাজখোৱাক অসমীয়াৰ (বি.এ), কে.এ ৰামকৃষ্ণণক অংকৰ, নেকিবুৰ ৰহমানক পাৰ্চীৰ (এম.এ.) অধ্যাপক হিচাপে নিযুক্তি দিয়ে। তেওঁলোকে মাহে ১০০ টকাকৈ বানচ লাভ কৰাৰ সিদ্ধান্ত লোৱা হয়। অধ্যক্ষই ইংৰাজী আৰু সংস্কৃত পঢ়োৱাৰ দায়িত্ব লয়। খুবসম্ভৱ এয়াই মহাবিদ্যালয়খনৰ প্ৰথম গোটৰ অধ্যাপক হিচাপে দায়িত্বভাৰ লৈছিল। ১৯৪৬ চনৰ ৭ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ সভাত সৰ্বেশ্বৰ

গোস্বামীক মাহে এশ টকাকৈ অংকৰ অধ্যাপক পহিলা ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ নিযুক্তি দিয়ে। লগতে তেওঁক ত্ৰিশ টকা মাহে ঘৰৰ ভাড়াৰ বাবদ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কানৈ মহাবিদ্যালয়ত সেই সময়ত পাৰ্চী ভাষাৰ পাঠ্যক্ৰম প্ৰচলন আছিল। শিক্ষকক এশ টকাকৈ আৰু মাহে ত্ৰিশ টকাকৈ প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছিল। সেই সময়ত এম চি চক্ৰৱৰ্তী নামৰ এগৰাকী অধ্যাপকক নিযুক্তি দিয়া হৈছিল। তথ্যমতে সেই সময়ত ইম্পিৰিয়েল বেংকৰ উপৰিও কমিলা ইউনিয়ন বেংক নামৰ আন এটা বেংকৰ স'তেও লেনদেন সম্পন্ন কৰা হৈছিল। ১৯৪৭ চনৰ ১৮ জুনত অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ সভাত বাণিজ্য শাখা মুকলিৰ সিদ্ধান্ত লোৱা হয়। মাহে এশ টকাকৈ অধ্যাপক নিযুক্তিৰো সিদ্ধান্ত লোৱা হয়। বেৰী হোৱাইট মেডিকেল স্কুলখনৰ ভৱন বিজ্ঞান শাখাৰ বাবে ব্যৱহাৰ কৰাৰ বিষয়েও সেই সভাতে স্থান পাইছিল। ১৯৪৬-৪৭ চনৰ বৰ্ষটোৰ হিচাপ পৰীক্ষাৰ বাবে মুক্তিপ্ৰসাদ সিং নামৰ বাণিজ্যৰ স্নাতকজনক নিযুক্তি দিয়া হৈছিল। সেই সময়ৰ মহাবিদ্যালয়খন কিমান সুন্দৰ আৰু শৃংখলাবদ্ধ হৈ পৰিচালনা হৈছিল তাৰ এক অন্যতম উদাহৰণ আছিল মহাবিদ্যালয়খন পৰিচালনা কৰিবলৈ এখন বাইচাইকেল চৰকাৰী নিয়ন্ত্ৰিত হাৰত কিনিবলৈ লোৱা সিদ্ধান্ত। সেই সময়ত আজিৰ দৰে বাইচাইকেল সুলভ নাছিল। বাইচাইকেল এখন কিনিবলৈও বহু নীতি নিয়মৰ মাজেৰে আগুৱাই গৈছিল। ১৯৪৭ চনৰ ২৯ আগষ্টত বহা পৰিচালনা সমিতিৰ সভাত শশী সন্দিকৈ নামৰ এজন লোকক মাহে ত্ৰিশ টকাকৈ বানচসহ পহিলা ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ (Second Clark) নিযুক্তি দিয়া হৈছিল। আগষ্ট মাহত কাম কৰাৰ বাবদ তেওঁক প্ৰবেচনেৰী হিচাপে দহ টকা অতিৰিক্তকৈ প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ১৯৪৭ চনৰ ৩ জুলাইত বহা পৰিচালনা সমিতিৰ সভাত অশ্বিনীচৰণ চৌধুৰীক মাহে এশ টকাকৈ (তেওঁ প্ৰাক্তন সম্পাদক আছিল) বানচসহ গ্ৰন্থাগাৰিক হিচাপে পহিলা আগষ্ট ১৯৪৭ চনৰ পৰা নিযুক্তি দিয়া হয়। মহাবিদ্যালয়খনৰ প্ৰথমগৰাকী উপাধ্যক্ষ হিচাপে পূৰ্ণকালীন ৰূপত লক্ষ্মীপ্ৰদাস দত্তই ১৯৪৯ চনৰ জুন মাহৰ পিছৰ পৰা কাৰ্যনিৰ্বাহ কৰে। সেই সময়ত আই কম আৰু বি কম শ্ৰেণীসমূহ নিশা পাঁচ বজাৰ পৰা নিশা ন বজালৈকে (পহিলা আগষ্টৰ ১৯৪৯ চনৰ পৰা) চলিছিল। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰা দহ টকাকৈ সংগ্ৰহ কৰা হৈছিল। অধ্যক্ষ আৰু উপাধ্যক্ষই মাহে ক্ৰমে ৩০০ আৰু ২২৫ টকাকৈ (পহিলা আগষ্টৰ ১৯৪৯ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ) দৰমহা লাভ কৰিছিল। ১৯৪৯ চনৰ ১১ ছেপ্টেম্বৰত বহা পৰিচালনা সমিতিৰ সভাত এল বৰুৱা, জে আৰ ফুকন, এছ দুৱৰা(সভাপতি), জে আৰ বসু (অধ্যক্ষ), পি এন ঘোষ আৰু ফইজনুৰ আলীয়ে জিলা উপায়ুক্তক বিজ্ঞান শাখা মুকলি কৰিবলৈ জিলা ভৱন এটাৰ বাবে সহযোগ কৰিবলৈ এখন সমিতি কৰা হয়। সেই সময়ত বিজ্ঞান শাখা মুকলি অতি খৰতকীয়াকৈ আগবঢ়াই নিছিল। সেয়া আছিল পুৰণি দিনৰ পুৰণি কথা। এনে বহু পুৰণি কথাই মহাবিদ্যালয়খনক আজিও জীপাল কৰি আছে।

অতীতৰ ডিব্ৰুগড় মহাবিদ্যালয় বৰ্তমান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়। অসমৰ উচ্চ শিক্ষা জগতৰ অন্যতম বাটকটীয়া মহাবিদ্যালয়খনে চাওঁতে চাওঁতে ৭৫ বছৰ অতিক্ৰম কৰিলে। মহাবিদ্যালয়খনে পয়সত্তৰ বছৰ অতিক্ৰম কৰাৰ উপলক্ষ্যে ধুমধামেৰে মহাৰজত জয়ন্তী পালন কৰিবলৈ আগবাঢ়িছে। এখন মহাবিদ্যালয়ে পয়সত্তৰ বছৰ অতিক্ৰম কৰিছে বুলি ভাবিলেই আনন্দ লাগে। একাৰ্থত পয়সত্তৰ বছৰ অতিক্ৰম কৰা মহাবিদ্যালয়খন সৰ্বতোপ্ৰকাৰে প্ৰজ্ঞা আৰু জ্ঞানৰ ভঁৰাল বুলিয়ে ক'ব পাৰি। বিগত সময়ছোৱাত মহাবিদ্যালয়খনে কত ধুমুহাৰ মাজেৰে অতিক্ৰম কৰিবলগীয়া হৈছে তাৰ লেখ-জোখ নাই। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মহাবিদ্যালয়খন এখোজ দুখোজকৈ আগবাঢ়ি আহি আজিৰ একৈশ শতিকাৰ তথ্য প্ৰযুক্তিৰ ভৰপক সময়ত উপনীত হৈছে। চিন্তাৰ বিস্ফোৰণ আৰু শিক্ষাৰ আন্দোলনৰ মাজত কানৈ মহাবিদ্যালয় হাজাৰ বাধাক নেওচি আগুৱাই গৈছে। কানৈ মহাবিদ্যালয়ৰ দৰে এখন মহাবিদ্যালয় গঢ়ি তুলিবলৈ বিচৰা ব্যক্তিসকলকো ধন্যবাদ দিবই লাগিব। কাৰণ তেওঁলোকৰ মন আৰু মগজুৰে এনেকুৱা এখন মহাবিদ্যালয় গঢ়ি তুলিবলৈ নিবিচৰাহেঁতেন কানৈ মহাবিদ্যালয়ো গঢ় লৈ নুঠিলেহেঁতেন। পণ্ডিতপ্ৰবৰ যোগীৰাজ বসুৰ দৰে দূৰদৰ্শী আৰু জ্ঞান, প্ৰজ্ঞাৰ সাধক, লক্ষ্মীপ্ৰসাদ দত্তৰ দৰে চিন্তাশীল আৰু সাংস্কৃতিক মনৰ ব্যক্তিৰ চিন্তা-চেতনাই এই কানৈ মহাবিদ্যালয় গঢ়ি তোলাত সহায় আগবঢ়াইছিল। কল্পনা কৰি চাওঁকচোন ড° যোগীৰাজ বসু, ড° লক্ষ্মীপ্ৰসাদ দত্তৰ দৰে ব্যক্তিসকলৰ মনত উচ্চ শিক্ষানুষ্ঠান গঢ়ি তোলাৰ ক্ষেত্ৰত যদিহে অকণো তাড়না নাজাগিলেহেঁতেন তেন্তে ডিব্ৰুগড়ত স্বাধীনতাৰ পূৰ্বে উচ্চ শিক্ষানুষ্ঠান গঢ় লৈ উঠিলেহেঁতেন নে? ডিব্ৰুগড়ত বিশ্ববিদ্যালয়ৰ দৰে উচ্চ শিক্ষানুষ্ঠান গঢ় লৈ উঠিলেহেঁতেন নে? ডিব্ৰুগড়ত পাঁচখনৰো অধিক উচ্চ শিক্ষানুষ্ঠান গঢ়ি তোলাৰ ক্ষেত্ৰত যি প্ৰচেষ্টা চলাইছিল সেই দিশেৰে চাবলৈ গ'লে এইসকল ব্যক্তি উচ্চ শিক্ষানুষ্ঠান গঢ়ি তোলাৰ ক্ষেত্ৰত একপ্ৰকাৰ 'আতুৰ' হৈ পৰিছিল। ইখনৰ পিছত সিখন উচ্চ শিক্ষানুষ্ঠান গঢ়ি তেওঁলোকে জকাই চুকীয়া ডিব্ৰুগড়ত সৌ তাহানিতে উচ্চ শিক্ষাৰ বাট মুকলি কৰিছিল। কোনো ধন টকা পইচাৰ গৰাকী নাছিল তেওঁলোক। কিন্তু শক্তিশালী মনৰ গৰাকী আছিল। মনে যেতিয়া বিচাৰিছিল তেতিয়া সেই কাম কৰি গৈছিল। সেইসকল বৰেণ্য ব্যক্তিৰ অশেষ কষ্ট আৰু পৰিশ্ৰমৰ ফলশ্ৰুতিত কানৈ মহাবিদ্যালয়ৰ গুণ-গৰিমা দেশৰ চৌদিশে বিয়পি পৰিছিল।

অসমৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত বাটকটীয়া মহাবিদ্যালয় হিচাপে কানৈ মহাবিদ্যালয়ে উচ্চ শিক্ষা প্ৰচাৰ আৰু প্ৰসাৰৰ

বাবে নেতৃত্ব লৈ আহিছে, লৈ আছে আৰু ভৱিষ্যতেও নেতৃত্ব লৈ থাকিব। কানৈ মহাবিদ্যালয়ে ইতিমধ্যে বহু সংখ্যক শিক্ষা, জ্ঞান আৰু প্ৰজ্ঞাৰ সাধক সৃষ্টি কৰিছে। সকলোৰে নাম এই লেখাত উল্লেখ কৰাটো সম্ভৱ নহ'ব। কিন্তু কেইজনমানৰ নাম যদি লোৱা নাযায় সেয়াও এক প্ৰকাৰ উচিত কথা নহ'ব। অসমৰ মুখ্যমন্ত্ৰী পদত অধিস্থিত হৈছে মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া। তেওঁ কানৈ মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ আছিল। ইয়াৰ অৰ্থ হ'ল ৰাজ্য এখনক নেতৃত্ব দিব পৰা এজন মানৰ সম্পদ কানৈ মহাবিদ্যালয়ে সৃষ্টি কৰিছে। উচ্চতম ন্যায়ালয়ৰ বিচাৰক পদত অধিস্থিত হৈছিল বি এল হানছাৰিয়া, আমেৰিকাৰ ইউনিৰ্ভাচিটি অব কলেজ মেডিচিনৰ অধ্যাপকৰ দৰে আসন অলংকৃত কৰিছিল প্ৰাক্তন ছাত্ৰ ৰঞ্জন দত্তই। নয়নানন্দ বৰঠাকুৰ কানৈ মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ আছিল। তেওঁ এম চি গীল বিশ্ববিদ্যালয় (কানাডা)ত অধ্যাপকৰ আসন অলংকৃত কৰিছিল। হাছান ছৰিফ আহমদ, বিজু ফুকন, বিষ্ণু খাৰঘৰীয়া আদিৰ দৰে জনপ্ৰিয় শিল্পী নাট্যকাৰৰ জন্ম দিছিল কানৈ মহাবিদ্যালয়ে। ৰাজেন গোহাঁই, হীৰেণ গোহাঁই, হেমন্ত কুমাৰ দত্ত আদি শিল্পীসকলো আছিল কানৈ মহাবিদ্যালয়ৰে ছাত্ৰ। অসম বিধান সভাৰ অধ্যক্ষৰ পদত অধিস্থিত হৈছিল কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ পৃথ্বী মাঝীয়ে। বৰ্তমান নৱ কুমাৰ দলেই সাংস্কৃতিক মন্ত্ৰীৰ দায়িত্ব লাভ কৰিছে। তেওঁ কানৈ মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ। সকলোৱে জানিবলৈ আশা কৰে কানৈ মহাবিদ্যালয়ে কেনে চিন্তা-চৰ্চা কৰিছে বা কানৈ মহাবিদ্যালয়ে কেনে দিশেৰে সমাজক লৈ যাব বিচাৰিছে। কানৈ মহাবিদ্যালয়ে যি চিন্তা কৰে সেই চিন্তাৰ প্ৰতিফলন সমাজত ঘটাটো উচিত। বিশ্বৰ মানৱ সমাজৰ স'তে হাতত হাত ধৰি আগুৱাই যাবলৈ হ'লে কানৈ মহাবিদ্যালয়ে সুন্দৰ সম্ভাৱনা কঢ়িয়াই অনাটো সকলোৱে নিশ্চয় বিচাৰে। এখন নেতৃত্ব ল'ব পৰা মহাবিদ্যালয় হিচাপে কানৈ  মহাবিদ্যালয় গঢ়ি উঠাটো সকলোৱে বিচাৰে। অত্যাধুনিক প্ৰযুক্তি সম্পন্ন এখন সমাজত যুৱ প্ৰজন্মক আগুৱাই নিবলৈ হ'লে মহাবিদ্যালয়খনে তেনে পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজনীয়তা আছে। মহাবিদ্যালয়খনত কেনেধৰণৰ পাঠ্যক্ৰমৰ ব্যৱস্থা আছে বা মহাবিদ্যালয়খনত কেনে ধৰণৰ শিক্ষা আৰু জ্ঞান প্ৰদানৰ ব্যৱস্থা আছে। সেয়া সকলোৱে নজৰ নকৰাকৈ নাথাকে। পৃথিৱীৰ পৰিৱৰ্তনৰ সৈতে ছাত্ৰ-সমাজক আগুৱাই নিবলৈ মহাবিদ্যালয়খনে এক পৰিৱেশ ৰচনা কৰাৰ সময় সমাগত। মহাবিদ্যালয়খনৰ পৰিয়ালৰ সকলোৱে কেনেদৰে সামাজিক নেতৃত্ব ল'ব পাৰে সেয়া চিন্তা কৰিবই লাগিব। মহাবিদ্যালয়খনৰ মূল সম্পদ হ'ল ছাত্ৰ সমাজ। ছাত্ৰ-ছাত্ৰীসকলক আধুনিক মনৰ, বিজ্ঞান মনস্ক, প্ৰযুক্তি ভাৱাপন্ন কৰি তুলিবলৈ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী সকলোৱে প্ৰচেষ্টা চলাব লাগিব। কানৈ মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ যোৱা প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ কৰিব লাগিব মহাবিদ্যালয়খনৰ পৰা পোৱা মিঠা অভিজ্ঞতা। প্ৰতিজন ছাত্ৰ-ছাত্ৰীক শিক্ষক সমাজে মানুহ হিচাপে তৈয়াৰ কৰিব নোৱাৰিলে সামাজিক পৰিকাঠামোত আঘাত পোৱাৰ সম্ভাৱনা থাকে। ছাত্ৰ-ছাত্ৰীসকলক সুন্দৰ পথৰ সন্ধান দিব লাগিব শিক্ষক সমাজে। কেৱল দৰমহাকেন্দ্ৰিক চিন্তা-চৰ্চাই ছাত্ৰ-ছাত্ৰীৰ মানসিক পৰিৱৰ্তন অনাটো সম্ভৱ নহ'ব। অৱশ্যে এই ক্ষেত্ৰত স্বীকাৰ কৰিবই লাগিব যে, কানৈ মহাবিদ্যালয়ৰ গৰিষ্ঠ সংখ্যক শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ উত্তৰণৰ  কাৰণে কাম কৰি আহিছে, চেষ্টা চলাই আহিছে। এইসকল শিক্ষকক প্ৰশংসা নকৰি নোৱাৰি। দিনে নিশাই গৰিষ্ঠ সংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে মহাবিদ্যালয়ৰ উত্তৰণৰ হকে কাম কৰি আহিছে।

কানৈ মহাবিদ্যালয়ে কেনেদৰে বিশ্ব মানদণ্ডৰ শিক্ষা প্ৰদান কৰিব পাৰে সেই সম্পৰ্কে অধ্যক্ষ হিচাপে এই অভাজনেও চিন্তা কৰাৰ প্ৰয়োজন আছে। কেৱল শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী বা কৰ্মচাৰীৰ ওপৰতে মহাবিদ্যালয়ৰ উত্তৰণ নিৰ্ভৰ নকৰে। অধ্যক্ষৰ চিন্তা-চৰ্চাৰ ওপৰতো এখন শিক্ষানুষ্ঠান আগবাঢ়ি যোৱাত সহায় হয়। অধ্যক্ষই মনৰ ভিতৰতে মহাবিদ্যালয়খন কেনে হোৱা উচিত সেয়া অংকণ কৰি লোৱাৰ প্ৰয়োজন আছে। অধ্যক্ষ হিচাপে দেশ-বিদেশৰ বিভিন্ন উচ্চ শিক্ষানুষ্ঠান দেখি অনুভৱ হয় আজিও কানৈ মহাবিদ্যালয়ে বিশ্বৰ অগ্ৰণী মহাবিদ্যালয়সমূহৰ উত্তৰণৰ কাষ চাপিব পৰা নাই। উন্নত আৰু উন্নয়নশীল প্ৰায়বোৰ দেশতে প্ৰযুক্তি নিৰ্ভৰ শিক্ষা ব্যৱস্থা গঢ় লৈ উঠিছে। কিন্তু কানৈ মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থাত আজিও পূৰ্ণ প্ৰযুক্তি ব্যৱহাৰ কৰিব পৰা নাই। এইক্ষেত্ৰত কেনেদৰে প্ৰযুক্তি নিৰ্ভৰ, সময় সাপেক্ষ শিক্ষা ব্যৱস্থা প্ৰদান কৰিব পাৰি সেয়া চিন্তা-চৰ্চা কৰি থকা হৈছে। এনে অনুভৱ নকৰাকৈ থকা নাই যে, গোলকীকৰণ পৃথিৱীত সকলোৱে সমানভাৱে এটা চুবুৰীত থকাৰ দৰে শিক্ষা ব্যৱস্থা প্ৰদান কৰা হওঁক। কাৰণ আজিৰ পৃথিৱীখন চুবুৰী বা গাঁৱলৈ ৰূপান্তৰিত হৈছে। কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰা এজন শিক্ষাৰ্থীয়ে কেনেদৰে বিশ্বৰ যিকোনো প্ৰান্তত সংস্থাপিত হ'ব পাৰে সেয়া অধ্যক্ষ হিচাপে চিন্তা কৰাটো নিতান্তই প্ৰয়োজন। সেয়ে কানৈৰ শিক্ষাৰ্থীসকলক শেহতীয়া পৰিৱৰ্তনৰ ধাৰাসমূহ বিতংভাৱে বুজোৱা হয় আৰু কেনে বিষয় অধ্যয়ন কৰিলে ভৱিষ্যতে সংস্থাপিত হ'ব পাৰে সেয়া শিক্ষা দিয়া হয়। এইক্ষেত্ৰত কানৈ মহাবিদ্যালয়ে লোৱা পদক্ষেপ ব্যতিক্ৰম বুলিবই লাগিব। এনে চিন্তাধাৰাৰে মহাবিদ্যালয়খন আগুৱাই যোৱাৰ ফলত কানৈ মহাবিদ্যালয়ত বছৰে বছৰে শিক্ষাৰ্থীৰ সংখ্যা বাঢ়ি যোৱাটো একপ্ৰকাৰ শুভ লক্ষণ বুলিবই পাৰি। দীৰ্ঘদিন মহাবিদ্যালয়খনত জঠৰতা বিৰাজ কৰা বুলি এক চৰ্চা হৈ আহিছে। সেই জঠৰতা ভাঙি কেনেদৰে মহাবিদ্যালয়খনক গতি দিব পাৰি সেইবিষয়ে চিন্তা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক সময়ৰ স'তে আগুৱাই যাবলৈ দৈনিক অনেক ৰকমৰ আলোচনাচক্ৰ, কৰ্মশালা, বক্তৃতানুষ্ঠান, সজাগতাসভা আয়োজন কৰা হৈছে। এনে আলোচনাচক্ৰসমূহে ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা যোগোৱাৰ লগতে মানসিক উৎকৰ্ষ সাধনত সহায় কৰি

আহিছে। ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰসমূহেও ছাত্ৰ-ছাত্ৰীসকলক ইতিবাচক চিন্তাৰ বাট মুকলি কৰাত সহায় কৰিছে।

এইটো বিষয়ত মনোনিৱেশ কৰা হৈছে যে, ছাত্ৰ-ছাত্ৰীসকল 'টিচিং'ৰ লগতে 'লাৰ্ণিং' দিশতো লাভবান হ'ব। শিক্ষাৰ্থীক পৰম্পৰাগতভাৱে কেৱল পাঠ্যক্ৰমৰ মাজতে আৱদ্ধ ৰাখি শিক্ষাদান কৰিলে কেতিয়াও শিক্ষণ প্ৰক্ৰিয়াই পূৰ্ণতা নাপায়। শিক্ষাদানৰ লগে লগে শিক্ষণ প্ৰক্ৰিয়াও লাভজনক হ'লেহে শিক্ষাদান কাৰ্যই পূৰ্ণতা লাভ কৰিব। নহ'লে শিক্ষাৰ্থীসকল সামাজিকভাৱে দায়বদ্ধ হ'ব নোৱাৰে। দায়বদ্ধ শিক্ষাইহে সামাজিক উত্তৰণত সহায় কৰে। এনে দিশবোৰৰ প্ৰতি দৃষ্টি ৰাখি ছাত্ৰ-ছাত্ৰীসকলক দৈনন্দিন জীৱনধাৰাত সহায়ক হ'ব পৰাকৈ শিক্ষা দিয়াৰ চেষ্টা কৰা হৈছে। বিজ্ঞানমনস্ক ভাৱ গঢ়ি তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতা

সৃষ্টি কৰা হৈছে। শেহতীয়া অগ্ৰগতি সম্পৰ্কে ছাত্ৰ-পৰিৱেশ দিয়া হৈছে। আহৰণৰ প্ৰতিযোগিতাত ব্ৰতী হ'ব পাৰে তেনে তথ্য প্ৰযুক্তিৰ সৎ ব্যৱহাৰ অনুপ্ৰেৰণা যোগোৱা হৈছে, ইয়াৰ প্ৰমাণ হিচাপে প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰীসকলৰ লাভ কৰা দেখা গৈছে। ইণ্টাৰনেট এজেন্সিৰ দ্বাৰা প্ৰতিযোগিতাত কানৈ দে', ক্ষুদ্ৰ ছবি প্ৰতিযোগিতাত


> **শিক্ষাৰ্থীক পৰম্পৰাগতভাৱে কেৱল পাঠ্যক্ৰমৰ মাজতে আৱদ্ধ ৰাখি শিক্ষাদান কৰিলে কেতিয়াও শিক্ষণ প্ৰক্ৰিয়াই পূৰ্ণতা নাপায়। শিক্ষাদানৰ লগে লগে শিক্ষণ প্ৰক্ৰিয়াও লাভজনক হ'লেহে শিক্ষাদান কাৰ্যই পূৰ্ণতা লাভ কৰিব। নহ'লে শিক্ষাৰ্থীসকল সামাজিকভাৱে দায়বদ্ধ হ'ব নোৱাৰে। দায়বদ্ধ শিক্ষাইহে সামাজিক উত্তৰণত সহায় কৰে। এনে দিশবোৰৰ প্ৰতি দৃষ্টি ৰাখি ছাত্ৰ-ছাত্ৰীসকলক দৈনন্দিন জীৱনধাৰাত সহায়ক হ'ব পৰাকৈ শিক্ষা দিয়াৰ চেষ্টা কৰা হৈছে।**

বিজ্ঞানৰ আৱিষ্কাৰ তথা ছাত্ৰীসকলক জনা বা বুজাৰ অধ্যয়নৰ লগে লগে জ্ঞান ছাত্ৰ-ছাত্ৰীসকল কেনেকৈ পৰিৱেশো সৃষ্টি কৰা হৈছে। কৰাত ছাত্ৰ-ছাত্ৰীসকলক পথ নিৰ্দেশনা দিয়া হৈছে। মহাবিদ্যালয়খনৰ পৰা মাজত ন ন প্ৰতিভাই বিকাশ গুগুলৰ দৰে বিশ্বখ্যাতি থকা আয়োজন কৰা মহাবিদ্যালয়ৰ ছাত্ৰ ৰণিত ভাৰতবৰ্ষৰ ভিতৰত দশম

স্থান দখল কৰিবলৈ সক্ষম হোৱা অৰূপ সোণোৱাল আৰু সৰ্বভাৰতীয় আন্তঃবিশ্ববিদ্যালয় উশ্চু প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হোৱা মানৱ মিত্ৰৰ দৰে ছাত্ৰ-ছাত্ৰীও কানৈ মহাবিদ্যালয়ৰ ফচল। মানৱ মিত্ৰই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া শৈলী ইতিমধ্যে আয়ত্ত কৰিছে। এইসকল ছাত্ৰ-ছাত্ৰীক বিশ্বমানৰ কৰি তুলিবলৈ চেষ্টা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমে বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি পুৱাৰ ভাগত ২০১৯-২০ বৰ্ষৰ পৰা ৰাজনীতি বিজ্ঞান আৰু সমাজশাস্ত্ৰৰ বিষয়ৰ পাঠদান মুকলি কৰা হৈছে। ছাত্ৰ একতা সভা আৰু ৰাইজৰ দাবীত এনে কৰা হৈছে। ১৯৪৯ চনৰ সময়ছোৱাতো মহাবিদ্যালয়খনত পুৱা আৰু গধুলি পাঠদান কৰাৰ ব্যৱস্থা কৰা হৈছিল। ২০১৫ চনৰ ১৯ জুনৰ পিছৰ পৰা অধ্যক্ষ হিচাপে এই অভাজনে যোগদান কৰি মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে যথেষ্টখিনি কৰা হৈছে। মহাৰজত জয়ন্তী উপলক্ষ্যে এই কামখিনি কৰা হৈছে। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ বাবে গঢ়ি তোলাৰ ক্ষেত্ৰত কোনো কৃপণালি কৰা নাই। মহাবিদ্যালয়খনে গতি লাভ কৰিবলৈ প্ৰচেষ্টা চলাই আছে। মহাৰজত জয়ন্তীৰ এই বৰ্ষত সকলোৰে কেৱল মহাবিদ্যালয়খনৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ স্বাৰ্থত হাতত হাত ধৰি আগুৱাই যোৱাৰ প্ৰয়োজন আছে। আহক আমি সকলোৰে শিক্ষানুষ্ঠানখনৰ ভৱিষ্যত সুৰক্ষিত কৰি কাম কৰি যোৱাৰ সংকল্প গ্ৰহণ কৰোঁ।

**ড° শশীকান্ত শইকীয়া**
অধ্যক্ষ
ডি. হ. সু. কানৈ মহাবিদ্যালয়
ডিব্ৰুগড়

**শিশু অৱস্থাৰ পৰাই মানুহৰ স্বভাৱ গঢ় লৈ উঠে। গতিকে এই সময়তে নৈতিক শিক্ষাৰ অত্যন্ত প্ৰয়োজনীয়। এইক্ষেত্ৰত সামাজিক অনুষ্ঠানসমূহে কৰ্মশালাসমূহত নৈতিক শিক্ষাৰ পাঠো অন্তৰ্ভুক্ত কৰিব পাৰে। আত্মৰক্ষাৰ কৌশলৰ শিক্ষাৰ ক্ষেত্ৰতো অনুষ্ঠানসমূহে যথাযোগ্য ব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যক। ........**



# শিশুৰ শিক্ষাৰ প্ৰসাৰত সামাজিক অনুষ্ঠানসমূহৰ ভূমিকা

• চয়নিকা সোণোৱাল

শিক্ষা হৈছে মৌলিক অধিকাৰ। এখন দেশৰ বা এজন ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ সম্ভৱ হয় একমাত্ৰ শিক্ষাৰ যোগেদিহে। আজিৰ শিশু ভৱিষ্যতৰ দেশৰ নাগৰিক। গতিকে শিশুৰ শিক্ষাৰ অতি প্ৰয়োজন। শিশুৰ শিক্ষাৰ প্ৰসাৰ এটা গুৰুত্বপূৰ্ণ বিষয়। বিশেষকৈ তৃতীয় বিশ্বৰ দেশসমূহত শিশুসকলৰ শিক্ষাৰ অনগ্ৰসৰতা পৰিলক্ষিত হয়। ইয়াৰ প্ৰধান কাৰণটো হৈছে দৰিদ্ৰতা। বেছি দূৰলৈ যোৱাৰ প্ৰয়োজন নাই আমাৰ ভাৰতবৰ্ষতেই হাজাৰ হাজাৰ শিশু আজিও শিক্ষাৰ পৰা বঞ্চিত হৈ থকা দেখা যায়। শিক্ষাৰ সচেতনতা আজিৰ দিনত বৃদ্ধি হৈছে যদিও এনে বহুতো শিশু অঞ্চলে অঞ্চলে ৰৈ গৈছে যি শিশুৱে শিক্ষাৰ পোহৰ দেখা নাই। গতিকে দেশখন উন্নতি কৰাৰ স্বাৰ্থতে হওঁক বা মানৱীয়তাৰ খাতিৰতে হওঁক শিশুৰ শিক্ষাৰ প্ৰসাৰৰ প্ৰয়োজন আছে।

সামজিক অনুষ্ঠান হ'ল সমাজত বিভিন্ন স্বাৰ্থত বা বিভিন্ন আদৰ্শত গঢ় লৈ উঠা বিভিন্ন সংগঠন, সংঘ, দল ইত্যাদি। এই সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে অঞ্চলটোৰ বা ৰাজ্যখনৰ বা দেশখনৰ উন্নতি অৱনতিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা দেখা যায়। সামাজিক অনুষ্ঠানৰ উদাহৰণ হিচাপে ঘৰখনক বাদ দি বিদ্যালয়, মহাবিদ্যালয়, গাঁও বা অঞ্চল সাপেক্ষে গঢ় লৈ উঠা সংঘ বা সংগঠন, বিভিন্ন মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত গঢ়ি উঠা ছাত্ৰ-ছাত্ৰীৰ গোট ইত্যাদি।

সামাজিক অনুষ্ঠানসমূহে শিশুৰ শিক্ষাৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা যায় বা তেওঁলোকৰ বিভিন্ন থল আছে।

শিশুৰ শিক্ষা বুলি ক'লে কেৱল বিদ্যালয়ৰ পাঠ্যপুথিৰ শিক্ষাক নুবুজায় বৰঞ্চ শাৰীৰিক, মানসিক, বৌদ্ধিক, নৈতিক সকলো প্ৰকাৰৰ শিক্ষাকে সামৰি লোৱা হয়। শিশু এটাৰ সামাজিক শিক্ষা আৰম্ভ হয় ৬ বছৰৰ পৰা।

আমাৰ দেশত শিশুসকলৰ শিক্ষাৰ অনগ্ৰসৰতাৰ প্ৰধান কাৰণটো হ'ল দৰিদ্ৰতা। ইয়াৰ ফলত সৃষ্টি হয় অসংখ্য শিশু শ্ৰমিক। শিশুৰ শিক্ষাৰ প্ৰসাৰত সামাজিক অনুষ্ঠানসমূহে ল'ব পৰা প্ৰথমটো পদক্ষেপ হ'ব পাৰে শিশুসকলৰ মাজত সজাগতা সৃষ্টি কৰা। শিশুৰ শিক্ষাৰ অধিকাৰ বা শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে শিশুৰ মাজত সজাগতা সৃষ্টি কৰিব পাৰি। শিশুৰ শিক্ষাৰ প্ৰয়োজনীয়তা কি? কিয় শিশুৱে শিক্ষা গ্ৰহণ কৰিব লাগে? এই সম্পৰ্কে কেৱল শিশুকেই নহয় ঘৰখনৰ সকলোৰে মাজত সচেতনতা সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা আছে। কিয়নো ঘৰৰ বা পিতৃ-মাতৃৰ তাগিদাতে বহু শিশু শ্ৰমিক হ'বলগীয়া হয়। বিভিন্ন সংগঠনসমূহে এই ক্ষেত্ৰত সজাগতা সভাৰ আয়োজন কৰি সচেতনতা সৃষ্টি কৰিব পাৰে আৰু বহু সংগঠনে কৰাও দেখা যায়। বিশেষকৈ আমাৰ সমাজত বহু অঞ্চলত ছোৱালীক শিক্ষা দিয়াৰ ক্ষেত্ৰত গুৰুত্ব দিয়া দেখা নাযায়। এই ক্ষেত্ৰতো সংগঠনসমূহে সজাগতা সৃষ্টি কৰিব পাৰে। অৱশ্যে আজিকালি এই দিশত সচেতনতা দেখা যায়।

তদুপৰি শিশুৰ শিক্ষাৰ প্ৰসাৰতা বৃদ্ধি কৰিবলৈ সামাজিক অনুষ্ঠানসমূহে আৰ্থিকভাৱে দুৰ্বল শিশুক অৰ্থ সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিব পাৰে। এই দিশত তেওঁলোকে বিনামূলীয়া পাঠদানৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে চৰকাৰে ১৪ বছৰৰ তলৰ শিশুক বিনামূলীয়া শিক্ষাদানৰ ব্যৱস্থা কৰিছে। এনে সুবিধা শিশুসকলে গ্ৰহণ কৰিব পাৰিছেনে নাই সেয়া লক্ষ্য কৰা উচিত। তদুপৰি বিদ্যালয়সমূহে সম্পূৰ্ণৰূপে বিনামূলীয়া পাঠদান কৰিছেনে? বা বিনামূলীয়া বুলি কৈ উচিত শিক্ষা প্ৰদান কৰিছেনে সেয়া অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে চোকা নজৰ ৰখা উচিত। অনুষ্ঠানসমূহে তেওঁলোকৰ যুৱ প্ৰতিনিধিক বিনামূলীয়া পাঠদান কৰিবৰ বাবে বিদ্যালয়সমূহলৈ প্ৰেৰণ কৰিব পাৰে। বিভিন্ন মহাবিদ্যালয়-বিশ্ববিদ্যালয়সমূহৰ বিভিন্ন ছাত্ৰ-ছাত্ৰী গোটে বিভিন্ন অঞ্চল বা বিদ্যালয়সমূহলৈ গৈ শিশুসকলৰ শাৰীৰিক, মানসিক বিকাশৰ উদ্দেশ্য বিনামূলীয়াকৈ বিভিন্ন কাৰ্য কৰা পৰিলক্ষিত হয়।

আমাৰ দেশত আন এক প্ৰকাৰৰ শিশু দেখা যায়। যিবোৰে শিক্ষাতো বাদেই গোটেই দিনটো ভিক্ষা মাগিও একো খাবলৈ নাপায়। বেছি দূৰলৈ যাব নালাগে আমাৰ ডিব্ৰুগড় চহৰখনলৈ লক্ষ্য কৰিলেই ৰাস্তাই-পথে বিভিন্ন শিশুৱে ভিক্ষা মাগি থকা দেখা যায়। তদুপৰি ৰে'লগাড়ীত এনে শিশু বহু দেখা যায়। এনে শিশুবোৰৰ অধিকাংশই মাউৰা? গতিকে সামাজিক অনুষ্ঠানসমূহে এই শিশুবোৰৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। তেওঁলোকৰ বাবে আশ্ৰম খুলি শিক্ষাদানৰ ব্যৱস্থা কৰিব পাৰে। কিন্তু সচৰাচৰ বহু নামী-দামী সংগঠনৰ মানুহে ৰাস্তাই-পথে বা গাড়ীত এনে শিশু লগ পায় যদিও তেওঁলোকৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়। প্ৰশ্ন হয়, এই শিশুবোৰ তেওঁলোকৰ সংগঠনৰ পৰা কিয় আঁতৰত ৰয়?

শিশুসকলে শিক্ষা গ্ৰহণৰ বা উপযুক্ত শাৰীৰিক, মানসিক বৌদ্ধিক বিকাশৰ প্ৰয়োজন। সেয়েহে বিভিন্ন অনুষ্ঠানসমূহে ইয়াৰ বাবে বিভিন্ন খেল-ধেমালি, সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিব পাৰে। 'সদৌ অসম মইনা পাৰিজাত' তেনে এটি অনুষ্ঠান। ইয়াৰ জৰিয়তে শিশুসকলে যথেষ্ট উপকৃত হৈছে। তেওঁলোকৰ প্ৰতিভা এনে অনুষ্ঠানৰ জৰিয়তে অংকুৰিত হয়। তদুপৰি সামাজিক অনুষ্ঠানসমূহে বিনামূলীয়া কৰ্মশালা অনুষ্ঠিত কৰাৰ লগতে নিয়মীয়া বিভিন্ন কাৰ্যসূচী ৰখা উচিত।

আমাৰ সমাজত বিশেষকৈ চাহ বাগিচা আৰু উদ্যোগখণ্ডৰ শিশুসকলৰ মাজত বেছিকৈ শিক্ষাৰ অভাৱ দেখা যায়। তেওঁলোকৰ মাজত অভাৱ-অনাটন, সচেতনতাৰ অভাৱ, ভাল বিদ্যালয়ৰ অভাৱ ইত্যাদিৰ বাবে এই শিশুসকল শিক্ষাৰ পৰা আঁতৰত থকা দেখা যায়। চৰকাৰে তেওঁলোকৰ বাবে বিদ্যালয় স্থাপন কৰিছে যদিও সচেতনতাৰ অভাৱৰ বাবে এনে ব্যৱস্থাৰ পৰাও আশানুৰূপে সুফল পোৱা নাই। সেয়েহে সামাজিক অনুষ্ঠানসমূহে এই শিশুসকলৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি এই বঞ্চিত উপেক্ষিত শিশুসকলৰ শিক্ষাৰ প্ৰসাৰ ঘটাব পাৰে।

অন্যান্য শিক্ষাৰ লগতে শিশুসকলৰ বাবে নৈতিক শিক্ষা আৰু আত্মৰক্ষাৰ কৌশলৰ অত্যন্ত জৰুৰী। শিশু অৱস্থাৰ পৰাই মানুহৰ স্বভাৱ গঢ় লৈ উঠে। গতিকে এই সময়তে নৈতিক শিক্ষাৰ অত্যন্ত প্ৰয়োজনীয়। এইক্ষেত্ৰত সামাজিক অনুষ্ঠানসমূহে কৰ্মশালাসমূহত নৈতিক শিক্ষাৰ পাঠো অন্তৰ্ভুক্ত কৰিব পাৰে। আত্মৰক্ষাৰ কৌশলৰ শিক্ষাৰ ক্ষেত্ৰতো অনুষ্ঠানসমূহে যথাযোগ্য ব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যক।

অতি সম্প্ৰতি পৰিৱেশ সুৰক্ষাৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ এক সুস্থ পৰিৱেশ গঠনৰ বাবে সমাজত বিশেষ সজাগতাৰ প্ৰয়োজন আছে। শিশু অৱস্থাৰ পৰাই পৰিৱেশ সজাগতা সম্পৰ্কীয় চিন্তা-চৰ্চা আৰু কাম-কাজত অনুশীলন হ'লেহে ভৱিষ্যতে শিশুসকলে দেশত নাগৰিকৰূপে এক সুস্থ প্ৰদূষণমুক্ত পৰিৱেশ গঠনৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব। গতিকে পৰিৱেশ শিক্ষাৰ সম্পৰ্কেও সামাজিক অনুষ্ঠানসমূহে বিশেষকৈ পৰিৱেশ সুৰক্ষাত ব্ৰতী অনুষ্ঠান সংগঠনসমূহে বিভিন্ন ধৰণৰ শিশু উপযোগী কাৰ্যসূচী ৰূপায়নেৰে শিশুসকলৰ মাজত সজাগতা বৃদ্ধিৰ ব্যৱস্থা গ্ৰহণ কৰিলে এক সুন্দৰ ভৱিষ্যতৰ আশা কৰিব পাৰি। এই

সম্পৰ্কত স্থান কাল অনুসৰি যথাপ্ৰযোজ্য ব্যৱস্থা গ্ৰহণ কৰি সামাজিক সংগঠন, অনুষ্ঠানসমূহে শিশুৰ শিক্ষাৰ প্ৰসাৰ ঘটাই এক সুন্দৰ সমাজ গঠনৰ ক্ষেত্ৰত অৰিহণা যোগাব পাৰে।


দেখা যায় বিশেষকৈ আমাৰ অসমত উৎসৱ-পাৰ্বণ উপলক্ষে ঘৰৰ পৰা আৰম্ভ কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে বহু অৰ্থ ব্যয় কৰে। ইয়াৰ সলনি তেওঁলোকে যদি গ্ৰন্থমেলা, প্ৰশিক্ষণ শিবিৰ বা কৰ্মশালা, সজাগতা সভা ইত্যাদিৰ আয়োজন কৰে, তেতিয়াহ'লে হয়তু ইয়াৰ জৰিয়তে বহু শিশু উপকৃত হ'ব আৰু শিশুৰ শিক্ষাৰ প্ৰসাৰত সফলতা লাভ কৰিব।

গতিকে শিশুৰ শিক্ষাৰ প্ৰসাৰত সামাজিক অনুষ্ঠানসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। বহু অনুষ্ঠানে এই দিশত সফলতা লাভ কৰা দেখা যায়। ❑

**সোণসেৰীয়া কথা ...**

**জৰ্জ বাৰ্ণাৰ্ড শ্ব' (বিখ্যাত নাট্যকাৰ) ঃ**

- জীৱন মৃত্যুতকৈ শ্ৰেষ্ঠ, ই নিৰাশা নহয়।
- শিক্ষাই মানুহৰ শৰীৰৰ প্ৰাণ শক্তি সঞ্চাৰ কৰে, কাৰণ ইয়াক প্ৰাণবায়ু বুলিও কোৱা হয়।
- মানুহক ঘৃণা কৰাতকৈ মানুহৰ প্ৰতি উদাসীন হোৱাটো ডাঙৰ পাপ।



# বৈদিক যুগৰ শিক্ষা পদ্ধতি

• অমৃতা পূজা পাঠক

বৈদিক যুগৰ চাৰিবৰ্ণৰ ভিতৰত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য — এই তিনিটা উচ্চ বৰ্ণৰ কাৰণে শিক্ষা আছিল বাধ্যতামূলক। ছাত্ৰই উপনয়নৰ পাছতেই শিক্ষা লাভ কৰিবৰ উদ্দেশ্যে গুৰুগৃহলৈ যাব লগা হৈছিল। উপনয়নক দ্বিতীয় জন্ম বুলি ধৰিছিল। সেয়ে এজন ছাত্ৰক উপনয়নৰ পাছত 'দ্বিজ' বুলি অভিহিত কৰিছিল। এই সম্পৰ্কে শতপথ ব্ৰাহ্মণত এই দৰে কৈছে —

“গুৰুৱে শিষ্যক অপাৰ্থিব ঐশী শক্তি প্ৰদান কৰে। শিষ্যৰ শিৰত সোঁহাতখন স্থাপন কৰি তিনি নিশাৰ ভিতৰতেই গুৰুৰ বীজ অংকুৰিত হয় আৰু শিষ্যই সাবিত্ৰী দীক্ষা লাভ কৰি প্ৰকৃত ব্ৰাহ্মণত প্ৰাপ্ত হয়। শিষ্য যেন গুৰুৰ মুখৰ পৰা জন্ম পোৱা এই স্বৰ্গীয় জীৱ।”

**বৈদিক যুগৰ ভাৰতীয় শিক্ষা পদ্ধতিৰে ছাত্ৰৰ শাৰীৰিক, নৈতিক, মানসিক আৰু আধ্যাত্মিক প্ৰভৃতি বিভিন্ন ক্ষেত্ৰত উৎকৰ্ষ সাধন কৰিব পাৰিছিল। এই শিক্ষা সৰ্বতোমুখী শিক্ষা আছিল।**

শতপথ ব্ৰাহ্মণৰ এই উক্তিৰ পৰাই উপনয়নৰ মহত্ব বুজিব পাৰি। যিজনে ব্ৰহ্মাচৰ্য ব্ৰত পালন কৰে তেওঁহে নৰজন্ম লাভ কৰিব পাৰে। উপনয়নৰ পাছতহে ছাত্ৰক বেদ অধ্যয়ন কৰিবলৈ দিয়া হয়। সেয়েহে উপনয়নক ছাত্ৰৰ ব্ৰহ্মাচৰ্য জীৱনৰ পাতনি বুলি কোৱা হয়। এই প্ৰসংগত শতপথ বাহ্মাণে কৈছে— “আজিৰ পৰা তুমি ব্ৰহ্মাচাৰী হ'লা। তোমাৰ কৰ্তব্য পালন কৰিবা। মঞ্জৰ সমিধৰ যোগান ধৰিবা। কেতিয়াও দিবা

নিদ্ৰাত নিমগ্ন নহ'বা।"

এইদৰে গুৰুৱে ছাত্ৰজনক প্ৰাথমিক জ্ঞান বা উপদেশ দিয়ে। তৃতীয় শতপথ ব্ৰাহ্মণত কেৱল ছাত্ৰ জীৱনৰ নীতি-নিয়ম আৰু কৰ্তব্য বৰ্ণনা কৰিছে। এই অংশত কোৱা হৈছে যে — "শিষ্যই গুৰুৰ ওচৰলৈ বৰ নম্ৰ আৰু বিনীত ভাৱে আহিব আৰু গুৰুৱে তেওঁৰ নাম আদি সুধি শিষ্য ৰূপে গ্ৰহণ কৰিব।" ছাত্ৰ জীৱন বা ব্ৰহ্মচৰ্য কালছোৱা হৈছে এক দীঘলীয়া ত্যাগৰ জীৱন। ইয়াকেই ছাত্ৰ বোলে। যি জনে ব্ৰহ্মচৰ্য জীৱনত প্ৰৱেশ কৰে তেওঁ এক দীঘলীয়া ত্যাগৰ জীৱন আৰম্ভ কৰে।

এজন ছাত্ৰই সদায় বেদ বা আন আন পুথিও পঢ়িব লাগে। তেওঁলোকে সমিধ আদি যোগান ধৰি সদায় গুৰুৰ সহায় কৰিব লাগিব। ইয়াৰ দ্বাৰাই তেওঁৰ মানসিক শক্তি প্ৰখৰ হ'ব আৰু ধৰ্মীয় ভাব জাগ্ৰত হ'ব।

যদি শিষ্যই সমিধাৰ যোগান ধৰিব নোৱাৰে, তেনেহ'লে সেই নিশাই তেওঁ আয়ুস কিছু হেৰুৱাব লাগিব। ছাত্ৰজনে প্ৰথমে আচাৰ্য পত্নিৰ ওচৰত আৰু তাৰ পিছত নিজৰ মাকৰ ওচৰত ভিক্ষা খুজিব লাগিব। এনেদৰে ভিক্ষা খোজাৰ নিয়ম হ'ল— ছাত্ৰজন যাতে আৰম্ভণিতেই শিক্ষাৰ বাবে বিমুখ হ'বলগীয়া নহয়। ছাত্ৰৰ মনত নম্ৰতাৰ ভাব জাগ্ৰত কৰাৰ উদ্দেশ্যই এনে ভিক্ষা কৰাৰ নিয়ম কৰা হৈছিল। এনেদৰে ছাত্ৰসকলে ভিক্ষা কৰি অনুষ্ঠানখনক সহায় কৰিছিল। শিষ্যই সমিধ সংগ্ৰহ কৰি প্ৰত্যেক দিনাই গুৰুৰ যজ্ঞত অৰ্পন কৰে। শিক্ষা শেষ হোৱাৰ পিছত শিষ্য জনে শেষ বাৰৰ বাবে সমিধ অৰ্পণ কৰে আৰু স্নান কৰে। এই শেষ স্নান কৰাৰ পাছত শিষ্যজনক 'স্নাতক' বোলা হয় অথবা গুৰুৰ আৱাসিক শিক্ষালয়ত্যাগ কৰি নিজ গৃহলৈ ঘূৰি অহাৰ পাছত তেওঁক স্নাতক বোলা হৈছিল। এনেদৰে পিতৃগৃহলৈ উভতি অহাকে সমাবৰ্তন বুলি কোৱা হৈছিল। শতপথ ব্ৰাহ্মণত শিষ্যই প্ৰথমবাৰৰ বাবে অৰ্পণ কৰা সমিধক প্ৰায়োজনীয় ইষ্টি আৰু শেষৰ দিনা শেষ বাৰৰ বাবে অৰ্পন কৰা সমিধক উদনীয় ইষ্টি আৰু মাজৰ দিন কেইটাত অৰ্পন কৰা সমিধাক সত্ৰৰ লগত তুলনা কৰা হৈছিল। এই ধৰণৰ সম্পূৰ্ণ শিষ্যত্বৰ কালছোৱাকেই এক দীঘলীয়া ত্যাগৰ লগত তুলনা কৰিছে। ই ছাত্ৰ জীৱনৰ পৱিত্ৰতা আৰু নিষ্ঠাৰ কথা প্ৰকাশ কৰে। শিক্ষাকালৰ শেষৰ দিনা গুৰুৰ গৃহৰ পৰা নিজৰ পিতৃ গৃহলৈ যাত্ৰা কৰোতে গুৰুৰ পৱিত্ৰ যজ্ঞৰ পৰা শিষ্য জনে এটুকুৰা প্ৰজ্বলিত খৰি লৈ আহি তেওঁৰ ঘৰৰ পৱিত্ৰ গাইপত্য অগ্নিত প্ৰতিষ্ঠা কৰে।

ব্ৰাহ্মণ আৰু উপনিষদত কেইবাজনো ছাত্ৰৰ নাম উল্লেখ আছে। সেই সকলৰ ভিতৰত আৰুনি, ভৃগু শ্বেতকেতু, নাচিকেতা, ভৰত, ভৃগু ইন্দ্ৰ, নাৰদ আদিৰ নাম উল্লেখ কৰিছে। এওঁলোকে ত্যাগ, সেৱা আৰু জ্ঞানৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা দেখুৱাইছিল। ঐতৰেয় ব্ৰাহ্মণৰ সম্পূৰ্ণ নৱম খণ্ডত প্ৰাচীন ভাৰতত আদৰ্শতুল্য গুৰুৱে কি ধৰণেৰে ছাত্ৰ সকলক সততা আৰু সত্যবাদিতা সম্পৰ্কে শিক্ষা দিছিল তাৰ বিৱৰণ দিয়া হৈছে। তৈত্তিৰীয় উপনিষদতশিষ্য ভৰদ্বাজৰ কাহিনী বৰ্ণিত হৈছে। কথোপনিষদত নাচিকেতাৰ আধ্যাত্মিক জ্ঞানৰ প্ৰতি থকা তীব্ৰ স্পৃহা আৰু অজ্ঞান অন্ধতাৰে আৱৰি থকা মৃত্যুৰ ৰহস্য ভেদ কৰাৰ দুৰ্নিবাৰ আকাংক্ষাৰ বৰ্ণনা আছে। ছান্দোগ্য উপনিষদত শিষ্য সত্যকাম আৰু তেওঁৰ মাক জবালাৰ সত্যবাদিতাৰ বিষয়ে গৌৰৱোজ্জ্বল কাহিনী সুন্দৰকৈ পৰিস্ফুট হৈছে।

গোপথ ব্ৰাহ্মণত ব্ৰহ্মচাৰী জীৱনৰ আৰু আধ্যাত্মিক শিক্ষাৰ বিষয়ে কেইটামান প্ৰয়োজনীয় উক্তি আছে। উদাহৰণ স্বৰূপে— শিষ্যই কিছুমান ৰিপু জয় কৰা উচিত, যেনে— টোপনি, এলাহ, নাম আৰু গৌৰৱলৈ হেঁপাহ, খং, অহংকাৰ, নিজকে ধুনীয়া কৰাৰ চেষ্টা ইত্যাদি। " শিষ্যই জন্তুৰ ছাল পৰিধান কৰিব। গুৰুক সদায় সেৱা শুশ্ৰূষা কৰিব, কেতিয়াও বেছিকৈ নুশুব। খং, ৰাগ আদি কৰি কাকো টান কথাৰে আঘাত নকৰিব। আড়ম্বৰপূৰ্ণ ভাৱে স্নান আদি নকৰিব। তেওঁ সঘনে শ্মশানলৈ যোৱা উচিত নহয়। নিম্ন আসনত বহা আৰু মাটিত শোৱা উচিত। শিষ্যৰ খোজ কাটল, আচাৰ ব্যৱহাৰ সকলোতে নম্ৰতা সুন্দৰকৈ প্ৰকাশ পাব লাগিব।"

**পাঠ্যক্ৰম ঃ** শতপথ ব্ৰাহ্মণত শিষ্যই পঢ়িব লগীয়া বিবিধ বিষয়ৰ এখন তালিকা পোৱা যায়। বৈদিক সাহিত্যৰ মন্ত, ব্ৰাহ্মণ, আৰণ্যক উপনিষদ আৰু বেদাংগ এটা অতি প্ৰয়োজনীয় বিষয় বুলি গণ্য কৰা হৈছে। পৱিত্ৰ শ্লোক সমূহ এজনৰ পৰা আন এজনলৈ বংশানুক্ৰমে চলি আহিছে। বৈদিক শিক্ষাক 'স্বাধ্যায়' বুলি কোৱা হয়। ইয়াক ব্ৰহ্মযজ্ঞ বুলিও জনা যায়। ব্ৰহ্মযজ্ঞ পালন কৰিবৰ কাৰণে সদায় বেদপাঠ কৰিব লাগে। অনুশাসনাৱলী বেদাংগ সমূহ, বিজ্ঞান কথোপকথন, ইতিহাস পুৰাণ আৰু নাৰাসংহি গাথাঁ বা মানৱ জীৱনৰ কাৰ্যাৱলী প্ৰতিফলিত হোৱা মালিতাসমূহো পাঠ্যক্ৰমৰ ভিতৰত ধৰা হৈছিল। শতপথ ব্ৰাহ্মণত সৰ্পবিদ্যা আৰু বিষ বিধি, ৰক্ষোবিদ্যা আৰু অসুৰ বিদ্যা বা ভূত ভৱিষ্যত জানিব পৰা আসুৰিক বিদ্যাৰ কথা উল্লেখ কৰিছে।

পৰৱৰ্তী সময়ত ন ন বিষয়বস্তুৰে পাঠ্যক্ৰমৰ পৰিধি বহলাই আনিলে। নাৰদে তেওঁৰ গুৰু সনত্ কুমাৰৰ ওচৰত পঢ়া দীঘলীয়া পাঠ্যক্ৰমৰ যি তালিকা ছান্দোগ্য উপনিষদত দিছে, সিয়ে এই কথাৰ সত্যতা প্ৰমাণ কৰে। এই তালিকাত অন্তৰ্ভূক্ত হোৱা বিষয় সমূহ হৈছে বেদ, ইতিহাস, পুৰাণ, মৃতকৰ পূজাৰ বিধি, ৰাশি বিজ্ঞান বা অংক বিজ্ঞান, জ্যোতিবিজ্ঞান বা দৈৱ বিজ্ঞান, আধ্যাত্মিক বিজ্ঞান, তৰ্ক, কলা-কৌশল, ব্যৱহানীতি, ঈশ্বৰ সম্বন্ধিয় জ্ঞান বা দেৱবিদ্যা, ব্ৰহ্মবিদ্যা বা বেদাঙ্গপাঠ, জীৱবিদ্যা বা ভূতবিদ্যা, ৰাজনীতি বা শাসনবিদ্যা, সৰ্পবিদ্যা বা দেৱজন বিদ্যা ইত্যাদি।

বৈদিক যুগত শিক্ষামূলক, আধ্যাত্মিক আৰু ত্যাগমূলক বিষয়বস্তুৰ ওপৰত নানান বিতৰ্কক, আলোচনা-সমালোচনা আদি মাজে মাজে হৈছিল। বিৰ্তকক ব্ৰহ্মোদ্য বুলি কোৱা হৈছিল। বহু দৰ্শন বা তৰ্কশাস্ত্ৰৰ বীজ এনে বিতৰ্ক সভাৰ মাজতেই বিচাৰি উলিয়াব পাৰি। বিতৰ্ক প্ৰতিযোগিতা শিক্ষা জীৱনৰ এটি নিয়মীয়া অধ্যায় আছিল। অৰণ্য, বিশ্ববিদ্যালয়, ৰাজসভা আৰু যজ্ঞভূমি আদিয়েই আছিল শিক্ষাৰ স্থান। শিক্ষাৰ আলোচনা সভা, আধ্যাত্মিক বিষয়ৰ মেল, বিতৰ্ক সভা আদিও এই বোৰতেই পতা হৈছিল।

**শিষ্য ঃ** বৈদিক যুগত দুই প্ৰকাৰৰ শিষ্য দেখিবলৈ পোৱা যায়। নৈষ্ঠিক সকল নিজ গৃহলৈ পুনৰ ঘূৰি নাযায়। মহান উৎসৰ্গা মন্ত্ৰেৰে দীক্ষিত হৈ তেওঁলোকে আজীৱন অবিবাহিত হৈ থাকি গুৰু গৃহতে কাল কটায়। তেওঁলোকে গুৰুৰ পদবী ধাৰাবাহিকভাৱে বহন কৰি আহে। উপকুৰ্বনি শ্ৰেণীয়ে গাৰ্হস্থ্য জীৱন ত্যাগ নকৰে। তেওঁলোকে গুৰুগৃহ এৰিবৰ দিনা আনন্দমনেৰে মাছুল দি আহে। ছাত্ৰসকলক বিনা মাছুল শিক্ষা দান কৰা হৈছিল। শিষ্যই নিজৰ কাৰণে প্ৰস্তুত খাদ্য গাওঁ বিলাকৰ পৰা সংগ্ৰহ কৰি আহিছিল। পিতৃ-মাতৃয়েও শিক্ষাৰ বাবে কোনো খৰচ বহন কৰিব লগা হোৱা নাছিল। 'আচাৰ্য' শব্দৰ অৰ্থই হৈছে "যিজনে বিনা মাছুলে শিক্ষা দান কৰে।" সেই সময়ত বিশ্বাস কৰা হৈছিল যে অলপ পৰিমাণে হ'লেও যদি কোনো বস্তু দক্ষিণা স্বৰূপে দিব নোৱাৰে, তেনেহ'লে শিক্ষাই কোনো ফল নধৰে। সেয়েহে শিষ্যই গুৰুৰ গৃহ ত্যাগ কৰিবৰ দিনা স্বইচ্ছাৰে কিছু দক্ষিণা স্বৰূপে দিয়ে। দুখীয়া ঘৰৰ ছাত্ৰই একো দিব নোৱাৰিলে শাক এমুঠি দিলেও হয়।

**গুৰু ঃ** সকলো প্ৰকাৰৰ শিক্ষা লাভ আৰু অধ্যয়নৰ কাৰণে শিষ্যই গুৰুৰ গৃহলৈ গৈ আৱাসিক শিক্ষা কেন্দ্ৰত শিক্ষা গ্ৰহণ কৰে। এনে অনুষ্ঠানৰ লগত গুৰু সকল ওতপ্ৰোতভাৱে জড়িত থাকে। আন এক প্ৰকাৰৰ শিক্ষকে ঘূৰি ফুৰি শিক্ষা বিলায় অথবা বক্তৃতাৰে উপদেশ দি ফুৰে। এনেবিলাক শিক্ষকক চৰক বোলা হৈছিল। এনেধৰণৰ শিক্ষক য'তে গৈছিল তাতেই শিক্ষা সংস্কৃতি আৰু জ্ঞান বিদ্যাৰ প্ৰচাৰ কৰি ফুৰিছিল। এনে শিক্ষা সহজলভ্য আছিল। গুৰুৰ দৰেই নিজৰ পিতৃক উপদেশ দিবলৈ অনুমতি দিয়া হৈছিল। প্ৰাচীনকালত অনেক শিষ্যই গুৰুগৃহত শিক্ষা সমাপ্ত কৰি ঘৰলৈ ঘূৰি অহা পাছত জ্ঞানৰ পুৰ্ণতাৰ বাবে পিতাকৰ উপদেশ গ্ৰহণ কৰিছে।

**গুৰু-শিষ্যৰ সম্বন্ধ ঃ** গুৰু আৰু শিষ্যৰ সম্বন্ধ বৰ সৌহাদ্যপূৰ্ণ আছিল। গুৰু শিষ্য উভয়েই এনে মধুৰ সম্বন্ধ স্থায়ীভাৱে ৰাখিবলৈ চেষ্টা কৰিছিল। প্ৰতিদিনে শিক্ষাদানৰ আৰম্ভণিতে এটা মন্ত্ৰ উচ্চৰণ কৰে। সেইটো হৈছে —

ওঁ সহনাৱবতু সহনৌ ভূনক্তু সহ বীৰ্যং কৰৱাহৈঃ।
তেজস্বী নাৱধী তমস্তু মা বিদ্বিষাৱহৈ।।

— ব্ৰহ্মাই যেন আমাক দুয়োকে ৰক্ষা কৰে। আমাক যেন একেলগে ৰাখে, আমি যেন একেলগে জ্ঞান লাভ কৰাৰ শক্তি পাওঁ। আমাৰ শিষ্যই যেন প্ৰকৃত সত্য প্ৰকাশ কৰিব পাৰে, অথবা পোহৰৰ দৰে উজ্জল হৈউঠিব পাৰে। আমাৰ মাজত যেন কেতিয়াও বিয়োগৰ সৃষ্টি নহয়।

**সমাবৰ্তন উৎসৱ ঃ** বৈদিক যগৰ বিশ্ববিদ্যালয় সমূহৰ সমাবৰ্তন অনুষ্ঠানত যি ভাষণ দিয়া হৈছিল সেই ভাষণ সমূহৰ জৰিয়তে বৈদিক যগৰ ঋষি সকলৰ জ্ঞান, বাস্তৱবাদী দৃষ্টিভংগী সুন্দৰ ৰূপে পৰিস্ফূট হৈছে। তপোবন বিশ্ববিদ্যালয় ত্যাগ কৰাৰ দিনা স্নাতক? আজি কালিৰ সমাবৰ্তন উৎসৱতো অতুলনীয় হৈ ৰৈছে। বিদায়ৰ দিনা শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ ভিতৰতে সেউজীয়া ঘাঁহনিৰ আসনৰ ওপৰত এক সুন্দৰ ৰম্য বাতাৱৰণৰ মাজত স্নাতক সকল সমবেত হয়। সেই সময়ত শিষ্য সকলৰ প্ৰতি বিদায় বাণী শুনায়।

— "সত্য ক'বা। নিজ কৰ্তব্য পালন কৰিবা। ধাৰ্মিক হ'বা। কেতিয়াও বেদ পাঠ প্ৰথা ত্যাগ নকৰিবা।" ইত্যাদি। এনেধৰণৰ বক্তৃতাসমূহে স্নাতক সকলৰ মনত ঘৰুৱা আৰু সামাজিক কৰ্তব্যৰ কথা জগাই তুলিছিল।

ওপৰোক্ত আলোচনাৰ পৰা ক'ব পাৰি যে বৈদিক যুগৰ ভাৰতীয় শিক্ষা পদ্ধতিৰে ছাত্ৰৰ শাৰীৰিক, নৈতিক, মানসিক আৰু আধ্যাত্মিক প্ৰভৃতি বিভিন্ন ক্ষেত্ৰত উৎকৰ্ষ সাধন কৰিব পাৰিছিল। এই শিক্ষা সৰ্বতোমুখী শিক্ষা আছিল। ই কেৱল শিক্ষাৰহে যে উন্নতি সাধিছিল এনে নহয়। গোটেই জীৱনৰে উৎকৰ্ষ সাধন কৰিছিল। শিষ্য সকল এটি আদৰ্শনীয়, শিক্ষণীয়, কঠোৰ শৃংখলাবদ্ধতা আৰু ত্যাগৰ বাতাবৰণৰ মাজেদি জীৱন যাপন কৰিছিল। পাঠ্যক্ৰমৰ ভিতৰত ভৌতিক আৰু আধ্যাত্মিক দুয়োবিধ বিষয় বস্তুৰেই অন্তৰ্ভূক্ত কৰা হৈছিল। ❑



# শিক্ষা ব্যৱস্থাত আধ্যাত্মিক মূল্যবোধৰ অভাৱ

• লিপিশিখা সোণোৱাল

বিশেষ মূল্যবোধ হ'ল ক্ৰমে-সংযম, সহানুভূতি, সহযোগিতা, সংস্কৃতিৰ শ্ৰদ্ধা, নম্ৰতা, চাফ-চিকুনতা, মানৱতাবোধ, অহিংসা, দেশপ্ৰেম, সামাজিক দায়িত্ববোধ, আধ্যাত্মিকতাবোধ, নৈতিকবোধ আদিয়েই উল্লেখযোগ্য।

মানুহ সামাজিক প্ৰাণী। সমাজপাতি বাস কৰা মানুহৰ বাবে মানুহৰ কল্যাণেই হ'ল জীৱনৰ মূল মন্ত্ৰ, মূল্যবোধ। মানুহৰ জীৱন পৰম মনোৰম। নিজৰ জীৱন কেনেকৈ সজাব পাৰি, তাৰ ওপৰত নিৰ্ভৰ কৰে জীৱনৰ মহত্ব। আমাৰ জীৱনৰ মূল্যবোধেই নিয়ন্ত্ৰণ কৰে আমাৰ জীৱন। সেয়ে ছাত্ৰাৱস্থাত মূল্যবোধৰ সম্যক ধাৰণাসমূহ যদি দিয়া নহয়, তেন্তে সমাজ ব্যৱস্থা কলুষিত হ'ব। আজিৰ অকনি কাইলৈ দেশৰ ধৰণী। আমি আমাৰ নৱ-প্ৰজন্মৰ জীৱনৰ মূল্যৱান সময় কামত লগাব পাৰোঁ। সেয়াই হ'ব দেশৰ আৰু স্বজাতিৰ মূল্যবোধৰ আধাৰ। মূল্যবোধৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ কিছুমান নিৰ্দেশিকা নীতি-নিয়ম দাঙি ধৰিবৰ সময় সমাগত। ভাৰতীয় সংবিধানত নাগৰিক স্বাধীনতা, সমতা, ন্যায় আৰু ভাতৃত্ববোধ প্ৰতিষ্ঠা কৰাত গুৰুত্ব আৰোপ কৰিছে। ভাৰতীয় সংবিধানে নাগৰিকৰ মৌলিক কৰ্তব্য সম্পৰ্কেও মাত মাতিছে। ভাৰতবৰ্ষৰ প্ৰাচীন শিক্ষা ব্যৱস্থা আছিল মূল্যবোধ আধাৰিত। সেইবাবে শিক্ষাৰ আন এক উদ্দেশ্য হ'ব লাগে প্ৰমূল্যবোধ সৃষ্টি কৰা। মূল্যবোধৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃত জীৱন নিৰ্বাহ পদ্ধতি কৰ্ম-সংস্কৃতি সম্পৰ্কে সম্যক ধাৰণা আহৰণ কৰাৰ সুবিধা পাব। মূল্যবোধে মানুহৰ সামাজিক জীৱন পৰিচালিত কৰে। সম্প্ৰতি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিকাশ, বিশেষকৈ ভ্ৰাম্যভাষ যন্ত্ৰ আৰু ফেচবুকে ছাত্ৰ-ছাত্ৰীৰ মাজত মূল্যবোধৰ খেলি-মেলি লগোৱা পৰিলক্ষিত হৈছে। তেনেক্ষেত্ৰত মূল্যবোধৰ শিক্ষা প্ৰদান কৰাটো এক বৃহৎ প্ৰত্যাহ্বান বুলি ক'ব পাৰি। ভাৰতীয় আধ্যাত্মিক দৃষ্টিভংগী আৰু নৈতিকতাবোধৰ অভাৱত সমাজৰ সকলো ক্ষেত্ৰতে দুৰ্নীতি, ভ্ৰষ্টাচাৰ, অনিয়ম, বিশৃঙ্খলতা আৰু বেমেজালিয়ে ক্ৰিয়া কৰিছে। আমাৰ সামাজিক জীৱন সুস্থভাৱে বৰ্তি থাকিবলৈ বিশৃঙ্খল সামাজিক জীৱন নিয়ন্ত্ৰণ কৰাৰ বাবে কিছুমান নীতি-আদৰ্শ নিশ্চয় আয়ত্ত কৰি ল'ব লাগিব। তাৰবাবেই বৰ্তমান শিক্ষা ব্যৱস্থাত মূল্যবোধ শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব। ১৯৮৬ চনত ৰাজ্যিক শৈক্ষিক গৱেষক পৰিষদে ৮৪ বিধ মূল্যবোধ চিনাক্ত কৰি এখন তালিকা প্ৰস্তুত কৰিছিল। সেইমতে বিশেষ মূল্যবোধ হ'ল ক্ৰমে-সংযম, সহানুভূতি, সহযোগিতা, সংস্কৃতিৰ শ্ৰদ্ধা, নম্ৰতা, চাফ-চিকুনতা, মানৱতাবোধ, অহিংসা, দেশপ্ৰেম, সামাজিক দায়িত্ববোধ, আধ্যাত্মিকতাবোধ, নৈতিকবোধ আদিয়েই উল্লেখযোগ্য। মানুহৰ নৈতিক আৰু আধ্যাত্মিক জীৱন-যাপন পদ্ধতি সম্পৰ্কে জ্ঞান আহৰণ কৰিবলৈ হ'লে শিক্ষাই হৈছে মূল চালিকা শক্তি। সমাজত মানুহে মৰ্যাদাসম্পন্নভাৱে জীয়াই থাকিবলৈ হ'লে মূল্যবোধ স্পষ্ট আৰু বিকাশ অতি গুৰুত্বপূৰ্ণ। গতিকে বৰ্তমান শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক প্ৰকৃত জীৱনবোধ আৰু জীৱনধাৰণ পদ্ধতি সম্পৰ্কে সচেতন কৰি তুলিবলৈ হলে শিক্ষাৰ যোগেদি মূল্যবোধৰ শিক্ষা প্ৰদান কৰাৰো অতি গুৰুত্বপূৰ্ণ।

বৰ্তমান ম'বাইল যান্ত্ৰিক সভ্যতাই ছাত্ৰ-ছাত্ৰী সমাজ জীৱনৰ প্ৰতি ভাবুকি আনিছে। বিলাসিতাপূৰ্ণ জীৱনৰ প্ৰতি তেওঁলোক ধাৱমান হৈছে। ইয়াৰ মূলতেই হৈছে — শিক্ষা ব্যৱস্থাত আধ্যাত্মিক মূল্যবোধৰ অভাৱ। এনে শিক্ষাৰ অভাৱৰ বাবেই সমাজ আৰু দেশত বিশৃঙ্খলতা বৃদ্ধি পাইছে। আধ্যাত্মিক মূল্যবোধ বৃদ্ধি পালে ছাত্ৰ-ছাত্ৰীয়ে মানৱতাবোধ সম্যক ধাৰণা বুজিব পাৰিব আৰু শিকিব। সহযোগিতা, অহিংসা ভাৱ, ভক্তি, সংযম, উদাৰতা আদি বৃদ্ধি পাব। গতিকে শিক্ষা ব্যৱস্থাত আধ্যাত্মিক আৰু নৈতিক মূল্যবোধৰ জড়িত পাঠ, বিষয় অন্তৰ্ভুক্ত অত্যন্ত জৰুৰী।

থোৰতে ক'বলৈ গ'লে ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ ক্ষেত্ৰত একমাত্ৰ প্ৰধান লক্ষ্য হোৱা ব্যৱস্থাই সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। আধ্যাত্মিক মূল্যবোধক গুৰুত্ব আৰোপ কৰিব লাগিব। কাৰণ পৃথিৱীত এটা মাত্ৰ মঙ্গল কাৰক আছে— সেইটো হৈছে, মানৱীয় প্ৰমূল্যবোধ। ইয়াৰ প্ৰাসঙ্গিক আজি জৰুৰী বুলি গণ্য কৰিব লাগিব। কাৰণ কেৱল মূল্যবোধহে নিয়ন্ত্ৰণ কৰে আমাৰ জীৱন। □



# শিক্ষক বা গুৰুৰ মূল্য কিমান?

• পম্পী সোনোৱাল

অভিধানিক অৰ্থত বিদ্যালয়ত যিজনে শিক্ষা দান কৰে তেঁৱেই শিক্ষক। গুৰুৰ অবিহনে কোনেও শিক্ষা গ্ৰহণ কৰিব নোৱাৰে। পুৰণি আখ্যান সমূহত এনে উদাহৰণ বহুত আছে। একলব্যই অৰণ্যৰ মাজত দ্ৰোণাচাৰ্যৰ প্ৰতিমূৰ্তি স্থাপন কৰি নিজে শিক্ষা লাভৰ প্ৰয়াস কৰিছিল। দ্ৰোণাচাৰ্যক গুৰু মানি প্ৰতিমূৰ্ত্তিক সেৱা সৎকাৰ কৰি শিক্ষা লাভৰ প্ৰয়াস কৰি এক মহাশক্তি লাভ কৰিছিল। যাৰ ফলত শব্দ ভেদি বান প্ৰয়োগ কৰিব পাৰিছিল। পিছে এই সমস্ত কথা গুৰু দ্ৰোণাচাৰ্যই জানি গুৰু দক্ষিণা বিচাৰি একলব্যৰ ওপৰত কৰা ব্যৱহাৰ অতি বিতৰ্কিত।

শিক্ষক বা গুৰুৰ আসনখন আমি পিতৃ-মাতৃতকৈ শ্ৰেষ্ঠ বুলি কওঁ। এই কথা ঠিক যে গুৰুৰ অবিহনে কোনেও শিক্ষা বা জ্ঞান লাভ কৰিব নোৱাৰে। .শিক্ষা বা জ্ঞান হৈছে পঢ়ি, শুনি, লিখি বোধশক্তি বা অনুভৱ শক্তিৰ জৰিয়তে লাভ কৰা ফল। গুৰুৱেই হৈছে জ্ঞানৰ উৎকৰ্ষ।

আমাৰ বিশ্বাস যে কোনেও জন্ম হৈ আহোতে শিক্ষা লৈ নাহে। জন্মৰ পিছৰ পৰা ইটো সিটোকে দেখি শুনি জ্ঞান লাভ কৰবিলৈ ধৰে। বাস্তৱ জগতখন হৈছে শিক্ষাৰ আকৰ। কিন্তু এই সত্য কথাৰ মাজতে এটা কথা ক'ব বিচাৰিছো যে জন্মগতভাৱে কিছুমান বস্তু মাক-বাপেকৰ পৰা সন্তানে লৈ আহে। উদাহৰণ হ'ল— অৰ্জুনৰ পুত্ৰ অভিমুন্যই চক্ৰবেহুত প্ৰৱেশৰ শিক্ষা মাতৃ গৰ্ভত লৈ আহিছিল বুলি মহাভাৰতত উল্লেখ কৰিছে। তেনেহ'লে পিতৃ-মাতৃৰ প্ৰভাৱ সন্তানৰ গাত নপৰে বুলিব পাৰি জানো। সেইফালৰ পৰা সন্তানৰ প্ৰথম গুৰু হ'ল মাতৃ তাৰ পিছত পিতৃ আৰু তাৰ পিছত জ্ঞানৰ প্ৰসাৰক শিক্ষক বা গুৰু।

**পৰক আপোনা কৰি নিজৰ জ্ঞান ভাণ্ডাৰ বিলাই মহিমা মণ্ডিত কৰিব পৰাজনেই হৈছে শিক্ষক বা গুৰু। নিজৰ প্ৰতিভাৰ গুণৰ দ্বাৰা শিক্ষকে এখন সমাজকো প্ৰভাৱান্বিত কৰিব পাৰে। সাৰ্বজনীন আৰু ব্যাপক ৰূপত শিক্ষাদান কৰিব পাৰে।**

শিক্ষকক বা গুৰুক শ্ৰেষ্ঠ পথ প্ৰদৰ্শক আৰু পালক হিচাপে আসন দিয়া হয়। পৰক আপোনা কৰি নিজৰ জ্ঞান

ভাণ্ডৰ বিলাই মহিমা মণ্ডিত কৰিব পৰাজনেই হৈছে শিক্ষক বা গুৰু। নিজৰ প্ৰতিভাৰ গুণৰ দ্বাৰা শিক্ষকে এখন সমাজকো প্ৰভাৱান্বিত কৰিব পাৰে। সাৰ্বজনীন আৰু ব্যাপক ৰূপত শিক্ষাদান কৰিব পাৰে।

এগৰাকী শিক্ষকৰ থাকিব লগা গুণখিনি ইংৰাজী প্ৰতিশব্দ 'Teacher' (টিচাৰ) শব্দটোৰ আখৰেৰে বিশ্লেষণ কৰা অৰ্থৰ ওপৰত প্ৰতিষ্ঠা কৰিবলৈ চিন্তাশীল গৱেষক সকলে উপদেশ দিছে। সেইমতে শব্দৰ আখৰৰ বিশ্লেষণাত্মক ৰূপ এনেধৰণৰ—


T - Tactful (বুদ্ধিয়ক)
E - Efficient (কাৰ্যদক্ষতা)
A - Ability (সক্ষমতা)
C - Character (চৰিত্ৰ)
H- Humour (ৰসিকতা)
E - Eloquent (বাক্‌পটু)
R - Readyness (সাজু হেৰা বা প্ৰস্তুত)

ইয়াৰ পৰা বুজা গ'ল যে এজন সফল শিক্ষক হ'বলৈ হ'লে ব্যক্তিজন বুদ্ধি সম্পন্ন, কাৰ্যক্ষম, সৎ আৰু চৰিত্ৰৱান হোৱাৰ লগতে দক্ষতা, বাকপটুতা গুণেৰে শিক্ষা প্ৰদান কৰি শিষ্য বা ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই লৈ যাব লাগিব।

এই সকলো গুণসম্পন্ন এজন সাগৰ সদৃশ জ্ঞান তপস্বী শিক্ষাবিদ ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ নামটো লেখত লবলগীয়া। ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণ এজন সফল শিক্ষক আছিল। বহল অৰ্থত ক'বলৈ গ'লে তেখেত আছিল বিশ্বৰ মানৱ জাতিৰ শিক্ষক। জ্ঞানৰ ক্ষেত্ৰত অতিশয় গভীৰ জ্ঞান আছিল। নানা বিষয়ত বিশ্ববাসীক শিক্ষা দিয়াৰ সুবিধা লাভ কৰি সফল হৈছিল। তেখেতে কোনো এক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰা নাছিল। ধৰ্ম, দৰ্শন, সংস্কৃতি, সাহিত্যৰ ওপৰত শিক্ষা দিছিল এনে নহয় ৰাজনীতিৰ ওপৰতো মূল্যৱান শিক্ষা দি বিশ্বক স্তম্ভিত কৰি পেলাইছিল।....... শিক্ষাৰ বিষয়ে আমাক তেখেতে কৈছে, — "অনেক যুগৰ অভিজ্ঞতাবোৰ অধ্যয়ন কৰোঁতে আমি সেইবোৰৰ পৰা শিক্ষাও গ্ৰহণ কৰিব লাগে। এই শিক্ষাবোৰ আজিও প্ৰাসঙ্গিক। আমাৰ সংস্কৃতিৰ প্ৰাচীন প্ৰতিনিধি সকল সাহসী আৰু গতিশীল আছিল। আমি যদি আজিৰ পৰিৱৰ্তনশীল পৃথিৱীত মনে মনে বহি থাকি পুৰণি ৰাগেৰে আলাপ কৰি থাকো, তেন্তে আমি তেওঁলোকৰ সাৰ্থক উত্তৰাধিকাৰী হ'ব নোৱাৰিম।"...

সেয়েহে, ৫ ছেপ্তেম্বৰ দিনটো আমি আমাৰ দেশৰ এজন জ্ঞানী বিশ্ববিশ্ৰুত শিক্ষাবিদ ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম দিন হিচাপে পালন কৰো। সেই দিনটো সমগ্ৰ শিক্ষক সমাজৰ আদৰ্শ, ত্যাগ আৰু শ্ৰমৰ মূল্যায়ন কৰি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। সেইদিনা ৰাজহুৱা সভা-সমিতি পাতি .......শিক্ষকক সন্মান প্ৰদান কৰা হয়। প্ৰকৃততে গুৰুসকল ছাত্ৰৰ পিতৃসম। জন্মদাতাতকৈ গুৰু এখোপ ওপৰত। গুৰুৱেই হৈছে জ্ঞানৰ উৎকৰ্ষ। সেইবাবে শিক্ষাগুৰু সকলক এডাল মমবাতিৰ লগত তুলনা কৰিব পাৰি। যিদৰে মম এডাল জ্বলাই দিলে, জ্বলি জ্বলি গৈ সি এটা সময়ত নিজে নিজে গলি শেষ হৈ যায়, ঠিক সেইদৰে শিক্ষক সকলে নিজৰ শিক্ষাৰ পৰা, নিজৰ জ্ঞানৰ পৰা নিজৰ কৰ্মৰ পৰা আৰু নিজৰ অভিজ্ঞতাৰ পৰা যিখিনি বুজাব পাৰে, সেই সকলোখিনি ত্যাগ কৰি নিজৰ জ্ঞানৰ ভাণ্ডৰ বিলাই মহিমামণ্ডিত কৰে।

জ্ঞানী আৰু সৎ শিক্ষক জনেই সমাজৰ ভাল কৰ্ম কৰি দেখুৱাব পাৰে। তেওঁ পথ প্ৰদৰ্শক হোৱাৰ লগতে ত্ৰাণকৰ্তা হিচাপে ৰাইজে শ্ৰদ্ধা কৰিব। ভাৰতবৰ্ষত অতীজৰে পৰা গুৰুৰ সন্মান উচ্চ। যুগে যুগে গুৰু পূজনীয় হৈ আহিছে আৰু পূজনীয় হৈ থাকিব। ❑





# SCENERIO OF THE PRESENT EDUCATION SYSTEM IN INDIA

• **Priyanka Choudhury**

As the face is the mirror to the heart of a person, level of education reflects the status of a nation. The importance of education must not be underestimated because education is the tool which alone can inculcate national and cultural values; liberate people from false recognitions, ignorance and prejudices; create a change in vision and outlook and provoke the spirit of healthy competition.

The education system in India is already par excellence. It is a 'role model' for almost all the countries in the world. Since independence India has marched much ahead in the field of science and technology. It is one of the six nuclear powers of the world. In information technology, we are second to none. We have our own satellites orbiting the earth launched from our own stations and manufactured indigenously. The fact that 28% of the scientists in NASA are Indians who have qualified from India,bears testimony to it.

The study options in India are widely diversified in all fields of education. One can exercise his performances in studying online, offline, in- campus, off-campus for a course. Distant learning choices are also available these days. The central government has done it's best to make the study options flexible in nature to facilitate optimal student participation. One of the best advantages of the Indian education system is the inexpensivenesss. Unlike other developed countries in the world, knowledge is clubbed with economy here and any student willing to explore the abundance anily spread resources

of education in the country can do so without having to spend encorbitantly.

Even after such major advantages the Indian education system still has a number of challenges to overcome.

The Indian education system is an ever evolving concept that will forsee new changes generation by generation. Similarly, a lot of new theories, tools and concepts have been added to improve the infrastructure of the current education system which eventually has improved the quality of education in a great extent. One thing that has hugely affected the current education system is E-learing. E-learning is playing an important role in many schools and its importance has been realised by the authority.


Though, the Indian education system offers a variety of subject choices for higher education, but there exists a lack of diversity of subjects they can pursue in college. Half of the country does not even have the access to proper education and only a fraction can go to the university, i.e a lack of quality education for the poor and a limited number of seats in the top-notch universities. Everything in this education system is about rote memorization, leading to behaviour which encourages cramming and forgetting rather than life long learning. Yes, we do know that many IB schools in India are trying to bring in in interactive education and we laud that immensely. But the evil of rote learning is yet to be wiped out from majority of the Indian schools. Standardised testing determines everything and aptitude of students is not recognized outside this format. The reservation system though, created for the benefit of certain backward classes, are miused in several ways. Similar is the management quota system,  which lets the non-deserving students busy seats in the top-notes universities also, the otherevils of the Indian education system comes down to the ultimate method in which students are marked is it justified that a student is evaluated only on the basis of the performance for the duration of three hours of the exam?

If the axis of grading and marking is shifted to classroom participation and extra curricular performance, only then will a genuine student shine out. The Indian education system should focus more on skill based education because it has been rightly said that, "give a man a fish and you feed him for life-long". To reap the real fruit of growth and achievement in the country, the issue of education system must be censured and discussed. ❑



# গোৰ্খা সম্প্ৰদায়ৰ জাতীয় উৎসৱ ঃ তিহাৰ


• সন্ধ্যা নেৱাৰ





**'তিহাৰ' গোৰ্খা সম্প্ৰদায়ৰ জাতীয় উৎসৱ। এই উৎসৱ তেওঁলোকৰ হৃদয়ৰ স্পন্দন স্বৰূপ, সাতামপুৰষীয়া পৰম্পৰা, গীত-নৃত্য, ভ্ৰাতৃত্ববোধ, প্ৰকৃতি প্ৰেম, উলহ-মালহেৰে পৰিপূৰ্ণ গোৰ্খা সংস্কৃতিৰ মূল স্তম্ভস্বৰূপ। ...**

গোৰ্খা সম্প্ৰদায়ৰ সাংস্কৃতিক ক্ষেত্ৰখন অতি বিশাল আৰু গভীৰ। তেওঁলোকৰ সৰহভাগেই গ্ৰামাঞ্চলত বাস কৰে আৰু তেওঁলোকৰ প্ৰধান জীৱিকা হৈছে কৃষি। সেয়ে গোৰ্খা সম্প্ৰদায়ৰ সংস্কৃতি কৃষিকেন্দ্ৰিক সংস্কৃতি বা কৃষিভিত্তিক সংস্কৃতি। এই কাৰণেই তেওঁলোকৰ উৎসৱ অনুষ্ঠানত নৃত্য-গীতৰ পয়োভৰ দেখা যায়। যাৰ মাজেদি তেওঁলোকৰ জীৱনৰ সুখ-দুখ, বিৰহ-বেদনা, আশা-আকাংক্ষা তথা প্ৰেম-প্ৰণয় আদিৰ প্ৰকাশ ঘটে।

'তিহাৰ' গোৰ্খা সম্প্ৰদায়ৰ জাতীয় উৎসৱ। এই উৎসৱ তেওঁলোকৰ হৃদয়ৰ স্পন্দন স্বৰূপ, সাতামপুৰষীয়া পৰম্পৰা, গীত-নৃত্য, ভ্ৰাতৃত্ববোধ, প্ৰকৃতি প্ৰেম, উলহ-মালহেৰে পৰিপূৰ্ণ গোৰ্খা সংস্কৃতিৰ মূল স্তম্ভস্বৰূপ। এই উৎসৱ দেৱালীৰ আগদিনাৰ পৰা আৰম্ভ কৰি চাৰিদিন ধৰি অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। কাক তিহাৰ (কাউৱী তিহাৰ), কুকুৰ তিহাৰ, গাই তিহাৰ আৰু হলি তিহাৰ (গৰু তিহাৰ)। 'ভৈলী' আৰু 'দেউচি' তিহাৰ বিশেষ অনুষ্ঠান। এই চাৰিদিনীয়া তিহাৰ উৎসৱ অনুষ্ঠিত হয় দীপান্বিতাৰ সময়ত। এই উৎসৱৰ প্ৰথম দিনটো হ'ল কাক তিহাৰ। কাক মানে 'কাউৰী'। এই উৎসৱৰ দিনা নৰৰ উপকাৰী কাউৰীলৈ উৎসৱৰ আহাৰ আগবঢ়ায়। ইয়াৰ জৰিয়তে সমস্ত পক্ষী জগতলৈ পূজা-অৰ্চনা কৰা হয়। তিহাৰৰ দ্বিতীয় দিনাখন হ'ল 'কুকুৰ তিহাৰ'। যিদিনা মানৱ সমাজৰ পৰম বিশ্বাসী, প্ৰভুভক্ত কুকুৰৰ ডিঙিত নানান বস্তুৰ ফুলেৰে সজোৱা মালা পিন্ধায় আৰু উৎসৱৰ খোৱা বস্তু খাবলৈ দিয়া হয়। তৃতীয় দিনাখন ঘৰৰ গৃহস্থই ৰাতিপুৱাতে শুই উঠি গা-ধুই হাতত পানীৰ ঘটলৈ পানী ছটিয়াই তিনিবাৰ প্ৰদ্‌ক্ষিন কৰে। ফুলেৰে









গঁথা মালা পিন্ধায় আৰু কপালত ফোঁট দি বছৰটোৰ বাবে গাই গৰুৰ মংগল কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। 'গাই তিহাৰ'ৰ দিনাখন সন্ধিয়া ঘৰে ঘৰে চোতালত দুটা কলগছ পুতি নানা চালেকিৰে সজোৱা হয়। সেইদিনা ৰাতি প্ৰতি ঘৰে ঘৰে বন্তি জ্বলাই গাঁৱৰ চোতালে চোতালে বহি মহিলা-বোৱাৰী, জীয়াৰী, কামানি ছোৱালী বিলাকে 'ভৈলী' গাবলৈ আৰম্ভ কৰে।

'ভৈলী' অনুষ্ঠান পতাৰ আগেয়ে জীয়াৰী-বোৱাৰী সকলে ঘৰৰ আচবাব, বাচন-বৰ্তন, আ-অলংকাৰ ধুই পৰিষ্কাৰ কৰি ৰাখে আৰু ধূপ-ধূনা জ্বলাই তাত লখিমী আদৰে তাৰ পাছত 'ভৈলী' গীত গায়। কিছুমানে গীতৰ ছন্দে ছন্দে নৃত্য কৰে।

স'ৰিয়' গ'বৰলে লিপেক
লক্ষ্মী মাতালাই পুজেক'
আহৈ আউচী ৰাত, গাই তিহাৰ
ভৈ-ই-লী......

(ভাবাৰ্থ ঃ সেউজীয়া ৰঙৰ গোবৰেৰে চোতাল মচি দিয়া হৈছে। লখিমী আইক পূজা কৰা হৈছে। অমাৱস্যাও মনা হৈছে আৰু গাই তিহাৰো পালন কৰা হৈছে।)

'ভৈলী' নৃত্য-গীতৰ কেৱল স্ত্ৰী সকলেহে অংশগ্ৰহণ কৰে। এইদৰে 'ভৈলী'ত নৃত্য-গীত গাই ঘৰে ঘৰে ঘূৰি ফুৰে আৰু গৃহস্থৰ মংগল কামনা কৰি আৰ্শীবাদ দিয়ে।


"এ ঝিলিমিলি...
দেউচুৰে
কেহক' ঝিলিমিলি?
দেউচুৰে
ফুল' ক' হয়না
দেউচুৰে
হে বতি ক ঝিলিমিলি
দেউচুৰে।....


এইদৰে 'দেওচি' ও নৃত্য-গীত গাই ঘৰে ঘৰে ফুৰে আৰু মংগল কামনা কৰি, আৰ্শীবাদ দিয়ে। গৃহস্থও দেওচি দলক ধন-ঋণ দি আৰ্শীবাদ লয়।

'ভৈলী' আৰু 'দেওচি' অনুষ্ঠান শেষ হোৱাৰ পাছদিনা ভগ্নীহঁতে ভাতৃহঁতক কপালত ফোঁট দিয়ে। ইয়াক 'ভাইটিকা' বুলিও জনা যায়। গোৰ্খা সকলৰ মাজত জনবিশ্বাস আছে যে ভাতৃ দ্বিতীয়াৰ দিনটো আৰম্ভ হোৱাৰ আগে আগে এনেদৰে ভাতৃহঁতক ভগ্নীহঁতে কপাল ফোঁট দিয়ে আৰু মালা পিন্ধায় দিলে বছৰটোৰ বাবে ভাতৃসকলৰ কোনো আপায় অমংগল নহয়। যমৰাজাৰ কোপ দৃষ্টি আৰু বেমাৰ আজাৰৰ বাবে ই ৰক্ষা কবচ যেন হৈ পৰে। সেইদিনা ভাতৃ-ভগ্নীয়ে আগবঢ়োৱা যিকোনো বস্তু উপহাৰ হিচাপে গ্ৰহণ কৰাৰ প্ৰথা আছে। প্ৰথমতে ভগ্নীহঁতে হাতত পানী ঘটলৈ ভাতৃসকলক পানী ছটিয়াই তিনিবাৰ প্ৰদক্ষিন কৰে। তাৰ পাছত গোবৰ আৰু পিঠাগুড়িৰে পুনৰ তিনিবাৰ প্ৰদক্ষিন কৰে। চাউল আৰু নাৰ্জী ফুলেৰে সেৰা জনাই লগুন আৰু ফুলেৰে গথাঁ মালা পিন্ধায়। তাৰ পাছত ফোঁট দিয়ে। ফোঁট দিবলৈ যাওঁতে দুৱাৰ মুখত এখন গোটা তামোল থৈ তাক এডাল এচাৰিৰে অথবা হাতুৰীৰে ভাঙি যোৱাৰ নিয়ম প্ৰচলন আছে। জনসমাজত প্ৰচলিত যে এনে কৰিলে ভাতৃৰ কোঠাত প্ৰৱেশ কৰিব খোজা যমৰাজৰ পৰাজয় হয় আৰু ভাতৃৰ ৰক্ষাৰ কবচ হৈ পৰে।

তিহাৰ উৎসৱত 'ভাইটিক' হৈ যোৱাৰ পাছত পুৰ্ণিমালৈকে গাঁৱৰ ৰাইজে মিলি ৰাতি প্ৰতিটো ঘৰত 'দেওচি-ভৈলী' গীত গাই ফুৰে। 'দেওচি' আৰু 'ভৈলী'ৰ সামৰণি পৰাৰ অন্তত সকলোৱে মিলি ভোজভাত খায়। ৰাহি হোৱা ধনেৰে সামাজিক উন্নয়নৰ কাম-কাজ কৰে। এনেদৰেই তিহাৰ উৎসৱৰো সামৰণি পৰে।

তিহাৰ উৎসৱ সঁচাকৈয়ে এক মনোৰম উৎসৱ। বিভিন্ন অনা গোৰ্খা ব্যক্তি সমূহেয়ো এই উৎসৱক অতি আদৰ-সাদৰ কৰি আদৰি লোৱা দেখা গৈছে। □







# মিচিং জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি

• নাইটিংগেল পেগু

**মিচিং সমাজত ভাতৃত্ববোধ বেচিকৈ দেখা যায়। কাৰণ মিচিংসকলে একেলগে থাকি ভাল পায় আৰু সকলোধৰণৰ মংগলৰ বাবে কৰা পূজাত একেলগে সহযোগিতা কৰে। একে তেজ নথকা সত্বেও এই ভাতৃত্ববোধক মিচিং ভাষাত তংসিনচোনাম বিৰবাং বুলি কোৱা হয়।**

"ঈশ্বৰৰ সৃষ্টিৰ আটাইতকৈ শ্ৰেষ্ঠ আৰু উত্তম সৃষ্টিয়ে হৈছে মানৱ জাতি।"

নৈপৰীয়া মিচিং জনগোষ্ঠী হৈছে অসমৰ দ্বিতীয় বৃহত্তম জনগোষ্ঠী। ঐতিহাসিক দিনৰ পৰা ভাৰতৰ উত্তৰ-পূব প্ৰান্তৰ অসম অৰুণাচল প্ৰদেশত মিচিংসকলে জনবসতি কৰি আহিছে। মিচিংসকলে নিজকে দঃঞি-পঃল (সূৰ্য-চন্দ্ৰ)ৰ সন্তান মঙ্গোলীয় তানি গোষ্ঠীৰ বংশধৰ বুলি অতীজৰে পৰা পৰিচয় দি আহিছে। 'আবুতানি' হৈছে মিচিংসকলৰ আদি পুৰুষ। 'আবু' মানে হ'ল 'পিতৃ' আৰু 'তানি' মানে হ'ল 'মানৱ জাতি'। অৰ্থাৎ মানৱ জাতিৰ পিতৃ।

প্ৰকৃতিপ্ৰেমী মিচিং সমাজে প্ৰকৃতিৰ বুকুত নানান সংঘাতক প্ৰত্যাহ্বান হিচাপে লৈ জীৱন নিৰ্বাহ কৰি আহিছে। মিচিং সমাজত দলগত বিভাজন দৗলু। পাগৰ, আয়ান, মঃয়ি আদি আছে যদিও মূল দুটা মেল দহগাম (দৗলু) আৰু বাৰগাম (পাগৰ') বুলি জনা যায়।

১৯৩৫ চনতে ৰচনা কৰা সোণাৰাম পাএঙ্গ কটকীৰ 'মিৰি জাতিৰ বুৰঞ্জী' মতে, মিচিং জাতিক ভৈয়ামৰ 'মিৰি' বোলে আৰু মিচিং জাতিটো বৰ আবৰ ঠালৰ। মিচিংসকলৰ মতে, চেদি মেলঃ হৈছে জগতৰ সৃষ্টিকৰ্তা, তাপা পুমাং জগতৰ আদি। তেওঁ নিৰাকাৰ। দেতেম নানে'মে মানে আই বসুমতী।

কালক্ৰমত মিচিংসকলৰ আদি বসতি স্থান চাংপো নদীৰ উপত্যকাইদি প্ৰব্ৰজন ঘটি অনুমানিক আহোমসকল সৌমাৰ দেশ প্ৰৱেশ কৰাৰ আগতে অসমলৈ আহে ওভটা মুখ। অয়ঙ্গিয়া, বৰ গাঁও ঢকুৱাখনাৰ সোণাৰাম পাএঙ্গ কটকীয়ে চমুকৈ লিখা 'মিৰি জাতিৰ বুৰঞ্জী'ৰ বাহিৰে মিচিং ইতিহাসৰ বিষয়ে সম্যক জ্ঞান পাবলৈ কোনো লিখিত বুৰঞ্জী নাই। তথাপি অতীজৰে পৰা মুখে মুখে চলি অহা প্ৰচলিত কিংবদন্তি লোকবিশ্বাস, ধৰ্মীয় আচৰণ আৰু লোক সাহিত্য জনজীৱনৰ জীৱন জীৱিকাৰ আধাৰত গঢ় লৈ উঠা জাতীয় কৃষ্টি-সংস্কৃতি ইত্যাদিবোৰে মিচিং জাতিটোক এটা লেখত ল'বলগীয়া জীৱন্ত জাতি- জনগোষ্ঠী হিচাপে জীয়াই ৰাখিছে। মিচিংসকলৰ গুঃমৃন চিগনাম মানে কটকটীয়া বংশ। বিচাৰ পদ্ধতিয়ে জাতিটোক বৈবাহিক ক্ষেত্ৰত সাধাৰণভাৱে সুশৃংখলিত কৰিছে। একে বংশ বা উপাধিৰ লোকৰ মাজত মিচিং



সমাজত কেতিয়া বৈবাহিক সম্বন্ধ নহয়। উদাহৰণস্বৰূপে যদি কইনাজনী পেগু বংশৰ হয় তেন্তে দৰাজনে পেগু বংশ বা পেগু উপাধিৰ হ'ব নালাগিব। মিচিং সমাজত একে উপাধিৰ ব্যক্তিক ভাই-ককাই হিচাপে ধৰা হয়। মিচিং সমাজত ভাতৃত্ববোধ বেচিকৈ দেখা যায়। কাৰণ মিচিংসকলে একেলগে থাকি ভাল পায় আৰু সকলোধৰণৰ মংগলৰ বাবে কৰা পূজাত একেলগে সহযোগিতা কৰে। একে তেজ নথকা সত্বেও এই ভাতৃত্ববোধক মিচিং ভাষাত তংসিনচোনাম বিৰবাং বুলি কোৱা হয়।

মিচিসকল প্ৰাকৃতিকভাৱে মুক্ত মনৰ অধিকাৰী। যেতিয়া ঐতিহাসিক যুগত মিচিংসকল পাহাৰ অঞ্চলত বা নদীৰ কাষত জীৱন-যাপন কৰিছিলে, তেতিয়া তেওঁলোকে ঝুমখেতি, জীৱ-



জন্তুৰ চিকাৰৰ দৰে দুঃসাহসিক কাম কৰিছিল। মিচিংসকলে কোনো ভয় নকৰাকৈ মুক্ত জীৱন-যাপন কৰিবলৈ ভাল পায়।

মিচিং শব্দৰ অৰ্থক বিভিন্ন সাহিত্যিকসকলে বেলেগ বেলেগ অৰ্থৰে প্ৰকাশ কৰিছে। সাহিত্যিক ইন্দ্ৰেশ্বৰ পেগুৰ মতে, মি- মানুহ ঋ আনছং - শান্তি-শিষ্ট, অৰ্থাৎ মি আন ঋ চুং, মি আন ঋ চুং হৈছে। মিচিং জাতিৰ পৰিচয় হৈছে ভাষা আৰু সংস্কৃতি। মিচিংসকল লোকক সংস্কৃতিত বৰ চহকী। বিশেষকৈ বিভিন্ন ধৰণৰ লোকগীতেৰে মিচিং গীত সংস্কৃতি বৃহত্তৰ অসমীয়া গীত-সংস্কৃতিৰ হিংসভাগ পূৰণ কৰি আহিছে। মিচিংসকলৰ লোকগীত বুলি ক'লে সাধাৰণতে আঃ বাং, কাবান, তীৱ' তীকাং, বৃনি মিদাৰনিঃতম, চৃঃলুংনিঃতম (এক প্ৰকাৰৰ ৰাকন গীত) গেলাকী

নিঃতম দেওবৰ দেন্তানিক নিঃতম, দৃৰম্‌বে লৌৰীলিচঃনামলক নিঋতম, চীল্লয়া চঃনম্‌লক নিঃতম, গুম্‌ৰগে চঃনাম্‌লক নিঃতম, সমান নিঃতম আৰু সকলোৰে অতি প্ৰিয় ঐনিতম আদিকে কোৱা হয়।

মিচিংসকলৰ সংস্কৃতি বুলি ক'লে সাজ-পাৰৰ কথাও ক'ব লাগিব। মিচিং সমাজৰ মহিলাসকলে মিচিং সাজ-পাৰ তথা সংস্কৃতি সমাজৰ মহিলাসকলে সাজ-পাৰ তথা সংস্কৃতি বৰ্তাই ৰখাত বিশেষ অৱদান আছে। মিচিং জীয়ৰীসকলে প্ৰায় ১০-১২ বছৰৰ বয়সৰ লগে লগে তাঁত কাপোৰ লগোৱা আৰু বোৱাত পাকৈত হৈ যায় আৰু নিজৰ লগতে পৰিয়ালৰ প্ৰয়োজনীয় সাজ-পাৰ নিজে তৈয়াৰ কৰে। মিচিং জীয়ৰীসকলে নিজৰ বাবে এগে-গাচৰ' আৰু পুৰুষৰ বাবে 'দুমেৰ গনৰ উগন', 'মিবু গালুক' ইত্যাদি প্ৰস্তুত কৰিব জানে।

মিচিং লোকৰ প্ৰধান উৎসৱ হ'ল— আলি আঃয়ে লৃগাং। আলি আঃয়ে লৃগাং হৈছে কৃষি ভিত্তিক উৎসৱ, য'ত এই উৎসৱত কৃষি জড়িত হৈ থাকে। এই উৎসৱত পথাৰত বছৰৰ প্ৰথম বীজ সিঁচা হয় আৰু ঘৰৰ ডাঙৰক সন্মান জনোৱাৰ লগতে ডেকা-গাভৰুসকলে ঘৰে ঘৰে নাচি-বাগি স্ফুৰ্তি কৰে আৰু গাঁৱৰ সকলোৰে মিলি ভোজ-ভাত খায়। আলি আঃয়ে লৃগাঙৰ লগতে দঃবুৰ পূজা। পঃৰাগ উৎসৱ অন্যান্য মংগলকাৰী দেৱ-দেৱীৰ পূজা-অৰ্চনা অন্যান্য সকাম, মৃতকৰ তিলনি, শুচি, দহা-কাজ আদি পৰম্পৰাগতভৰে পালন কৰি




আহিছে আৰু বিভিন্ন পূজাত পঃৰ, নগিন আপঙৰ ব্যৱহাৰ কৰে আৰু আলহীকো 'নগিন আপং' আৰু 'পঃৰ' আপঙৰ লগত গাহৰি মাংসৰে আল-পৈচান ধৰে। মিচিং লোকসকলৰ প্ৰধান খাদ্য হ'ল গাহৰি মাংসৰ সৈতে মাটিমাহৰ তৰকাৰী, গাহৰিৰ সৈতে ঔটেঙাৰ জোল, পিঠাগুৰিৰ সৈতে জালুক দিয়া কুকুৰা মাংস, নামচিং, লাঃচৰ (শাক সিদ্ধ) আৰু মাংসৰ সৈতে ডিমৰু পাত, মেচাকি পাত (অম্বে) আদি তৰকাৰী।

প্ৰয়ি মিচিং লোকসকলে ঘৰতে নিজৰ পৰিয়ালৰ বাবে গাহৰি, হাঁহ-কুকুৰা, গৰু দেখিবলৈ পোৱা যায়।

অসমত মিচিংসকলৰ প্ৰধান বসতিস্থলসমূহ হ'ল লখিমপুৰ, ধেমাজি, শোণিতপুৰ, যোৰহাট, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া। গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ মুঠ জনসংখ্যা ২,০১১ জন আৰু মিচিংসকলৰ উন্নতিৰ বাবে আৰু অৰ্থনৈতিক দিশত সবল হ'বৰ বাবে এম এ চি (মিচিং অট'নমাচ কাউন্সিল), মিচিং স্বায়ত্ত শাসিত পৰিষদ ধেমাজিৰ গোগামুখত স্থাপন কৰা হৈছে।

শেষত, মিচিং জনগোষ্ঠী হ'ল সংস্কৃতিৰে ভৰপূৰ অসমৰ দ্বিতীয় বৃহৎ জনগোষ্ঠী আৰু মিচিং সমাজৰ পৰিচয় হৈছে নিজা সংস্কৃতি, ভাষা আৰু সাজ-পোছাক। বিভিন্ন গুমৰাগ চমান, ঐঃনিতম হৈছে মিচিংসকলৰ হিয়াৰ আমঠু আৰু মিচিং সমাজৰ সকলো সংস্কৃতি অসম তথা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো উজলিবলৈ সক্ষম হৈছে। ❑





# পুৰাৰ খিৰিকী

• মৃদুলা চেতিয়া

"মোক কিয় ইমান দূৰ্ভগীয়া কৰি তুলিলা ভগৱান! আপোনজনৰ সান্নিধ্যৰ পৰা মোক কিয় বঞ্চিত কৰিলা!" হঠাৎ উচ্চস্বৰে কান্দিব ধৰিলে শ্ৰাৱণীয়ে। ক'ব নোৱাৰো, কি হ'ল। সদায়েই হাঁহি-ধেমালিত মতলীয়া হৈ থকা ছোৱালীজনী আজি এক গভীৰ যন্ত্ৰনাত ডুবি থকা যেন লাগিল।

কি হ'ল শ্ৰাৱণী? মই সুধিলোঁ। নাই, — কোনো উত্তৰ নাই মাথো কান্দিব লাগিছে চিঞৰি চিঁঞৰি। একো নুবুজিলো মই। ক্ষন্তেক সময়ৰ পিছতে ৰুমটোলৈ এক অজান নিস্তব্ধতা নামি আহিল। শ্ৰাৱণীক পুনৰাই কি হ'ল সোধাৰ প্ৰয়োজনবোধ নকৰিলোঁ। মনতে ভাবিলোঁ তাই ক'ব বিচৰা নাই যেতিয়া সুধি থাকিলে আমনিহে পাব। মানুহৰ অন্তৰৰ ভাষাবোৰ একান্তই স্বকীয়। শ্ৰাৱণী কানৈ মহাবিদ্যালয়ৰ প্ৰথম ষান্মাসিকৰ কলা শাখাৰ ছাত্ৰী। খুব হাঁহিমুখীয়া তাই। দেখিলে এনে লাগে। কোনো কথাই যেন সহজ ভাৱে ল'ব নাজানে। তাই মোক কেতিয়াবা কয় "ঝৰ্ণা বা আপোনাৰ নিচিনা ভাবুক প্ৰাণী মই দেখা নাই দেই। ইমান কিয় ভাবে প্ৰতিটো কথাকেই। Life টোত অলপ Enjoy কৰকচোন।"

ছোৱালীজনীৰ দাবি, ক'মা নলগোৱাকৈ ৰাজধানী এক্সপ্ৰেছৰ দৰে তীব্ৰ গতিত কোৱা কথা কেইটাত মই নাহাঁহি নোৱাৰোঁ।

কৰিম কৰিম শ্ৰাৱণী কাইলৈৰ পৰা Life ত Full Enjoy কৰিম। মোৰ কথাত সাউতকৈ শ্ৰাৱণী বিচনাত বহি ল'লে। মুখত এগালমান প্ৰশ্নবোধক চিন আঁকি লৈ তাই মোৰ মুখলৈ চাই ৰ'ল। তেনেকৈ থকা দেখি মই হাতৰ অংগী-ভংগীৰে সুধিলোঁ কি হ'ল? তাই মূৰ জোকাৰিলে। মই বুজিলো একো হোৱা নাই।

এদিন মই হঠাতে শ্ৰাৱণীক সুধিছিলোঁ তই জীৱনত কি বিচাৰ, শ্ৰাৱণী? তেনে সহজ হৈ তাই উত্তৰ দিছিল — "একো নিবিচাৰো" একো নিবিচাৰ কিয়? মই চিৰিয়াছ হৈ সুধিছোঁ। ময়ো চিৰিয়াছকৈ কৈছোঁ। একো নিবিচাৰোঁ, যি আছে সেয়াই বহুত, ভগৱানে বহুত বেছিকৈ দিছে মোক সেই কাৰণে।

হ'লেও........

সকলো পোৱাৰ পিছতো মানুহৰ থাকি যায় পাবলৈ। মানুহৰ Wish বোৰেই তেনেকুৱা হয়, আন-লিমিটেড। এইবোৰৰ মাজত এনেকুৱা কিবা এটাতো থাকিব যি পালে তই আটাইতকৈ সুখী বুলি ভাবিবি নিজক। শ্ৰাৱণীয়ে অবাক হৈ চাই আছিল মোলৈ। তাৰ পিছত আকৌ তাইৰ সেই চিৰপৰিচিত খিলখিল হাঁহিৰে চৌপাশ মুখৰিত কৰি তুলিলে। "কিয় সুধিছে? আপোনিটো বুৰঞ্জীৰ মানুহ তাৰ পৰা কিবা Topic বিচাৰি লওঁক, ৰিৰ্চাচৰ কাৰণে ঢেৰ আছে, সেইবোৰ কিয়? কি হৈছে ঝৰ্ণা বা?" তাই হাঁহি কথা সলাইছিল।

সন্মুখৰ ৰুমটো নাছৰিণৰ এজনীয়া ৰুম। Sociology Departmentৰ তাই। অলপ আন্ধাৰ অলপ পোহৰত ছয়া-ময়া হৈ থকা বেলকনীত বৈ তাই দুলি দুলি কথা পাতিছে। ককাঁল পাৰ হৈ যোৱা দীঘল চুলিকোছা মেলি তাই এনেকৈয়ে সদায় কথা পাতে। মাজে মাজে উচ্চস্বৰে কাৰোবাক গালিও পাৰে। এদিন সকলোকে অবাক কৰি চিঞৰি চিঞৰি কান্দিছিল তাই। তাইৰ মতামত নোলোৱাকৈ বিয়া ঠিক কৰিছে আব্বাকে। হিন্দু ল'ৰা এটাক ভাল পায় সৰুৰে পৰা। কেনেকৈ বিয়া হ'ব তাই অচিনাকি মানুহ এটাৰ লগত? বহুত কষ্ট কৰি তাই বিয়াৰ তাৰিখ

পিছুৱালে। এদিন সন্ধিয়া ৰঙা পৰা ফুলা ফুলা চকুদুটা তুলি কৈছিল মোক "মই পলাম চাবা, জীৱনটো মোৰহে কি বুলি ভাবে সিহঁতে" মই কৈছিলো আৰু এবাৰ বুজাই চোৱাচোন মা-হতঁক।

তাই খং আৰু বিষাদ মিশ্রিত সুৰেৰে কৈছিল, নুবুজে ঝৰ্ণা একো লাভ নাই আম্মায়েই নুবুজিলে জানা ঝৰ্ণা আম্মাই ভাল পাইছিল হিন্দু ল'ৰা এটাক মোৰ দৰেই, কিন্তু তেওঁ অলপো সাহসী নাছিল। কিবা এটা কৰাটো ডাঙৰে কথা........কথা এটা ক'বলৈ সাহস নকৰিলে, কিয় জানা আম্মাই মানি লৈছিল। — যে তেওঁ ভুল কৰিছিল, আৰু আজি আব্বাই তেওঁক মানুহ বুলিয়ে নাভাবে, আব্বাৰ বাবে ছোৱালীৰ কোনো মূল্যই নাই। তেওঁৰ ইচ্ছা-অনিচ্ছা সকলোবোৰ আমাৰ ওপৰত জাপি দিছে। বহুত তৰ্ক-বিৰ্তক কৰি মই ওলাই আহি এইখিনি পাইছোহি ঝৰ্ণা। আম্মাই কৰা ভুলটোকে মই পুনৰ কৰিব বিচৰা নাই ঝৰ্ণা, মই গুচি যাম তু যাৰৰ লগত। আম্মাকো লৈ যাম, যাব নুখুজিলেও লৈ যাম।

মোৰ মালৈ মনত পৰি গৈছিল কিমান স্পষ্টভাৱে নাছৰিনে ক'ব পাৰিছিল ঘৰৰ সমস্যাবোৰৰ কথা, মই কিয় নোৱাৰো? এক মূহৰ্ত বাবে মই ভাবিবলৈ বাধ্য হৈছিলো অভিৰাজে কোৱাৰ দৰে মই সচাঁই গোৱাৰ নেকি বাৰু?

> **তাইৰ মতামত নোলোৱাকৈ বিয়া ঠিক কৰিছে আব্বাকে। হিন্দু ল'ৰা এটাক ভাল পায় সৰুৰে পৰা। কেনেকৈ বিয়া হ'ব তাই অচিনাকি মানুহ এটাৰ লগত? বহুত কষ্ট কৰি তাই বিয়াৰ তাৰিখ পিছুৱালে। এদিন সন্ধিয়া ৰঙা পৰা ফুলা ফুলা চকুদুটা তুলি কৈছিল মোক "মই পলাম চাবা, জীৱনটো মোৰহে কি বুলি ভাবে সিহঁতে" মই কৈছিলো আৰু এবাৰ বুজাই চোৱাচোন মা-হতঁক।**

ক'ব নোৱাৰাকৈয়ে কানৈ মহাবিদ্যালয়ৰ পঞ্চম ষান্মাসিকৰ অভিৰাজ নামৰ ল'ৰাজনৰ প্ৰতি মোৰ আকৰ্ষণ বাঢ়ি গৈছিল, অভিৰাজে প্ৰতিটো সময়তে মোক ফোন কৰি মোৰ খবৰ লৈছিল, Care কৰিছিল বহুত। মই খুব কম কথা কওঁ। কিন্তু অভিৰাজ!!! কথাৰ ভাণ্ডাৰ হ'লেও ভাল লাগিছিল ল'ৰাজনক খুব সহজভাৱে কথা পাতিছিলোঁ। তাৰ লগত, লাহে লাহে দিনবোৰ পাৰহৈ গৈছিল। তাৰ ব্যৱহাৰ পাতিবোৰ সলনি হ'বলৈ ধৰিছিল। এদিন হঠাৎ সি মোক কৈছিল "তোমাৰ দৰে ছোৱালী মই সচাঁই দেখা নাই দেই ঝৰ্ণা। মই তোমাৰ নিচিনা শিল হৈ থাকিব নোৱাৰো। নোৱাৰো মই তোমাৰ হৈ থাকিব, তুমি তোমাৰ মতে থাকা আৰু মই মোৰ মতে থাকোঁ। কথাটো কৈ উচাৎ মাৰি আঁতৰি গৈছিল অভিৰাজ। মোৰ ক'ব লগা একো নাছিল। মাথোঁ নিৰুত্তৰ হৈ চাই ৰৈছিলোঁ সি যোৱালৈ, সেয়াই শেষ। দ্বিতীয়বাৰ মই কাকোয়ে মোৰ কাষ চাপিব দিয়া নাই।

মই ভাবিলোঁ অভিৰাজে কোৱাৰ দৰে গোৱাৰ! নাই, তেনেকুৱা একো নহয়, তেনে হোৱা হ'লে ইহঁতে খুলি নিদিলে হেঁতেন মোৰ সন্মুখত হৃদয়ৰ কোমল দলিছা। মইয়ো থব নোৱাৰি হেতেঁন বিশ্বাসৰ দুহাত ইহঁতৰ কান্ধত। শ্ৰাৱণীয়ে টোপনিতে বিৰবিৰাইছে সপোন দেখিছে চাগে। মোৰ আকৌ মালৈ মনত পৰিল। মূৰ্হুতে মূৰ্হুতে দেউতাই মাক সন্দেহৰ চকুৰে চাই বাৰে বাৰে প্ৰমাণ কৰিব বিচাৰে মা অবিশ্বাসী, অসতী। ক'তা মায়ে চোন সেইজন দেউতাৰ বাবে নিজৰ ব্ৰাহ্মণ ঘৰখনৰ লগত সকলো সম্পৰ্ক ছেদ কৰি তেওঁৰ লগত সংসাৰ পাতিবলৈ ৰাজী হৈ গৈছিল। তেওঁৰ ওপৰত থকা অগাধ ভালপোৱা বিশ্বাস ভৰসাই মাক টানি আনিছিল দেউতাৰ কাষলৈ। সেই বিশ্বাস সেই ভালপোৱা দেউতাই জানো জগোৱা নাছিল মাৰ ওপৰত। ক'ত গল সেইবোৰ নে কোনো মূল্যই নাই আৱেগ-অনুভূতিৰ। মায়ে মোক সৰুৰে পৰাই কয় "ঘৰৰ মানুহক কষ্ট দি একো কামে নকৰিবি মুনু বিয়া বাৰু ক্ষেত্ৰত বিশেষকৈ মাক-দেউতাকে সদায় ল'ৰা-ছোৱালীৰ ভাল হোৱাটোহে বিচাৰে, নহ'লে মনত কষ্ট পাবি গোটেই জীৱন। মই নীৰৱে শুনো মাৰ কথা। সোধাৰ প্ৰয়োজনো নাই মায়ে কিয় কয় এই কথা তাৰ উত্তৰ মোৰ সন্মুখত ......... চকুৰ আগত মোক বুকুত সাৱটি মায়ে হুমুনিয়াহ আৰু চকুৰ পানীয়ে সেমেকা কৰি তোলা বতাহখিনিৰ সৈতে চিৰ পৰিচিত হৈ মইয়ো বুকুত বিষাদ আৰু যন্ত্ৰণাৰ পাহাৰ এটাহে গঢ়িলোঁ, ক'ব নোৱাৰাকৈয়ে কৰিব পৰা একোৱেইটো নাছিল কণমানি হাত দুখনেদি সেই সৰুৰে পৰাই মাৰ ডিঙিত সাৱটি সহমৰ্মিতা জনোৱাৰ বাহিৰে।

দেউতাই মাৰ গাত হাত উঠাবলৈ কুণ্ঠাবোধ নকৰে। এয়া কেনে ভালপোৱা? মোৰ সকলোবোৰে খেলি-মেলি লাগে। কাৰ কথাই বা বিশ্বাস কৰিম, নাছৰিণৰ নে মাৰ সকলোবোৰ দেখোন বাস্তৱ। শ্ৰাৱণীয়ে ঠিকেই কৰে একোকে নাভাবে তাই একো নাভাবে??? শ্ৰাৱণীয়ে প্ৰায় সদায়েই গালি খাই প্ৰাৰ্থনা কৰাৰ সময়ত উপস্থিত নথকাৰ বাবে। সদায় দেৰি হয় তাইৰ হোষ্টেল সোমাওঁতে টিঘিল ঘিলাই ঘূৰি ফুৰে কলেজ কেম্পাছত। মন গ'লেই হৈ হাল্লা কৰি ৰিডিং আৱাৰৰ নীৰৱতাক থান-বান কৰি দিয়াৰ বাবে তাইৰ ওপৰত কিমান দিন যে কমপ্লেইন আহিছে, কিয় তাই ইমান বেচিজিল মই বুজি নাপাওঁ, ইমান বুজোৱাৰ পাছতো তাই একেই আছে অহাৰ পৰা।

হোষ্টেলত ১১৬ জনী ছোৱালী আছে। দিন-ৰাতি ব্যস্ততাৰ সুৰুঙা পালেই আড্ডা জমি উঠে, বিনিময় হয় সুখ আৰু দুখ। কোনোবাই পাৰ ভাঙি যোৱা আনন্দ আৰু কোনোবাই পাৰ হ'ব নোৱাৰা বিষাদৰ নৈ বুকুত বান্ধিয়ে নিজৰ মাজত ব্যস্ত থাকে। তাৰ মাজতো প্ৰিয়াক দেখি মোৰ সচাঁকৈ আমনি লাগে, প্ৰিয়াই কয় বহুত বেছি আনন্দ কৰি ফুৰা মানুহৰ মাজত দুখ থাকে। সকলোৰে ভবাৰ দৰে মইও ভাবিছিলোঁ — দৰ্শন আৰম্ভ হৈ গ'ল তাইৰ কিছুমান অদ্ভুত কথাই ছোৱালীবোৰক পলাবলৈ বাধ্য কৰিছিল। তাই নুশুনাকৈ ফুচ ফুচাই কয় সিহঁতে "আহিল কামোৰ" মইও বিৰক্ত হৈছিলোঁ। সমস্যা কাৰ নাথাকে, সকলোৰে সমাধানৰ বাটো নিজৰ মতে উলিয়াই লয়। কিহৰ ইমান উপদেশ। বিৰক্ত হৈ মই বহি লৈছিলোঁ তাইৰ সন্মুখত। উপায় নাই, মানুহক উপেক্ষা কৰিব নাজানো মই। শ্ৰাৱণীৰ কোনো প্ৰতিক্ৰিয়াই নাছিল। মই ভোৰভোৰাইছিলো 'প্ৰিয়াজনী সচাঁকৈ মহাকামোৰ।' শ্ৰাৱণীয়ে যেন অবাক হৈছিল। তেনেকৈ নাভাবিব ঝৰ্ণা বা বেলেগক চল্যুচন দি ফুৰা মানুহৰো ডাঙৰ সমস্যা থাকে। আপুনি সুধিবচোন প্ৰিয়া বাক তেওঁক সকলোৰে বেয়া পাই, দেখা দেখি কৈ উপেক্ষা কৰে। এনেকুৱাও হ'ব পাৰে তেওঁৰ মনৰ কথাবোৰ ক'বলৈ মানুহ বিচাৰি আছে পোৱা নাই, মই থত-মত খাই গ'লো। এনেকৈ ভাৱে শ্ৰাৱণীয়ে। শ্ৰাৱণীয়ে ধৰিব পাৰিছিল, "ভয় নাখাব, মই কোৱা কথা নহয় আমাৰ চাৰে কোৱা কথা। ভাল লাগিল বচ মনত ৰৈ গ'ল আৰু আজি এপ্লাই কৰি দিলোঁ। খাপ খাইছেনে একদম কাৰেক্ট জাগাত? আৰু মনত ৰাখিম তাৰ পিছত আপোনাক কম Ok? বেলেগ এজনী শ্ৰাৱণী ওলাই আহিছিল সেইদিনা মোৰ চিনাকী শ্ৰাৱণী জনীৰ ভিতৰৰ পৰা কিন্তু শ্ৰাৱণীয়ে সচাঁ কথাই কৈছিল। প্ৰিয়াক যেতিয়া সুধিছিলো মই তাইৰ চকু দুটা সেমেকিছিল। তাৰ পিছত মোৰ হাতত ধৰি উচুপি উচুপি কান্দিছিল। কেঞ্চাৰত ভুগি থকা মাকৰ মাত্ৰ এমাহ আয়ুসৰ কথা কৈ তাই হাহাকাৰ কৰিছিল। বহুত কষ্টৰে তাই পঢ়ি আছে কলেজত। মাকৰ বাহিৰে তাইৰ যে কোনোৰে নাই। কোনোবা সংগঠন এটাই আৰ্থিকভাৱে সহায় কৰা বাবেহে ইয়াত পঢ়াতো তাইৰ বাবে সম্ভৱ হৈছে।

মই অলপ লৰ-চৰ কৰি বহিলোঁ আৰু মাত্ৰ কেইমাহমানৰ পিছতে মই কলেজৰপৰা যামগৈ। এই আপোন হৈ পৰা মানুহবোৰৰ পৰা আঁতৰি হয়তো আৰু কেতিয়াও লগ নাপাম। কথাযাৰ ভাবিয়ে মোৰ মনটো খালি খালি লাগিল। আ পোনা আপুনি এটা হুমুনিয়াহ সৰি আহিল। হঠাৎতে কান্ধত কাৰোবাৰ হাতৰ স্পৰ্শ পায় মই উচপ্ খাই উঠিলো। ঘূৰি চালো— শ্ৰাৱণী "তিনি বাজিল নুশুৱে নেকি? কথাযাৰ কৈয়ে তাই ইফালে সিফালে চাই কাষতে থকা টুলখন লৈ বহি পৰিল। আপুনি বহুত লাকী ঝৰ্ণা বা মা আছে, দেউতা আছে, এখন ভৰপূৰ ঘৰ আছে। প্ৰব্লেম যিয়েই নহওক আছেটো এখন ঘৰ। অনবৰতে লোকৰ প্ৰব্লেমবোৰ নিজৰ সতে একাকাৰ কৰি দি কি পায় কওঁকচোন। কষ্ট ......তাতকে বেছি একো নাপায়। মোৰো কষ্ট হৈছিল আগতে ......বহুত কষ্ট।

আন্ধাৰ আৰু পোহৰে একেলগে চুমি থকা শ্ৰাৱণীৰ মুখখন বুজিবলৈ চেষ্টা কৰিলোঁ মই, সৰল যেন লগা ছোৱালী জনীক হঠাতে জটিল যেন লাগিল গ'ল মোৰ। মই নজনাকে আছো নেকি শ্ৰাৱণীৰো দেখা দিয়া দুঃস্বপ্ন!!! কটাইছে নেকি তাইয়ো বিষন্নতা আৰু নিৰাশাই একেলগে বিপৰ্যস্ত কৰি তোলা বহুতো উজাগৰী নিশা। তাইৰ বেচিজিল কামবোৰতে লুকায় আছে নেকি তাইৰ জীৱনৰ অতীত হৈ যোৱা বেচিজিল সময়। একেলগে বহুতো প্ৰশ্নই মোৰ মনত খলকনি তুলিলে। উত্তেজনা প্ৰকাশ নকৰি মই নীৰৱে ক'লো, থাকক তাই যদি লব পাৰিছে অকলে যন্ত্ৰণাৰ ভাৰ, তেন্তে তেনেকেই ভাৱক কেতিয়াবা বিষাদ ভাগ বতৰা কৰিলে দুগুন বিষাদ বাঢ়েহে। সদায় যে এনে কৰিলে মন পাতল লাগিবই লাগিব তাৰ কোনো নিশ্চিয়তা নাই।

দুয়োজনীয়ে নীৰৱে বৈছিলোঁ অলপ সময়, মোৰ কিবা এটা ভাল নালাগিছিল। মই হয়তো শ্ৰাৱণীক এইটো ৰূপত বিচৰা নাছিলো। সদায় দৌৰি-ধাপৰি, হাঁহি-মাতি থকা শ্ৰাৱণী জনীকে মোৰ ভাল লাগিছিল। নকওঁ বুলিয়ে ভাবিছিলোঁ। আপুনি একো নোসোধাকৈ মোক ক'বলৈ বাধ্য কৰিলে। আজৰ মানুহ আপুনি, ইমান কম সময়তে ইমান বেছি ভাবুক হ'লে কম বয়সতে ইমান বেছি ভাবুক হ'লে বেয়া কথাষাৰ কৈ তাই আকৌ নীৰৱে ৰ'ল যেন তাই নিৰৱতাৰ সৈতে খেলাহে কৰিছে। মাজে মাজে কথা কৈ নীৰৱতাক ভাঙি তাই যেন ৰঙহে পাইছে। মই মাত্ৰ চাই থাকিলো তাইলৈ।

মোৰ কোনো নাই বুলি ক'লে হয়তো ভুল কোৱা হ'ব, হ'লেও মোৰ মা-দেউতা কোনো নাই। মোৰ চকুৰ আগতে গুলিয়াই মাৰি থৈ গ'ল সিহঁতে। বহুতে সময়ৰ লৈকে ধৰফৰাই ধৰফৰাই মৰি গৈছিল, নিথৰ হৈ গৈছিল এইবোৰ বহুত কথা মই চাই আছিলোঁ ঝৰ্ণা বা, কেৱল চাই আছিলো কন্দাও নাছিলো পাহৰি গৈছিলো সকলো। মোৰ তেতিয়া আৰু বুজিবলৈ বাকী নাথাকিল যে কেইদিনমান আগত হিয়া ঢাকুৰি কন্দাৰ কাৰণ কি আছিল, উত্তৰ মোৰ সন্মুখত।

কোনে, কোনে মাৰিলে? ডিঙিৰ ওচৰত আহি ৰৈ যোৱা মাতটো কথমপি উলিয়াই সুধিলো। আশ্চৰ্যত মোৰ দুচকু বহল হৈ গৈছিল।

নাজানো, দেউতাক টকা বিচাৰিছিল। দেউতাই নিদিলে আমি একো নাজানিছিলো, মানুহ কেইটাই প্ৰায় আহিছিল দেউতাক মাতি নি কিবা কথা পাতে। মায়ে সুধিছিল দেউতাক? দেউতাই বিজনেছৰ কামত অহা বুলি কয়, তাৰ পিছত সকলো শেষ। মোক নামাৰিব কি ভাবি নামাৰিলে নাজানো সৰু আছিলো যে সেইকাৰণে

ছাগে। ক্লাচ থ্ৰিত আছিলো মোৰ মুখত সিহঁতে কাপোৰে বান্ধি গুচি গৈছিল। মোক লৈ গৈছিল মামাই তেওঁলোকৰ ঘৰলৈ একেবাৰে।

মই যন্ত্ৰৰ দৰে স্থিৰ হৈ শুনি গৈছিলো কথাবোৰ প্ৰতিক্ৰিয়া প্ৰকাশৰ বাট নাছিল, শ্ৰাৱনীয়ে কৈ গৈছিল, মেলি দিছিল অ'ত দিনে জপাই থোৱা হৃদয়ৰ যন্ত্ৰণাৰ বৰপেৰা।

মামাৰ সন্তান নাছিল, মামীয়ে মোক পায় সকলো পাহৰি পেলালে। সন্তানহীনতাই তেওঁক দিয়া মনোকষ্ট তেওঁ মোহাৰি পেলালে। অনবৰতে দুয়ো মোৰ লগতে লাগি আছিল। সেই ভয়ংকৰ ৰাতিটো বাৰে বাৰে সপোন হৈ মোৰ ওচৰলৈ আহিছিলে দিঠকতো লগ এৰা নাছিল। কিন্তু ঝৰ্ণা বা মই এটা কথা শিকিলো সময়েই সকলো দুখ-কষ্ট হ্ৰাস কৰা মহৌষধ। মই লাহে লাহে ওলাই আহিব পাৰিছিলো স্মৃতিৰ জটিল পাকচক্ৰৰ পৰা। মামা আৰু মামীক মা-পাপা মাতিবলৈ শিকালে। সকলোবোৰ হেৰুওৱাও মইবহুত কিবা কিবি পালো, নাপাব'ত পাৰিলোহেতেঁন। ভগবানে মোক বহুত দিছে আৰু বিছাৰিলে পাপ কৰা হ'ব।

এতিয়াও মোৰ মনত পৰে মোৰ মা-দেউতালৈ অন্তৰখনে হাঁহাকাৰ কৰে,মোৰ এতিয়াৰ মা-পাপা মুখালৈ চাই মই ৰৈ যাওঁ, মই মনোকষ্টত আছো বুলি গম পালে তেওঁলোকে কিমান বেছি আঘাত পায় ভাৰকচোন, সেইকাৰণে মই আগুৱাব শিকিছোঁ, যি পাৰিছোঁ উপভোগ শ্কিছো, নো পোৱা বোৰৰ হিচাপ নিকাচ কৰি একো লাভ নাই। আপুনিও নকৰিব।

মই উচুপিছো, মুখ ঢাকি মই সৰু ছোৱালীৰ দৰে কান্দোনত ভাঙি পৰিছোঁ, শ্ৰাৱনী বহাৰ পৰা উঠি আহি মোক সাৱটি ধৰিলে মই জোৰেৰে সাৱটি ধৰিলো শ্ৰাৱনীক বহুত সময়ৰ পিছত মই নিজকে চম্ভালি লৈ লাহে লাহে ক'লো — কোনো মানুহে সুখত নাই নেকি শ্ৰাৱনী? কিয় ইমান কষ্ট?

আপুনি বেছিকৈ ভাৱে কথাবোৰ সেইকাৰণে এনেকুৱা ভাৱনা হৈছে। সকলো মানুহৰে সুখ থাকে, দুখো থাকে, মইতো এতিয়া সুখী, স্মৃতিবোৰ মচি পেলাব নোৱাৰোঁ কিন্তু স্মৃতিয়ে দিয়া দুখবোৰ কমা'ব টো পাৰো। দেউতালৈ খং উঠে কেতিয়াবা কাৰোবাক যদি এবাৰ ক'লে হয় সমস্যাবোৰৰ কথা, আপুনিও নকয় খুলি কথা।

ঝৰ্ণা বা আপুনি বহুত সহনশীল হয়। এইবোৰ কথা ভাবি সময় নষ্ট নকৰিব। অভিৰাজ বোলো মানুহটোৱে আপোনাক বুজিব নুখুজিলে, নহ'লে নুবুজাৰ প্ৰশ্নই নাছিল। আপুনি এখন খোলা কিতাপৰ দৰে। ইচ্ছা কৰিলে পঢ়িব পাৰি। তাৰ পিছতো যদি কোনোবাই নুবুজে!

মই একো নকলো, নিস্তব্ধতাৰ সুৰুঙা ফালি শ্ৰাৱণীয়ে উপদেশৰ সুৰত কৈ গ'ল — " শোওঁ গৈ মই, আপুনিও শুই থাককহি।" শ্ৰাৱণীয়ে অভিনয় দেখি মই হাঁহি ৰখাব নোৱাৰিলোঁ। সকলো পাহৰি মই খিলখিলাই হাঁহি উঠিলো। শ্ৰাৱণীয়ে চাই থাকিল মোলৈ। অলপ পিছত শ্ৰাৱণী টোপনিৰ কোলাত ঢলি পৰিল। এৰা, কেতিয়াবা এজনৰ বিষাদে আন এজনৰ বিষাদ মচি পেলাব পাৰি। পৃথিৱীত দেখোন অপ্ৰয়োজনীয় বুলিব একোৱে নাই।

ৰাঙলী হ'ব খোজা পূবৰ আকাশখনলৈ চাই গানৰ কলি এটা গুণগুণাই মই বিচনাত পৰিলো। পোহৰ হ'বলৈ আৰু বেছিপৰ নাই। ❑

## সোণসেৰীয়া কথা ...

**মাৰ্ক টোৱেইন ঃ**

- ভাল বন্ধু, ভাল কিতাপ, সুস্থ বিবেক এয়াই আদৰ্শ জীৱন।

**নেপোলেয়ঁ বোনাপাৰ্ট ঃ**

- জীৱনৰ অন্য নাম সংগ্ৰাম। সংগ্ৰাম অবিহনে জীৱন জীৱনেই হ'ব নোৱাৰে। সংগ্ৰাম বা সংঘাতৰ স'তে যুঁজি যুঁজি মানুহে যি সাহস, মনোবল তথা প্ৰেৰণা লাভ কৰে, সি তেওঁক অসাধ্য সাধন কৰাত শক্তি দিয়ে।



# এটি বৰ্ষাসিক্ত নিশা

• চয়নজ্যোতি চেতিয়া

বৰষুণজাক জোৰকৈ অহা দেখি মই ৰাস্তাৰ কাষৰ বন্ধ দোকান এখনৰ বাৰান্দাত ৰ'লোঁ। তেতিয়া সময় ৰাতিৰ প্ৰায় চাৰে দহ। এখন দুখনকৈ প্ৰায় সকলো দোকান বন্ধ হৈছিল। ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথটোও জনশূণ্য। দুই এখন নাইট চুপাৰ আৰু মালবাহী ট্ৰাকৰ বাহিৰে অন্য বাহন চলা নাছিল। কোনেনো এই দবাপিতা বৰষুণত তিতি ভাল পাব। তাকো ফাগুন সোমাইছেহে। ঠাণ্ডা ভালকৈ হোৱাই নাই। মই ৰাস্তাৰ মাজলৈ চাই ৰ'লোঁ। বৰষুণৰ টোপালবোৰে পকী পথৰ ওপৰত সৰুকৈ এখন নদীৰ জন্ম দিছিল। আজিকালি কৃত্ৰিম বান কেৱল গুৱাহাটী মহানগৰীতেই নহয়। প্ৰায় সকলো চহৰতে কৃত্ৰিম বানৰ প্ৰকোপ দেখা যায়। তাতে ডিব্ৰুগড়খন গুৱাহাটী হ'বলৈ দুখোজমানহে বাকী।

বৰষুণজাক তেতিয়াও কমা নাছিল। ইফালে পত্নীয়ে ফোনৰ ওপৰত ফোন কৰি অশান্তি কৰি দিছে। অৱশ্যে বেছেৰিয়ে চিন্তা কৰে মোৰ বাবে। মই কাম কৰা শ্বপিং ম'লটোৰ পৰা মই থকা ভাড়াঘৰটো বৰ বিশেষ দুৰত্বত নহয় । কাম সামৰি ঘৰ পাওঁতে সদায়ে ৰাতি দহ বাজে। সেইদিনা বৰষুণজাক মাজবাটতে দিহে মোক হাৰাশাস্তি কৰিলে। বৰষুণজাক চাই চাই বিভোৰ হৈ থাকোতে কেতিয়ানো মোৰ কাষত এজনী ছোৱালী ৰ'লহি গমকেই নাপালো। হঠাৎ তাইক মোৰ পৰা কিছু আঁতৰত দেখি প্ৰথমে ভয়েই খাইছিলোঁ। দীঘল চুলিৰে ছোৱালীজনী দেখাত ধুনীয়াই আছিল। তাইৰ সৰ্বশৰীৰ তিতা। ঠাণ্ডাত কঁপিব ধৰিছিল। মই ভূত-প্ৰেত বৰকৈ নেমানো যদিও সেইদিনা মোৰ অলপমান ভয় লাগিছিল। ছোৱালীৰ ৰূপত অহা

**বৰষুণজাক চাই চাই বিভোৰ হৈ থাকোতে কেতিয়ানো মোৰ কাষত এজনী ছোৱালী ৰ'লহি গমকেই নাপালো। হঠাৎ তাইক মোৰ পৰা কিছু আঁতৰত দেখি প্ৰথমে ভয়েই খাইছিলোঁ। দীঘল চুলিৰে ছোৱালীজনী দেখাত ধুনীয়াই আছিল। তাইৰ সৰ্বশৰীৰ তিতা। ঠাণ্ডাত কঁপিব ধৰিছিল।**

প্ৰেতাত্মাই কেনেকৈ মানুহ ধৰে চিনেমাই, চিৰিয়েলে দেখুৱাই থাকে। তাতে নিজান বৰষুণৰ ৰাতি। মই পলম নকৰি চিধায়ে তাইৰ ভৰি দুখনলৈ চালো। এজোৰ ওখ চেণ্ডেলেৰে তাইৰ ভৰিদুখন বগাকৈ জিলিকি আছিল। সৰুতে মাহঁতৰ মুখত শুনিছিলো প্ৰেতাত্মাৰ বোলে ভৰিৰ তলৰভাগ নাথাকে তাইৰ আছে। তাৰমানে তাই সচাঁকেই ছোৱালী। অৱশ্যে প্ৰেতাত্মা হয় যদিও আপত্তি নাই। কাৰণ চামৰাৰ পেটি মোৰ ককাঁলত আছিল। বিশ্বাস নে অন্ধবিশ্বাস নাজানো কিন্তু সেইদিনা তেনেবোৰ কথায়ে সাহস দিছিল। ভয়তো আঁতৰাত মই লাহেকৈ মাত দিলো। — "এই ৰাতিখন তুমি অকলে ক'ত যোৱা? কোন তুমি?"

মোৰ প্ৰশ্নৰ তাই উত্তৰ নিদিলে, হয়তো ভয় খাইছিল। নিজান ৰাতি ছোৱালীয়ে ভূততকৈ পুৰুষৰলৈহে বেছি ভয় কৰে। মই আকৌ শুধিলো — "ভয় নকৰিবা ভন্তি, মই তোমাৰ একো অনিষ্ট নকৰো।"

তাই লাহেকৈ মোৰ ফালে চাই ক'লে — "মোৰ নাম পল্লৱী, পল্লৱী হাজৰিকা।" তাইৰ এনেদৰে অকলশৰীয়া হোৱাৰ কাৰণ সুধিলোঁ। তাই লাহেকৈ ক'বলৈ ধৰিলে — "মই তাক বিশ্বাস কৰি ঘৰৰ পৰা পলাই আহিছিলো। কিন্তু সি মোক ঠগিলে কিয়, নাজানো। কিন্তু কথা দি সি মোক নিবলৈ নাহিল। মই দুপৰীয়াৰে পৰা তালৈ বৈ আছো। তাৰ ফোনটোও অফ্। এতিয়া ঘৰলৈ যাবলৈ বাছো নাই। মই কি কৰো।"

কথাখিনি তাই কান্দি কান্দি ক'লে। মোৰ বুজিবলৈ বাকী নাথাকিল। তাইক প্ৰেমিকে ঠগিলে। বিয়াৰ প্ৰস্তাৱ দি ল'ৰাটো

পলাল। আজিকালি প্ৰেম এনেকুৱাই। দুদিনমানৰ বাবে পিৰিতি কৰি পলোৱা ধাণ্ডা। কোনোৱাই ঘৰ এৰি পলাই আৰু কোনোৱে প্ৰতাৰণা কৰি পলাই। মুঠৰ ওপৰত এই পলোৱাৰ নিয়মটোৱেই সকলো সমস্যাৰ গুৰি। মই কথাখিনি মনতে ভোৰভোৰাইছিলো। এনেতে মনত পৰিল মইয়ো দুবছৰৰ আগতে পলোৱাই আনিছিলো মানুহজনীক। কথাষাৰ নিজৰ গাতে লগাত পুনৰ ভাবিবলৈ বাদ দিলো।

মই ভাৱনাত বুৰ গৈ থাকোতেই বৰষুণজাক এৰিল। মই বাইকখনত বহিলোঁ। সোনকালে নগলে মানুহজনী চিন্তাতে মৰিব। বাইকখনত বহিয়ে ছোৱালীজনীলৈ চালো। ইমান সময়ে চাগে তাইৰ মোৰ প্ৰতি বিশ্বাস জন্মিছিল। তাইক এনেকৈ এৰি আহিবলৈ মন নগ'ল। যিহে দিনকাল। ছোৱালী এজনীক নিশা এনেকৈ অকলে এৰি দিলে নিশ্চয়কৈ মোৰ পাপ লাগিব। যদি তাইৰ কিবা হয়। যদি কোনোবাই তাইৰ লগত বেয়া ব্যৱহাৰ কৰে, মোৰ মনটোৱে মামানিল। মই তাইক মোৰ লগত আহিবলৈ ক'লো। তাই মান্তি নহ'ল। মই জোৰ কৰিলো। মই তাইক বুজালো যে মোৰ পত্নী মোৰ লগত থাকে, মই তাইৰ একো অনিষ্ট নকৰো। প্ৰমাণ স্বৰূপে পত্নীৰ লগত মৰা ফটো দুখনমানো তাইক দেখুৱালো। তাইৰ মোৰ লগত আহিবলৈ অলপো মন নাছিল। কিন্তু এনে নিজান ৰাতি চহৰৰ ৰাস্তাঘাট কিমান ভয়ংকৰ, কিমান নিষ্ঠুৰ হৈ পৰে সকলোৱে জানে। অনিচ্ছাস্বত্বেও তাই মোৰ বাইকত বহিল। দহ মিনিটৰ মূৰত আমি ঘৰ পালোহি।

মোৰ পত্নীয়ে মোৰ বাবে গেটতে বৈ আছিল। গিৰিয়েকৰ লগত ৰাতি প্ৰায় চাৰে এঘাৰ বজাত এজনী গাভৰু ছোৱালী ঘৰলৈ অহাতো নিশ্চয়কৈ কোনো পত্নীৰ সহ্যৰ ভিতৰত নহ'ব। তাকো দুইটাৰ তিতা শৰীৰে আৰু বেছি সন্দেহজনক কৰি তুলিছিল মুহূৰ্তটো। তাতে কথাৰ আতি গুৰি জানি নোলোৱাকৈয়ে চিঞৰ বাখৰ লগোৱাটো মাইকী মানুহৰ ধৰ্ময়েই। তাই মোক এযাৰো ক'বলৈ সুবিধা নিদি চিঞৰিবলৈ আৰম্ভ কৰি দিলে।

"মই মানুহজনীয়ে ইমান পৰে ভাত পানী নাখায় বৈ আছো, চেহাবে আকৌ ছোৱালী আনি ঘৰ সোমোৱালেহি। এইবোৰ কৰিবলৈকে ৰাতি দেৰিকৈ ঘৰ সোমাইহি। কাইলৈ মোক মাৰ ঘৰত থৈ আহিব আৰু যি মন যায় তাকে কৰিব।"

একেতা উশাহতে তাই কথাখিনি ক'লে আৰু কান্দিব ধৰিলে। মই লাহেকৈ তাইক সকলো বিৱৰি ক'লো। ছোৱালীজনী যে এই চহৰত তেনেই নিথৰুৱা আৰু অকলশৰীয়া কথাষাৰ তাইক বুজাই দিলোঁ। তাই বুজি পালে। ইমানো বেয়া নহয় মোৰ পত্নী।

আমাৰ ভাওনাখন পল্লৱীয়ে দূৰৈৰ পৰা চাই আছিল। তাই চাগে তেতিয়াও অকলশৰীয়া অনুভৱ কৰিছিল। অৱশেষত শ্ৰীমতীয়ে তাইক নিজেই ভিতৰলৈ নিলে। তাইৰ ভাগৰ চুইদাৰ এযোৰ পল্লৱীক পিন্ধিবলৈ দি আমাক ভাত বাঢ়ি দিলে। পল্লৱীৰ মুখত মৃদু হাঁহি ভাঁহি আহিল। অন্ততঃ আজিৰ বাবে যে তাই সুৰক্ষিত সেই কথা উপলব্ধি কৰিলোঁ।

পিছদিনা ৰাতিপুৱাই ভাত পানী খাই মই তাইক ডিব্ৰুগড় ৰে'ল ষ্টেচনত থৈ আহিলোঁ। ৰাতি কথা গম পাইছিলো যে তাই ডুমডুমাৰ ছোৱালী। টিকটটোৰ সতে দুপেকেট চিপচ্ কিনি তাইৰ হাতত দিলোঁ। তাইৰ দুচ কু সেমেকি পৰিল। ছোৱালীজনীক কিবা এটা মৰম লাগিছিল। পিছে ভত্তিৰ দৰে মৰমহে, বাকী বেলেগ ধৰণৰ মৰমৰ কথা ভাবিব নোৱাৰি। বিবাহিত নোহোৱা হ'লে বাৰু বেলেগ কথা আছিল। এটি ধুনীয়া হাঁহিৰ সৈতে তাই মোক বিদায় দিলে আৰু গুচি গ'ল উজনিমুৱা ৰে'লখনত উঠি, লগত লৈ গৈছিল কিছু মৰম, বিশ্বাস আৰু মোৰ আৰু মোৰ পত্নীৰ মুখকেইখন। হয়তো তাই আমাক পাহৰিব নোৱাৰে।

কামৰ থলী পাই কিছু সময়ৰ পাছত মই ফেচবুকটো খুলিলো। যোৱাৰাতি কোনোবা অমানৱে এগৰাকী যুৱতীক অকলে পাই বলাৎকাৰ কৰি তাইৰ নিথৰ গুৱাহটী মহানগৰীৰ কোনোবা এটা উপপথত পেলাই থৈ গৈছিল আৰু সেই খবৰটোক শ শ লোকে শ্বেয়াৰ কৰি সমবেদনা আৰু ক্ষোভ প্ৰকাশ কৰিছিল। মোৰ হঠাৎ পল্লৱীলৈ মনত পৰিল। যোৱাকালি তাইক মই ঘৰলৈ লৈ নোযোৱা হ'লে চাগে তাইকো কোনোৱাই এনেকৈ মাৰি থৈ গ'ল হয়। মোৰ উশাহ ঘন হৈ আহিল। যোৱাকালিৰ পদক্ষেপ টোৰ বাবে মই নিজকে ধন্যবাদ দিলো। সচাঁয়ে সিদিনা বৰ পবিত্ৰ যেন অনুভৱ হৈছিল নিজকে। মোৰ দৰে যদি সকলোৱে নিশাৰ এন্ধাৰত বাট হেৰুওৱা কোনোবা যুৱতীক অকণমান নিৰাপত্তা দিলে হয়!! হয়তো পিছদিনা ফেচবুকৰ পাতত কোনো যুৱতীৰ নিথৰ দেহৰ ফটো শ্বেয়াৰ কৰিব লগীয়া নহ'ল হয়!! ❑



# ক'লা দাগ - এটি অভিশাপ

• মাধুৰিমা বৰুৱা

**সকলো মাক-দেউতাকৰে এটা সপোন থাকে নিজৰ ছোৱালীক এটা ভাল সম্ভ্রান্ত পৰিয়াললৈ বিয়া দিবলৈ। তেওঁলোকে কেতিয়াও সপোনতো ভবা নাছিল যে সেইজন ল'ৰাই তাইৰ দেউতাকৰ সম্পত্তিৰ বাবে তাইক বিয়া কৰাবৰ কাৰণে মান্তি হৈছিল।**

নীলা হৈ থকা আকাশখন লাহে লাহে কলীয়া ডাৱৰে আৱৰি ধৰি এজাক বৰষুণ অহাৰ আগজাননি দিলে। বৰষুণ অহাৰ সম্ভাৱনা দেখি মীনাক্ষিয়ে খিড়িকীবোৰ বন্ধ কৰি বিছনাতে অলপ বাগৰ দিলে। তাই কেতিয়ানো টোপনি গ'ল গমেই নাপালে। অভিজ্ঞানৰ মাততহে টোপনি ভাঙি গ'ল। হঠাৎ,

ঃ মা! ভোক লাগিছে কিবা এটা খাবলৈ দিয়া, আকৌ বজাৰো যাবলৈ আছে নহয়!

তাই চকু মেলি দেখিলে গধূলিয়েই হ'ল। চুলিখিনি খোপা এটা বান্ধি তাই বাহিৰলৈ ওলাই আহিল। অভিজ্ঞানে পুনৰ মাতিলে —

ঃ মা! ইমান মাতি আছোঁ শুনা নাই নেকি? নে গা বেয়া।

ঃ নাই অ', শুই আছিলো কেতিয়ানো ইমান গভীৰ টোপনি আহিল গমেই নাপালো।

ঃ এতিয়া সোনকালে মোক কিবা এটা খাবলৈ দিয়া বজাৰলৈও যাব লাগে আৰু কি কি আনিব লাগে লিখি দিয়া আৰু লগতে বেগ এটাও দিবা।

তাই পাকঘৰলৈ গৈ ভাত বাঢ়ি দি বজাৰৰ পৰা কি কি আনিব লাগিব তাক লিখি বেগতে ভৰাই দিলে।

ঃ মা- মোৰ আহোঁতে অলপ দেৰিও হ'ব পাৰে CAFE ত অলপ কাম আছে।

ঃ ঠিক আছে বুলি কৈ তাই পিছফালৰ বাৰান্দাত কিতাপ এখন লৈ বহিলগৈ। অভিজ্ঞান ওলাই গ'ল। তাই কিতাপখন অলপ পঢ়িয়েই সামৰিলে। তাইৰ পাকঘৰৰ ফালে কেনেবাকৈ চকু গ'ল আৰু দেখিলে যে পাকঘৰত বহুত বাচন পৰি আছে। তাই সেইখিনিকে ধুই লওঁ বুলি ভাবিলে। বাচন ধুই কলেজৰ উত্তৰ বহি চাবলৈ তাই বহিল। বৰ্তমান তাই J. B. কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা অভিজ্ঞান তাইৰ একমাত্ৰ সন্তান, তাইৰ জীয়াই থকাৰ উৎস। তাই বহুত কষ্ট কৰি অভিজ্ঞানক কোনো অভাৱ নোহোৱাকৈ পঢ়াই আছে। যি এতিয়া কাজিৰঙা বিশ্ববিদ্যালয়ত B.Tech কৰি আছে।


তাই উত্তৰ বহি চাই শেষ হ'বলৈ মাত্ৰ দুখন বহি বাকী। তেনেতে তাই ঘড়ীটোলৈ চালে, নিশা ৯.০০ বাজি ১০ মিনিট গ'ল। বহি দুখন চাই তাই সামৰিব লওঁতে অভিজ্ঞানো তেনেতে আহি পালেহি। তাই ল'ৰা লৰিকৈ পাকঘৰলৈ ভাত ৰান্ধিব গ'ল আৰু দুয়ো একেলগে ভাত খাই শুবলৈ গ'ল। তাই বিছনাত বহু সময় পৰি থকাৰ পিছতো টোপনি নাহিল। বতৰো বেয়া, দিনৰ দিনটো বৰষুণ দিয়ে আছে। বিছনাৰ পৰা তাই ঘপকৈ উঠি খিৰিকিৰ ওচৰলৈ গ'ল আৰু এখনি খিৰিকি খুলি দিলে। ৰিবৰিবকৈ বলা মলয়া বতাহ এজাকে তাইৰ মন-প্ৰাণ চুই গ'ল।

আজি দিনটো তাইৰ মনটো বেয়া। মাক দেউতাকলৈ বৰকৈ মনত পৰিছে। College ৰ পৰা আহি TV টো on কৰি Newsত বোৱাৰীৰ অৱহেলাৰ বাবে কেনেদৰে মৃত্যুত পথ বাছি লৈ আত্মহত্যা কৰিব লগা হ'ল। তাইয়ো ২২ বছৰ নিজ পিতৃ-মাতৃৰ পৰা দূৰত আছে। তায়ো জানে যে এয়া তাই ভাল কৰা নাই। বহু কষ্ট কৰি মাকে তাইক ডাঙৰ-দীঘল কৰি পঢ়ালে। কি ভুল কৰিছিল মাক-দেউতাকে তাইৰ ওচৰত।

এজন ল'ৰা চাই বিয়াহে দিছিল। সকলো মাক-দেউতাকৰে এটা সপোন থাকে নিজৰ ছোৱালীক এটা ভাল সম্ভ্ৰান্ত পৰিয়াললৈ বিয়া দিবলৈ। তেওঁলোকে কেতিয়াও সপোনতো ভবা নাছিল যে সেইজন ল'ৰাই তাইৰ দেউতাকৰ সম্পত্তিৰ বাবে তাইক বিয়া কৰাবৰ কাৰণে মান্তি হৈছিল।

তাইৰ দেউতাক ডিব্ৰুগড় চহৰৰ এজন নামী অধিবক্তা। অভিজিৎ চলিহা তেওঁক সকলোৱে চিনি পায়। দুজন পুত্ৰ সন্তানৰ পিছতে তাই। তাই সৰু বাবে সকলোৱে বহুত মৰম কৰে। তাইৰ গালত সৰুৰে পৰা এটা কলা দাগ আছিল কোনেনো জানে যে সেই দাগেই যে হৈ পৰিব তাইৰ জীৱনৰ বাবে কাল। তাই M. A. পাছ কৰি কেইবা বছৰো ঘৰতে বহি আছিল। লাহে ধীৰে চাকৰি বিচাৰিম বুলি ভাবিছিল। তাই এনেকৈ বিয়া নোহোৱাকৈ থকাৰ বাবে ঘৰৰ সকলোৱে চিন্তাৰ কাৰণ হৈ পৰিছিল। ককায়েক বায়েকহঁতেও লাহে লাহে কথা শুনাবলৈ ধৰিছিল। অৱশেষত দেউতাকে এজন ল'ৰা ঠিক কৰিলে। সি কিবা এটা কৰে বাবে তেখেতৰ ওচৰলৈ আহিছিল। এতিয়া ভাল চিনাকি। ল'ৰাজনৰ কথা বতৰা তেখেতৰ ভাল লাগে। এদিন ল'ৰাজনৰ ঘৰলৈ গৈ মাকৰ সৈতে এই বিষয়ে কথা পাতিলেগৈ। তেওঁলোকৰ কোনো আপত্তি নাই। ল'ৰাজনৰ মাকৰ বাহিৰে আৰু কোনো নাই। ল'ৰা ঘৰৰ পৰা ছোৱালী চাবলৈ আহিল। তাইৰ গালত থকা কলা দাগটোৰ বিষয়ে আগতে জনা নাছিল। তাৰ বাবে ল'ৰাৰ মাকে অভিজিৎ চলিহাক ৫ লাখ টকাৰ দাবী কৰিলে। জীয়েকৰ সুখৰ বাবে চলিহাই তেওঁলোকৰ দাবী মানি ল'লে। তেখেতৰ বাহিৰে সেইকথা কোনেও জনা নাছিল। এই কথা অকল দেউতাকৰ মাজতে ৰাখি বেলেগে নজনাকৈ বিয়াৰ সকলো জোগাৰ কৰা হ'ল। দিন বাৰ ঠিক কৰি অতি ধুম-ধামেৰে বিয়াখন হৈ গ'ল। অভিজিৎ চলিহাই বিয়া চলি থকা সময়তে সুযোগ চাই ল'ৰাটোৰৰ মাকক আধা পইচা দিলে আৰু বাকী টকা অতি সোনকালেই দিব বুলি প্ৰতিশ্ৰুতি দিলে। বিয়াৰ প্ৰথম কেইদিনমান ঠিকেই থাকিল সকলো কিন্তু অলপ দিনৰ পিছত মাক আৰু পুতেকে তাইক পইচা বিচাৰি বিভিন্নধৰণৰ অত্যাচাৰ কৰিব ধৰিলে।

এদিন তাই উপায় নাপাই দেউতাকৰ ওচৰলৈ গ'ল আৰু দেউতাকৰ পৰা তাই সকলোখিনি কথা গম পালে। দেউতাকে বাকী দিব লগা টকাখিনি গোটাই মেলি অতি কম দিনৰ ভিতৰতে দি থৈ আহিব বুলি জীয়েকক ক'লে। এইখিনি কথা শুনি তাই দুখত ভাগি পৰিছিল। তাইৰ জীৱনটোৰ লগত এয়া কি ঘটি গ'ল, তাই নিজে উমান নাপালে। যিজন ল'ৰাক তাই চিনিয়েই নাপায় ভালদৰে, তেনেকুৱা এজন ল'ৰাৰ লগত তাইৰ মাক-বাপেকে বিয়া ঠিক কৰাৰ বাবে মাক-বাপেকৰ ওপৰতে ভৰসা কৰি তাই অকনো আপত্তি নেদেখুৱাকৈ বিয়া হৈছিল। কিন্তু তাই জনা নাছিল যে, দেউতাকে পইচা দি আনক তাইৰ হাতত গটাই দিব। যিজন ল'ৰাই বিনিময়ত বিয়া কৰালে এনে এজন ল'ৰাৰ লগত তাই কেনেকৈ জীৱন অতিবাহিত কৰিব? এইদৰে তাইৰ মনত বহুত প্ৰশ্ন উদয় হ'ল। তাইৰ চেতনা ঘূৰি আহিলত সেইখন ঘৰৰ পৰা একেবাৰে ততাতৈয়াকৈ গুচি আহিল। একো মাতবোল নকৰাকৈ। সকলোৰে ওপৰত তাইৰ খং উঠিছিল। গালৰ ক'লা দাগটোৰ বাবেই যে তাই এনেদৰে অপমানিত হ'ব লাগিব তাই কেতিয়াও ভবা নাছিল। যিজন ল'ৰাৰ কাৰণে তাই সকলো এৰি চিৰজীৱনৰ বাবে গুচি আহিছিল তেওঁ এনেকুৱা কৰিব বুলি কেতিয়াও ভবা নাছিল। অৱশেষত তাই সকলো ভাবি চিন্তি যোৰহাটলৈ গুচি আহিল। তাত তাইৰ কলেজীয়া বান্ধবী এজনীৰ লগত ভাড়া ঘৰত অলপ দিন থাকি অ'ত ত'ত কাম বিচাৰি ফুৰিলে। লগৰজনীয়ে তাইক এখন স্কুলত খালী হৈ থকা শিক্ষকৰ পদ এটাত কিছুদিনৰ বাবে সোমোৱাই দিলে। অলপ দিনৰ পিছত তাই গম পালে যে তাইৰ সন্তান সম্ভৱা। তাই এতিয়া কি কৰিব? বহুত চিন্তাত পৰিল। তাই লগৰজনীক এইখিনি কথা ক'লে, তেতিয়া তাই পেটৰ সন্তানটিক জন্ম দি ভৱিষ্যতৰ দিনবোৰ তাক লৈয়ে থাকিবলৈ বুলি ক'লে আৰু বহুত বুজাই বুজাই তাইক মান্তি কৰালে। এতিয়া তাইক সকলোৱে চিনি পায় এগৰাকী অধ্যাপিকা হিচাপে J. B. College ৰ এগৰাকী ভাল অধ্যাপিকা ৰাজনীতি বিজ্ঞান বিভাগৰ। তাই এই পদটোৰ বাবে বহুত কষ্ট কৰিবলগীয়া হ'ল। অকলে অকলে তাই অভিজ্ঞানক ডাঙৰ-দীঘল কৰিলে অলপো কষ্ট-দুখ নিদিয়াকৈয়ে। অভিজ্ঞানক লৈয়ে তাইৰ সকলো সপোন। অভিজ্ঞানে তাইৰ জীৱনৰ সাঁৰথি। তাক লৈয়ে তাই সুখে সন্তোষেৰে জীয়াই আছে। □



# ফিৰিঙতি

• কাকলি গগৈ

অনিৰুদ্ধক লগ নোপোৱালৈকে কথাবোৰ বেলেগ আছিল। দূৰণিৰ সুউচ্চ পাহাৰবোৰৰ প্ৰতি মোৰ এক তীব্ৰ আকৰ্ষণ আছিল। দিগন্তৰ আকাশ আৰু পাহাৰৰ সংগমৰ প্ৰতিও আছিল এক আশৈশৱ কৌতুহল। পাহাৰৰ উচ্চতা আৰু আকাশৰ ব্যাপ্তিৰ তুলনাৰে মানুহৰ জীৱনৰ ক্ষুদ্ৰতা আৰু সীমাবদ্ধতা উপলব্ধি কৰিয়েই মই ডাঙৰ হৈছিলোঁ। পাছলৈ অৱশ্যে কিতাপৰ পাতত পঢ়িবলৈ পাইছিলো— আকাশৰ ব্যাপ্তিকো অতিক্ৰম কৰিব পৰা বিশাল মনবোৰৰ কথা, জীৱনৰ সকলো সীমাবদ্ধতাক নেওচি পাহাৰতকৈয়ো ওখ হৈ উঠা মানুহবোৰৰ কথা, মাটিৰ সম্পৰ্কক জীয়াই ৰাখি উচ্চতা চুব জনা ব্যক্তিসত্ত্বাৰ কথা।

অনিৰুদ্ধয়ো মোৰ দৰে পাহাৰ এখনক বুকুত কঢ়িয়াই লৈ ফুৰিছিল। কিন্তু মই মন কৰিছিলো— সি কাহানিও মোৰ দৰে পাহাৰৰ বুকুৰ বগা-নীলা বনৰীয়া ফুলবোৰৰ কথা ভাবি আত্মমগ্ন মানুহৰ দৰে থৰ লাগি ৰৈ যোৱা নাছিল। অথবা পাহাৰৰ বুকুত খুন্দা খাই উভতি অহা চঞ্চল বতাহজাকৰ কথা ভাবি ৰোমাঞ্চিতও হোৱা নাছিল। আচলতে অনিৰুদ্ধ আৰু মই একেখন পাহাৰকে দুটা পৃথক পৰ্যবেক্ষণেৰে বুকুত লৈ ফুৰিছিলো। অনিৰুদ্ধৰ বাবেই পাহাৰবোৰক মই নতুনকৈ আৱিষ্কাৰ কৰিব পাৰিছিলো। আৱিষ্কাৰ কৰিছিলো পাহাৰৰ বুকুৰ অলেখ সংগ্ৰামৰ কাহিনী, সাৰ্বজনীন সমস্যা এখিনিক বুকুত বান্ধি সমাজৰ পৰা বিচ্ছিন্ন হৈ পাহাৰ বগোৱা স্বপ্নাতুৰ মানুহবোৰৰ কাহিনী, উমৈহতীয়া সপোন এটাক বুকুৰ গভীৰত জীয়ন দি ৰখা জীৱনবোৰৰ কাহিনী। অনিৰুদ্ধৰ মুখত শুনা পাহাৰৰ বুকুৰ সেই সবিস্মিত কাহিনীবোৰ একোটা ছিম্ফনীৰ দৰে অনবৰতে মোৰ কাণত বাজি থকা হৈছিল। ডিপাৰ্টমেন্টৰ সন্মুখৰ দীঘল বাৰান্দাখনত খোজকাঢ়ি ফুৰোঁতে, হোষ্টেলৰ উদং ছাদত বহি গৰম কফি একাপত চুমুক দিওঁতেও মই সেই একেবোৰ কথাকে পাগুলি থকা হৈছিলোঁ। সমান্তৰালকৈ অনিৰুদ্ধ আৰু মোৰ মাজৰ দূৰত্ববোৰ কমি আহিবলৈ ধৰিছিল। মই হৈ পৰিছিলো তাৰ নিঃসংগ সময়বোৰৰ সাহচৰ্য। তাৰ ক্ষোভ, তাৰ সকলো অভিযোগ আৰু অভিমানবোৰ বুকুত নিৰলে সামৰি ৰখা প্ৰথম আৰু একমাত্ৰ নাৰী। কিন্তু, আমাৰ মাজত কোনো প্ৰেমৰ সম্পৰ্কই গঢ় লৈ উঠা নাছিল। আমাৰ সম্পৰ্ক আছিল বন্ধুত্বতকৈ উৰ্দ্ধত; অথচ প্ৰেমতকৈ কিছু পৃথক।

প্ৰত্যেক কাহিনীৰে একোটা আৰম্ভণি থাকে। সেই আৰম্ভণিত ভৰ দিয়েই কাহিনীয়ে গতি কৰে, সমাপ্তিৰ সন্ধান কৰে। অনিৰুদ্ধৰো পাহাৰৰ প্ৰতি থকা পৃথক পৰ্যবেক্ষণৰ আঁৰত এটা আৰম্ভণি আছিল। এটা যন্ত্ৰণা জৰ্জৰিত, পীড়নক জীৱনৰ উকমুকনি আছিল। দুটা ভিন্ন পৰিৱেশ, দুখন ভিন্ন সমাজৰ পৰা ওলাই অহা দুজন মানুহৰ চৰিত্ৰৰ বিচিত্ৰতা আৰু আদৰ্শগত মতানৈক্য থকাতো স্বাভাৱিক কথা। কিন্তু সেই আৰম্ভণিয়ে অনিৰুদ্ধক স্বাভাৱিকতাক চেৰাই যাব পৰাকৈ বহু বেছি বিচিত্ৰ, বহু বেছি পৃথক কৰি তুলিছিল। সেইবাবেই হয়তো মই কলেজৰ প্ৰথম দিনটোৰ পৰাই অনিৰুদ্ধৰ প্ৰতি আকৰ্ষিত হৈছিলোঁ। কিন্তু, তাৰ বিক্ষিপ্ত শৈশৱ, সেই শৈশৱৰ যন্ত্ৰণাপীড়িত দিনবোৰৰ কথা শুনিবলৈ মই এক দীঘলীয়া সময় অপেক্ষা কৰিব লগা হৈছিল। খুব কম কথা কোৱা, নিঃসংগপ্ৰিয় ল'ৰা এটাক একান্তই ব্যক্তিগত কথাবোৰ কৈ পেলাবৰ বাবে দীঘলীয়া এক সময়ৰ প্ৰয়োজন হোৱাটো হয়তো স্বাভাৱিক কথা। সেইবাবেই সেই দীঘলীয়া সময়ৰ অন্তত সি কৈছিল। অৰ্গল খুলি কৈছিল, উন্মোচিত কৰি তুলিছিল মোৰ সন্মুখত এখন অন্য পৃথিৱী

এখন অন্য সমাজ। মুক্তি, অধিকাৰ, আন্দোলন, বিপ্লৱে অশান্ত কৰি ৰখা এখন সমাজ। আৰু সেই সমাজে জন্ম দিয়া চৰিত্ৰবোৰ-পাহাৰমুখী মানুহবোৰ- অনিৰুদ্ধৰ ঘৰখন... ! লাহে লাহে অনিৰুদ্ধৰ মাতটো থোকাথুকি হৈ আহিছিল। তথাপি সি কৈ গৈছিল সেই আন্দোলন, সেই বিপ্লৱে গণবিচ্ছিন্ন, সমাজবিচ্ছিন্ন কৰি তোলা তাৰ দেউতাকৰ কথা— ইণ্ডিয়ান আৰ্মিৰ হাতত যৌৱন হেৰুৱা তাৰ পেহীয়েকৰ কথা— বেয়নেটৰ খোঁচ খোৱা তাৰ ককাঁকৰ কথা আৰু তাৰ মাক... ! মৃত মানুহৰ দৰে জীয়াই থকা তাৰ মাক... ! আস্! সি আৰু ক'ব পৰা নাছিল। সি উচুপি উঠিছিল। ইয়াৰ আগতে অনিৰুদ্ধক মই কেতিয়াও বিচলিত হৈ উঠা দেখা নাছিলো। সুদীৰ্ঘ সময় ধৰি সেই যন্ত্ৰণাকাতৰ শৈশৱ, বিষময় দিনবোৰ কঢ়িয়াই ফুৰিও সি পঢ়িবলৈ আহিছিল। আনকি বাহিৰৰ পৰা অনিৰুদ্ধ কিমান শান্ত, সমাহিত, উত্তেজনাশূণ্য আছিল সেয়া তাক নেদেখিলে অনুমান কৰা টান। হয়তো সময়ৰ স'তে দুখবোৰো একোটা অভ্যাসৰ দৰেই সহজ হৈ পৰে! কিন্তু মোৰ আগত সি তাৰ চকুপানী সামৰিব পৰা নাছিল। সি কান্দিছিল। অকণমানি শিশু এটাৰ দৰে। হুকহুকাই। মই আৰু ৰ'ব পৰা নাছিলো। মাকৰ বুকুৰ উম নোপোৱাকৈয়ে ডাঙৰ হোৱা ল'ৰাটোক অসীম ভালপোৱাৰে, মমতাময় দুখন হাতেৰে বুকুত সাৱটি লৈছিলোঁ। স্বতঃস্ফূৰ্ত চকুপানীতকৈ সত্য আন কি হ'ব পাৰে!

**অনিৰুদ্ধয়ো মোৰ দৰে পাহাৰ এখনক বুকুত কঢ়িয়াই লৈ ফুৰিছিল। কিন্তু মই মন কৰিছিলো — সি কাহানিও মোৰ দৰে পাহাৰৰ বুকুৰ ৰগা-নীলা বনৰীয়া ফুলবোৰৰ কথা ভাবি আত্মমগ্ন মানুহৰ দৰে থৰ লাগি বৈ যোৱা নাছিল।**

কিন্তু হঠাতে অনিৰুদ্ধ সলনি হৈছিল। সি আগতকৈ অস্থিৰ, উদভ্ৰান্ত হৈ পৰিছিল। আনকি সি মোৰ পৰাও আঁতৰি থাকিবলৈ লৈছিল। সি কি বিচাৰিছিল— ! নিঃসংগতা ? নে অতীত স্মৰণৰ বাবে আছুতীয়া কিছু সময় ? — মই বুজা নাছিলো। আচলতে বুজি উঠাৰ আগতেই অনিৰুদ্ধ নোহোৱা হৈছিল। সি পাহাৰ বগাইছিল। সি গুচি যোৱাৰ পাছৰ সময়বোৰতো আন বহু ল'ৰাই সেই বাটেৰেই বাট লৈছিল। কিন্তু সেই ল'ৰাবোৰৰ জীৱনবোৰত অনিৰুদ্ধৰ দৰে কোনো বিভীষিকাময় শৈশৱ নাছিল। আনকি সিহঁতে কাহানিও মুক্তি, অধিকাৰ, বিদ্ৰোহ, বিপ্লৱ সেই শব্দবোৰো শুনা নাছিল। তথাপি সিহঁত গুচি গৈছিল। হয়তো সিহঁতবোৰ আছিল একেখিনি সমস্যা, একেখিনি হুমুনিয়াহ, একেখিনি হতাশা, উদ্বেগ-উদ্বিগ্নতা প্ৰজন্মৰ পাছত প্ৰজন্মলৈ গতি কৰি থকাৰ পৰিণতি অথবা ব্যৱস্থাৰ বিৰুদ্ধে মূৰ দাঙি উঠা প্ৰতিবাদ।

অনিৰুদ্ধ মোৰ প্ৰেমিক নাছিল। তাৰ স'তে কোনোদিন যৌৱন-প্ৰেম-ভালপোৱা এই সম্পৰ্কে কোনো কথাও পতা নাছিলোঁ। আনকি তাক বুকুত সাৱটি লোৱা সময়বোৰতো যৌৱনৰ কোনো শিহৰণে, কোনো উত্তেজনাই মোক চুই যোৱা নাছিল। অথচ অনিৰুদ্ধ নোহোৱা হোৱা আজি ১৫-২০ বছৰৰ পাছতো মই তাক বুকুত লৈ ফুৰিছোঁ, আচলতে কিছুমান মানুহক বিস্মৃতিত কেতিয়াও হেৰাই যাবলৈ দিব নোৱাৰি। কেতিয়াও অপ্ৰাসংগিকো হৈ নুঠে তেনে মানুহবোৰ।

মই কাহানিও বিচৰা নাছিলো অনিৰুদ্ধ সমাজৰ পৰা বিচ্ছিন্ন হওঁক। অন্ততঃ তাৰ দৰে মানুহবোৰ — যি আশী-নব্বৈ দশকৰ সংগ্ৰামখনৰ ফিৰিঙতি নিজ চকুৰে দেখিছিল। উপলব্ধি কৰিছিল তাৰ দৰে শৈশৱ হেৰুওৱা মানুহবোৰ অথবা তাৰ মাক-পেহীয়েকৰ দৰে বুকুত এটুকুৰা জীয়া ঘাঁ লৈ জীয়াই থকা মানুহবোৰৰ যন্ত্ৰণা। পাছলৈ অনিৰুদ্ধই সেই সংগ্ৰামৰ সৈতে সাঙুৰ খাই থকা বিষয়বোৰৰ বিশদভাৱে অধ্যয়ন কৰিছিল, ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ হিচাপে কলেজত পঢ়িবলৈ আহিছিল।

সেইবাবেই মই কামনা কৰিছিলো সি সমাজত, মানুহৰ মাজত ৰৈ যাওক। আচলতে অনিৰুদ্ধ বা তাৰ দৰে মানুহবোৰ উঠি অহা প্ৰজন্মটোৰ মিচিল চম্ভালিব পৰাকৈ পৰিপক্ক আছিল। কিন্তু, অনিৰুদ্ধ নোহোৱা হোৱা সুদীৰ্ঘ সময়ছোৱাৰ পাছতো মই অনুভৱ কৰিছো—অনিৰুদ্ধহঁতে জঁপিয়াই পৰা সেই সংগ্ৰাম সেই যুঁজখন তেতিয়াও অপ্ৰাসংগিক নাছিল। আৰু এতিয়াও আজিৰ তাৰিখতো অপ্ৰাসংগিক নহয়। সেইবাবেই চাগে দূৰণিৰ সুউচ্চ পাহাৰবোৰলৈ চাই মই আজিও কৈ উঠো 'জন্মভূমিৰ বাবে আত্মত্যাগ কৰা মানুহবোৰৰ জীৱনৰ মূল্য নোপোৱালৈকে তুমি উভতি নাহিবা অনিৰুদ্ধ'। ❑

# ৰ'দঘাই কপালত বেলি নথকা মানুহগৰাকীৰ কথাৰে

• ঋতুপ্ৰিয়া দুৱৰা

জন্মৰ ন মাহ বয়সতে পৰিয়ালকেন্দ্ৰিক সন্ত্ৰাসৰ বলি হৈ কোনোমতে জীৱন পোৱা মানুহগৰাকীৰ কথাৰেই মোৰ প্ৰথণ লেখনি। নদীৰ পাৰত ডাঙৰ-দীঘল হোৱা মানুহগৰাকীৰ মাটি, পানী, বোকাৰ সতে আশৈশৱ মিতিৰালি। এসাজ কাপোৰৰ অভাৱত সময়মতে স্কুলত ভৰ্ত্তি হ'ব নোৱাৰিছিল যদিও গাঁৱলৈ নতুনকৈ অহা শিক্ষকজনৰ বদান্যতাত (কিতাপ-কাপোৰ দি সহায় কৰিছিল) স্কুলত নাম ভৰ্তি হৈ 'ক' মান আৰু 'খ' মান দুয়োশ্ৰেণী একে বছৰতে পঢ়িছিল। শিক্ষক দদায়েকৰ কাণসমনীয়া জীয়েকে চিঞৰি চিঞৰি পঢ়ি থকা গোটেই কিতাপখন শুনি শুনি মুখস্থ হৈ পৰিছিল। সেয়ে স্কুলত গৈ আখৰ কেইটা চিনি পোৱাৰ পিছত ছমাহতে ওপৰ শ্ৰেণীলৈ তুলি দিছিল। অনগ্ৰহৰ পিতৃ-মাতৃৰ সন্তান হৈ, অনেক অভাৱ-অনাটনৰ মাজেৰে শিক্ষা জীৱন পাৰ কৰা মানুহগৰাকীৰ শৈশৱ আৰু কৈশোৰ অনেক ঘটনা-পৰিঘটনাৰ মাজেৰে পাৰ হৈছিল।

সম্ভৱত ১৯৭৬ চনৰ কথা। পৰিয়ালৰ তিনি বাইভনী পথাৰখনৰ সিপাৰে থকা সৰু দদায়েকৰ ঘৰত বহি থাকোতেই দূৰৰ পথাৰৰ মূৰত পানীৰ ৰেঙণি দেখিছিল। বানপানীৰ স'তে সহবাস কৰা জীৱনৰ অভিজ্ঞতাৰে সেয়া আঠ কিলোমিটাৰ দূৰত মথাউৰি চিগাৰ উমান পায় আইটাইকেইজনী ঘৰলৈ উভতিবলৈ পথাৰত নামিল। চকুৰ প্ৰচাৰতে পানী ভৰি পৰা পথাৰৰ মাজভাগ পাওঁতে সোঁতে ঠেলি নি নদীত পেলাইছিলগৈ। লৰালৰিকৈ এজন চুবুৰীয়াই ভীমকল কাটি ভূৰ লৈ উদ্ধাৰ কৰিছিল। কাতিমহীয়া বানত গৰ্ভাৱতী লখিমীয়েও হাৰ মানিছিল। মিলিটেৰীৰ ৰবৰ নাৱেৰে যোগান ধৰা ৰিলিফক চিৰা-গুৰৰ স'তে দিয়া পাউদাৰ গাখীৰ জীৱনত প্ৰথম বাৰলৈ দেখিছিল? পিছৰ বছৰ বহাগৰ পিছতে ভৰাঁল উদং হোৱাত মাহ ধৰি ভাতৰ মুখ নেদেখিছিল। এমুঠি চাউলৰ স'তে ৰন্ধা লাউৰ খিচিৰি খায়েই মাহ পাৰ কৰিছিল। কেঁচা কল সিজাই নিমখ জলকীয়াৰ স'তে খাই পথাৰত ভূঁই ৰুইছিল। ন ভূঁইৰ দিনা এমাহৰ মূৰত ভাতৰ পাতত বহি আটাইকেইজনী বাই ভনীয়ে কঁকালৰ গাঁঠি ঢিলা কৰি উদৰ পূৰাই খাইছিল। তেওঁলোকৰ মনত ভাৱ হৈছিল যে, কোনে জানে আৰু বা কিমান দিনৰ মূৰত খাদ্য ভাগ্যত মিলে।

১৯৭৯ চনত মেট্ৰিক পৰীক্ষা দি উঠাৰ পিছত গাঁওবাসীয়ে ফলাফললৈ অধিৰ আগ্ৰহেৰে বাট চাই থকাৰ সময়তে খবৰ আহিল তেওঁৰ ৰোল নম্বৰ লিষ্টত নাই। চহা দেউতাকে মনৰ দুখত মদ খাই গোটেই ঘৰৰ মজিয়া বমিৰে ওপচাই দিলে। গোটেই ঘৰ কাঁহ পৰি জিন গ'ল। গাঁৱৰ বহুজনে ডাকযোগে অহা পত্ৰবন্ধুৰ চিঠিবোৰকে জগৰীয়া কৰি পদূলিয়ে পদূলিয়ে আলোচনা কৰিলে। একমাত্ৰ সৰু মোমায়েকে ফলাফল লিখি অনা কাগজখনৰ এটা সংখ্যাৰ ক্ৰমনিকাত অমিল দেখি পুনৰ আঠ কিলোমিটাৰ চাইকেল মাৰিছিল। পিছে মোমায়েক ঘূৰি আহি পাই মানে ডিঙিত মেৰিয়াই লোৱা চাদৰৰ আঁচলটো টান হৈ ডিঙিৰ পৰা গেওনি উলাইছিল।



মানুহগৰাকী দ্বিতীয় বাৰলৈ মৃত্যুৰ মুখৰ পৰা ঘূৰি আহিছিল। বহু সংঘাতৰ মাজেৰে কলেজীয়া জীৱন আৰম্ভ কৰা জীৱনটোলৈ আকৌ আহিল এজাক বা মাৰলি। অসম আন্দোলনত

সক্ৰিয় অংশগ্ৰহণৰ সৌভাগ্য হোৱা মানুহগৰাকীয়ে ১৯৮০ চনৰ শিক্ষাবৰ্ষ হেৰুৱাই ৮২ চনত প্ৰাকস্নাতক পৰীক্ষা দিবলৈ যাওঁতে টাউনৰ মাজতে চাইকেলত শাৰী সোমাই পৰাত পথৰ ওপৰত পৰি যায়। পিচে পিচে আহি থকা দুগৰাকীয়ে তেওঁৰ গাৰ ওপৰেদি পাৰ হৈ তৃতীয়গৰাকীয়ে ব্ৰেক মাৰি ককাঁলৰ ওপৰত চকাটো দি বৈ দিলে। সেই সময়ৰ কঁকালৰ বোজাটো আজিলৈকে বৈ ফুৰা দেখিছো।

স্নাতক মহলাত ভৰি দিয়েই নাৰ্ছিঙৰ সাক্ষাতকাৰত উত্তীৰ্ণ হোৱাত কলেজৰ সপোন সিমানতে বৈ গ'ল। এটা নতুন সপোনে মনত গজালি মেলিছিল। নাৰ্ছিঙৰ সাক্ষাতকাৰৰ এটা প্ৰশ্নোত্তৰত তেখেতে লেখিছিল কিয় নাৰ্ছিং প্ৰফেছনটো পচন্দ কৰে— "মানৱ সেৱাৰ জৰিয়তে কৰ্ম সংস্থাপন"।

দেউতাকে তিনিবিঘা খেতিৰ মাটি বন্ধকত থৈ নাৰ্ছিং প্ৰশিক্ষণলৈ পঠাইছিল। লগৰবোৰ ষ্টাইপেনৰ উপৰিও মেচফীজ ঘৰৰ পৰা আনিছিল আৰু তেখেতে ষ্টাইপেনৰ পইচাৰ ৰাহি কৰি এবছৰৰ মূৰত এবিঘা মাটিৰ বন্ধকী মোকলাইছিল। সাতবছৰ চাকৰি কৰি মানুহগৰাকীয়ে নিজতকৈ আঠবছৰ মান সৰু ভনীয়েকক আগতেই বিয়া দিছিল। সংঘাতে লগ নেৰা মানুহগৰাকী আকৌ এবাৰ মৃত্যুৰ পৰা বাচিল। ভনীয়েকৰ বিয়াৰ উলাহত জামিৰাৰ এখন ভিতৰুৱা গাঁৱত বিয়াৰ নিমন্ত্ৰণ দি উভতি আহোতে দিহিং নদীৰ ওপৰত থকা গেমন দলং পাৰ হৈয়ে তেওঁলোকে উঠি যোৱা পৰশমণি নামৰ বাছখনে এখন ট্ৰাকৰ খুন্দাত পথৰ ওপৰত বাগৰি পৰে। বিপদৰ চিৎকাৰ কৰিব নজনা মানুহগৰাকীয়ে নিজকে এটা কেঁচুৱাৰ স'তে আৱিষ্কাৰ কৰিছিল ঘটনাটোৰ পিচত (কাষত বহা যাত্ৰীগৰাকীৰ কেচুঁৱাটো)। পিচৰ গাড়ীত অহা যাত্ৰীসকলে বাছৰ পিছফালৰ আইনা ভাঙি তেওঁলোকক বাহিৰলৈ আনিছিল। মূৰে কঁপালে লাগি থকা আঘাতৰ চিনবোৰৰ বাবে ভনীয়েকৰ বিবাহ যাত্ৰীৰ সন্মুখলৈ ওলাব পৰা নাছিল।

ট্ৰেইনিঙৰ সময়তে কেঞ্চাৰ ৱাৰ্ডত লগ পোৱা এজন ৰোগীয়ে তেখেতৰ ব্যৱহাৰত মুগ্ধ হৈ সেই সময়তে মাক-দেউতাকৰ অনুমতি সাপেক্ষে ঘৰলৈ মতাই নি পুত্ৰৰ বাবে আঙুঠি পিন্ধাইছিল। পিচে ঘৰৰ দৈন্যতাৰ উপশমৰ বাবে পিচলৈ ঠেলোতে ঠেলোতে এসময়ত সেই বান্ধোন শিথিল হৈ শেষত বিয়াখন নহ'লগৈ।

অন্তঃকৰণেৰে কোনোবা এজনে হেনো আকৌ বিয়াৰ প্ৰস্তাৱ দিছিল, আনকি সেইজনৰ মাতৃয়েও, তেতিয়া হেনো কৈছিল "ককাইদেউ, মোক বেয়া নেপাবি। তোক মই ভাল পাওঁ সচাঁ, কিন্তু বিয়া নকৰাও। বিয়াৰ পিচত মই দেউতাৰ ওচৰলৈ গাড়ীত আহিবলৈ বিচাৰো।"

এই কথাষাৰ তেখেতৰ মুখেৰে শুনি আমি হাঁহিছিলো। বিয়া হোৱা মানেই স্বামী ঘৰতে থাকিব লাগে বুলি ভবা মানুহগৰাকীয়ে ভবাই নাছিল যে ঘৰ এৰি দূৰত থাকিও গাড়ীৰে ঘৰলৈ আহিব পাৰে।

মাকৰ ঘৰলৈ গাড়ীৰে আহিবলৈ মন কৰা মানুহগৰাকী এদিন ঘৰৰ পৰা দূৰলৈ বিয়া হৈ গ'ল। চাকৰিৰ দায়বদ্ধতা, বোৱাৰীৰ দায়বদ্ধতাৰ লগতে দেওৰ, ননদৰ আবদাৰৰ সমাহাৰত চাৰিটা সন্তানক হেৰুৱাই দুটা কোলাত ল'বলৈ পোৱা মানুহগৰাকীয়ে পুনৰ এবছৰীয়া কন্যা সন্তানক এৰি চল্লিছ কিলোমিটাৰ অহাযোৱা কৰি প্ৰমোচনেল ট্ৰেইনিং কৰিছিল আৰু এসময়ত প্ৰমোচনো হৈছিল।

জীৱনলৈ সংঘাতে বাট এৰা নাছিল তেখেতৰ। প্ৰেচাৰ বেচি হৈ পৰি যোৱাৰ বাবে ডাক্তৰে দহ দিনৰ বেডৰেষ্ট দিছিল। দ্বিতীয় দিনাই ঘৰৰ পৰা ফোন আহিছিল মাকৰ প্ৰেচাৰ ষ্ট্ৰোক হোৱাৰ বাতৰি। সময়ত ড্ৰাইভাৰ এজন বিচাৰি নোপোৱাৰ দুখত ছঘণ্টাৰ পিছত হাস্পাতালত ভৰ্তি কৰোৱা মাতৃয়ে যেতিয়া পাঁচঘণ্টাৰ পিছতে হাস্পাতালত উশাহ এৰিছিল তেতিয়া মনতে প্ৰতিজ্ঞা কৰিছিল যেনেকৈয়ে নহওঁক এদিন গাড়ী এখন ল'ব আৰু প্ৰথম দিনৰ পৰাই নিজে ড্ৰাইভাৰ হ'ব।

ৰদঘাই মানুহ গৰাকীয়ে এদিন গাড়ী কিনিলে, নিজে ড্ৰাইভাৰ হৈ হেঁপাহ পলোৱাই দেউতাকক, শাশুৰেকক আনকি পৰিয়ালৰ স'তে গাড়ীৰে ফুৰিবলৈ/ফুৰাবলৈ এলাহ নকৰিলে। আনকি জীৱনৰ শ্ৰেষ্ঠতম সংগীজনক চিকিৎসাৰ বাবে দিহিঙে দিহিঙে, ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ কাষত লৈ ফুৰিলে। বুকুত কাঁইটৰ খোঁচ খাই গোটেই ৰাতি প্ৰিয়জনৰ বাবে গীত গোৱা কেতেকীজনীৰ সতে ৰিজাবলৈ মন যোৱা মানুহগৰাকীয়ে বুকুৰ ভিতৰত যেন এটা বন্ধ কুঠৰী ৰাখিছিল। য'ত ধৰি ৰাখিছিল দুখত বাগৰিব খোজা অশ্ৰুধাৰা। মাতৃৰ মৃত্যুত কান্দিব নোৱাৰা মানুহগৰাকীয়ে পিচত মাকৰ কথা ওলালেই চকুলো বাগৰিছিল।

ৰোগত তিল তিলকৈ মৃত্যুলৈ আগবঢ়া প্ৰিয়তমৰ শেষ সময়ৰ কষ্ট সহিব নোৱাৰিম বুলি চেন্নাইৰ সাগৰৰ পাৰত বহি হেনো ভাবিছিল দুয়ো হাতত ধৰাধৰিকৈ সাগৰৰ অটল তললৈ সোমাই যাবলৈ। কিন্তু ৰোগৰ বিষয়ে একোকে ভু নোপোৱা স্বামীক বিশ্বাসঘাতকতা কৰা হ'ব বুলি তেনে নকৰিলে।

সকলোফালে অন্ধকাৰ দেখা মানুহগৰাকীয়ে কিন্তু অন্ধকাৰ ভেদিবলৈ অহৰহ চেষ্টা কৰিছিল। ব্ৰহ্মাকুমাৰীৰ জ্ঞানমাৰ্গত চলা মানুহ গৰাকীয়ে স্বামীৰ শেষ ইচ্ছা পূৰণ কৰিবলৈ মাৰ্গ সলনি কৰিছিল যদিও ভাগি পৰা নাছিল। স্বামীৰ অসুস্থতাৰ মাজতে মুক্ত বিশ্ববিদ্যালয়ৰ জৰিয়তে স্নাতক পৰীক্ষা দি উত্তীৰ্ণ হৈছিল।

নিজকে শিলৰ দৰে গঢ়ি তোলা মানুহ গৰাকী এদিন ভাগি পৰিছিল। বহুবাৰ মৃত্যুক কাষৰ পৰা দেখা মানুহগৰাকীয়ে

স্বামীৰ আসন্নমৃত্যুৰ ছবিখন পাহৰিবলৈ মাজৰাতি যেন নিজেই এখন সাগৰ হৈ পৰিছিল। কৰ্মব্যস্ততা, দৈন্যতা, সহনশীলতা সকলোবোৰৰ সʼতে এবুকু দুখ সেই সাগৰত একাকাৰ কৰি লৈ ফুৰা মানুহগৰাকীয়ে ডায়েৰীৰ পাতত লিখিছিল— "আজি দিহিংখন পাৰ হৈ যাওঁতে ভাবিছিলো গাড়ীখন নদীত পেলাই দিওঁ নেকি, একেলগে জীৱনৰ সুখ-দুখ ভগাই লʼম বুলি কোৱা মানুহজনক অকলে কিদৰে এৰি দিম। কেনেকৈ সহ্য কৰিম তিল তিলকৈ মঙহ হেৰুৱাই অস্থিচৰ্মসাৰ হʼব ধৰা ক্ষণবোৰ? পিচে নোৱাৰিলো। নদীৰ ওপৰত গাড়ীখন উঠাৰ লগে লগে প্ৰিয়তমজনক আৰু কিছুদিন সংগ পোৱাৰ বাসনাত, তেওঁ দিয়া উপহাৰ দুই সন্তানৰ মমতাই ঘূৰাই আনিলে"। তেওঁ সঁচাকৈয়ে ৰদঘাই কপালৰ মানুহ আছিল। সাহসৰ অন্যতম নিদৰ্শন, সত্যৰ বাবে কʼতো আপোচ নকৰা মানুহগৰাকীয়ে ট্ৰেজাৰি অফিচত বহুজনে উপদেশ দিয়াৰ পিছতো নিজকে চাকৰি নকৰা মহিলা বুলি কʼব নুখুজিলে। যাৰ বাবে অন্য দহগৰাকীৰ দৰে পেঞ্চন নেপালে। তথাপিও কোনো আক্ষেপ নাই। যি ঠাইৰ মাৰ্গ দৰ্শনেৰে স্বামীক বুকুত সাৱটি প্ৰাৰ্থনাৰত ভাৱে শেষ বিদায় দিছিল সেই ঠাইত স্বামীৰ নামেৰে গাড়ী এখন দি প্ৰিয়তমক যেন জীয়াই ৰাখিব খুজিছিল।

কাৰোবাৰ বিপদ হʼলে চাই থাকিব নোৱাৰা, ৰাস্তাত দুৰ্ঘটনাগ্ৰস্তজনক নিজৰ গাড়ীৰে নি মেডিকেলত ভৰ্তি কৰোৱা শহু দেউতাকৰ অসুখত মাজৰাতি অকলে গাড়ীলৈ ধাপলি মেলা, গোটেই ৰাতি চকীত বহি বহি ৰোগীক পৰিচৰ্যা কৰা ৰদঘাই কপালৰ বেলি হেৰুৱাই নিজকে কবিতাৰ মাজত বুৰাই থোৱা সেই মানুহগৰাকীয়ে হʼল মোৰ 'মা'। ঘৰলৈ গাড়ীৰে যাবলৈ ভাল পোৱা মানুহগৰাকীয়ে আজিও গাড়ীলৈ ঘৰলৈ যায়। মাথো উকা হৈ থাকে কাষৰ সেই চিটটো, যʼত বহি যোৱাৰ কথা আছিল ৰদঘাই কপালৰ দগমগীয়া বেলিটো। ❑

## সোণসেৰীয়া কথা ...

গ্যেটে ঃ

- যি মানুহে জীৱনত হতাশ হʼব নাজানে, তেওঁৰ জীয়াই থকাৰ অধিকাৰ নাই।
- যি মানুহে নিজক শাসন কৰিব নোৱাৰে, তেওঁ সদায়ে আনৰ দাস হৈ থাকে।
- সকলো বস্তুতেই কৃতিত্ব আছে, উলিয়াই লʼব পাৰিলেই হʼল।



# দুৰ্ভাগ্য

• নয়নমণি ভাগৱতী

ৰাতিপুৱা ছয় বাজিছে। সেই সময়তে ৰিম্পিৰ ফোনটো বাজি উঠিল। ৰাতি দেৰিলৈকে পঢ়াৰ কাৰণে তাইৰ টোপনিৰ জালটো ভালকৈ যোৱাই নাছিল। তাই দেখিলে মাকে ফোন কৰিছে। তাই ফোনটো উঠালে। মাকে কপা কপা কণ্ঠেৰে মাত লগালে।

মা ঃ আইজনী ভালে আছনে ?

ৰিম্পি ঃ অ' মা ভালেই। ইমান ৰাতিপুৱাই ফোন কৰিলা যে।

মা ঃ দেউতাৰ গাটো একেবাৰে ভাল নহয় অ'। আগৰ বেমাৰটো এতিয়া আকৌ বাঢ়ি গৈছে।

কথাষাৰ শুনি ৰিম্পিৰ বুকুখন কঁপি উঠিল। ৰিম্পিয়ে মুখেৰে একো মাতিব নোৱাৰিলে।

মা ঃ তোক দেউতাৰাই এবাৰ চাবলৈ মন কৰিছে অ' আহিব পাৰিবি নেকি ঘৰলৈ ?

ৰিম্পি ঃ ঠিক আছে মা মই আজিয়ে যাম ঘৰলৈ।

মা ঃ ঠিক আছে আহিবি আজিয়ে পাৰিলে। হ'ব দে এতিয়া ৰাখিছো।

ৰিম্পি ঃ ঠিক আছে মা। হ'ব দিয়া।

মাকৰ ফোনটো থোৱাৰ পাছত তাই বিচনাতে অলপ দেৰি বহি ৰ'ল। তাই আগৰ কথাবোৰ মনত পেলাব ধৰিলে। এবাৰ দেউতাকৰ প্ৰেচাৰ বাঢ়ি যাওঁতে টিউবলৰ পাৰত যেনেকৈ পৰি গৈছিল, মাক আৰু খুৰাক সেই সময়ত ওচৰত নথকাহ'লে হয়তো কিবা নঘটিবলগীয়া ঘটনাই ঘটি গ'ল হ'লে। তাৰ পাছত বহুত চিকিৎসা কৰাৰ পাছতহে দেউতাকৰ অৱস্থা ভাললৈ আহিছিল। এই কথাবোৰ ভাবোতে ভাবোতে বিচনাতে তাইৰ সাত বাজিল। সাত বজাত বিচনাৰ পৰা উঠি তাই গা ধুই ঘৰলৈ বুলি সাজু হ'ল। বহুল দূৰ ৰাওনা কৰিবলৈ আছে। তাইৰ ঘৰ ডিব্ৰুগড়ত। গতিকে গুৱাহাটীৰ পৰা ডিব্ৰুগড়ত যাওঁতে বাছত প্ৰায় ১০-১১ ঘণ্টামান লাগি যায়। গতিকে তাই প্ৰয়োজনীয় সকলোবোৰ বস্তু বান্ধি হোষ্টেলৰ পৰা ওলাই গ'ল। হোষ্টেলৰ বাহিৰ হৈ তাই দেখিলে যে সকলো দোকান বন্ধ। গাড়ী এখনো চলা নাই। মানুহ এজনক সুধি তাই গম পালে যে আজি বোলে অসম বন্ধ। সেইকাৰণে গাড়ী চলা নাই। কথাষাৰ শুনি তাইৰ মনটো বিষাদেৰে ভৰি পৰিল। সেইকাৰণে তাই ট্ৰেইনত যাম বুলি ভাবি ষ্টেচনলৈ গ'ল। ষ্টেচনত গৈ কাউণ্টাৰত টিকট লোৱা সময়ত তাই গম পালে যে আজি কোনোবা এটা সংগঠনে ট্ৰেইনৰ ৰাস্তা বন্ধ কৰি থৈছে। গতিকে পাছবেলাৰ পৰাহে ট্ৰেইন চলিব।

এতিয়া আৰু তাইৰ উপায় নাই তাই বিষাদগ্ৰস্ত মনেৰে হোষ্টেললৈ উভতি আহিল। মাকলৈ ফোন কৰি তাই সকলো কথা বিৱৰি ক'লে। মাকে তেতিয়া কাইলৈ আহিলেও হ'ব বুলি ক'লে।

কিন্তু হোষ্টেল আহি তাইৰ মনটো অলপো সুস্থিৰ হ'ব নোৱাৰিলে। বাৰে বাৰে দেউতাকৰ কথা মনলৈ আহি থাকিল।

ঘৰৰ একমাত্ৰ ছোৱালী হোৱাৰ বাবে তাই মাক-দেউতাকৰ অতি মৰমৰ আছিল। আগৰবছৰ তাইৰ জন্মদিনত দেউতাকে দিয়া টেড্ডীটো সাৱটি লৈ তাই বিচনাত বাগৰি পৰিল।

শৈশৱ কালৰ মাক-দেউতাকৰ সৈতে কটোৱা সময়বোৰ ৰোমন্থন কৰিব ধৰিলে।

কথাবোৰ ভাবোতে ভাবোতে কেতিয়ানো আবেলি দুই বাজিল তাই গমকে নাপালে। তাইৰ ভোকো লাগিছিল। ৰাতিপুৱা খৰখেদাকৈ একো খাবলৈ নাপালে। গতিকে তাই ভাতকেইটামান খাই ল'লে। গোটেই দিনটো তাইৰ মনটো ভাল লাগি নাথাকিল। কাম কৰিবলৈ আগবাঢ়িলেও কামত মন নবহিল। তাইৰ দেউতাকৰ কথাই মনলৈ আহি থাকিবলৈ ধৰিলে। কেতিয়া 'কালিলৈ'ৰ দিনটো আহিব, কেতিয়া তাই ঘৰলৈ যাব, কেতিয়া দেউতাকৰ সৈতে কথা পাতিব, কেনেকৈ দেউতাকক আলপৈচান ধৰিব পাৰিব সেইবোৰ কথাই ভাবি থাকিল।

ৰাতি তাই সোনকালে শুবলৈ গ'ল। কাৰণ টোপনি নগলে গোটেই ৰাতিটো নাযায় নুপুয়ায় লাগিব আৰু ৰাতিপুৱাও সোনকালে উঠি ঘৰলৈ যাব লাগে। সেইকাৰণে তাই ছয় বজাত ফোনত এলাৰ্ম দি থ'লে।

পাতিপুৱা ৫.৩০ মান বজাত তাইৰ ফোনটো বাজি উঠিল। দেখিলে দেউতাকে ফোন কৰিছে। তাই অতি উৎকণ্ঠাৰে ফোনটো উঠালে।

দেউতা ঃ আইজনী, তই আজি ঘৰ আহিবি নহয় ন ?

ৰিম্পি ঃ অ' দেউতা যাম। ৮.৩০ বজাত বাছ আছে তাতেই যাম বুলি ভাবিছো।

দেউতা ঃ আহ আইজনী আহ। তোক বৰকৈ চাবলৈ মন গৈছে।

ৰিম্পি ঃ তুমি চিন্তাই নকৰিবা দেউতা মই আজিয়েই ঘৰ গৈ আছো।

দেউতা ঃ উম ভালকৈ আহিবি। হ'ব দে এতিয়া গা মূৰ ধুই ল গৈ যা।

ৰিম্পি ঃ থিক আছে, হ'ব দেউতা, ৰাখিছো।

দেউতাকৰ ফোনটো থৈয়ে তাই সোনকালে গা-মূৰ ধুই ঘৰলৈ যাবলৈ সাজু হ'ল।

৮.৩০ বজাত তাই বাছত উঠিলে। খিৰিকিৰ কাষৰ চিট এটাত বহি তাই খিৰিকিৰ বাহিৰলৈ চাই ঘৰমুখে যাত্ৰা কৰিলে।

৩.৩০ মান বজাত তাই শিৱসাগৰ পালেহি। সেই সময়ত খুৰাকে তাইলৈ ফোন কৰি ক'ত পাইছেহি সুধিলে। লগতে আৰু কিবা এটা ক'বলৈ লৈ ঠিক কথাটো নক'লে আৰু তাৰ পাছত ফোনটো কাটি দিলে।

বাছখন প্ৰায় সন্ধিয়া ৫ মান বজাত তাঁহাতৰ ঘৰৰ সন্মুখ পালেহি। তাই বাছৰ পৰা নামি গেটখন খোলাৰ সময়ত তাই দেখিলে যে তাঁহাতৰ ঘৰত বহুত মানুহ আহি গোট খাইছেহি। ভিতৰৰ পৰা কান্দি কান্দি মাকক উলাই অহা দেখিলে। ওচৰতে দেখিলে যে বগা কাপোৰেৰে মাটিত কাৰোবাক ঢাকি থোৱা আছে। তাইৰ আৰু বুজিব বাকী নাথাকিল। তাই লৈ অহা বেগকেইটা গেটৰ ওচৰতে পেলাই থৈ তাই দৌৰি আহি দেউতাকৰ মৃত দেহটোৰ ওচৰত বহি চিঞৰি চিঞৰি কান্দিব ধৰিলে।

তাই শেষবাৰৰ কাৰণে হ'লেও কাষৰ পৰা দেউতাকৰ মাতটো শুনিব নাপালে। তাই ঘৰলৈ আহি দেউতাকৰ লগত ভালকৈ কথা পতাৰ সপোন নিমিষতে থানবান হৈ গ'ল। যি গৰাকী দেউতাকে তাইক ৰাতিপুৱা অহাৰ আগতে টোপনিৰ পৰা জগাই দিছিল তেওঁ এতিয়া চিৰদিনৰ কাৰণে চকু মুদা অৱস্থাত তাই দেখিবলগীয়া হ'ল। মৃত্যুৰ আগত দেউতাকৰ শেষ আশা পূৰণ নহ'ল। ইয়াতকৈ দুৰ্ভাগ্যৰ কথা আৰু কি হ'ব পাৰে তাইৰ কাৰণে! □





# বিশিষ্ট সাহিত্য সমালোচক ড° আনন্দ বৰমুদৈ ছাৰৰ সৈতে এখন্তেক...

*"সাহিত্যই মানুহৰ চেতনালৈ পৰিৱৰ্তন আনে আৰু চেতনালৈ অনা পৰিৱৰ্তনেই সাহিত্য-সংস্কৃতিৰ মূল লক্ষ্য"*

**~ ড° আনন্দ বৰমুদৈ**

ভাল মানুহৰ সৈতে অতিবাহিত কৰা এখন্তেকো জীৱনৰ মূল্যৱান আৰু চিৰস্মৰণীয় মুহূৰ্ত হৈ ৰয়। জীৱনৰ এনে ক্ষণে বহু নজনা কথা শিকায় আৰু নুবুজা কথা বুজায়। এগৰাকী মহান ব্যক্তিত্ব থকা ব্যক্তিৰ সৈতে যেতিয়া আমি জীৱনৰ কিছু পল অন্তৰঙ্গ আলাপৰ মাজেৰে অতিবাহিত কৰো, তেতিয়া তেনে ব্যক্তিৰ যি ব্যক্তিত্ব, জীৱনৰ যি পৰিশ্ৰম, ত্যাগ, সফলতা আদি কথাই আমাৰ জীৱনত বহু প্ৰভাৱ পেলাই, আগবাঢ়ি যোৱাত উৎসাহ-অনুপ্ৰেৰণা যোগায়। হয়তো সেই বাবেই সকলো অভিভাৱকে নিজৰ সন্তানক ভাল মানুহৰ সান্নিধ্যত থাকিবলৈ পৰামৰ্শ দিয়ে।

কানৈ মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতাসভাৰ আলোচনী সম্পাদক হিচাপে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কানৈয়ান'ৰ সাক্ষাৎকাৰ শিতানৰ বাবে মইয়ো জীৱনৰ এক স্মৰণীৰ মুহূৰ্ত অতিবাহিত কৰিবলৈ সুযোগ পাইছিলো অসমৰ অন্যতম বিশিষ্ট সাহিত্য সমালোচক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন প্ৰাধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগত কৰ্মৰত ড০ আনন্দ বৰমুদৈ ছাৰৰ সৈতে। তাৰিখ আছিল ১৫ ছেপ্টেম্বৰ, ২০১৯ বৰ্ষ। প্ৰায় সন্ধিয়া ৬.৩০ বজাত তেওঁৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অস্থায়ী বাসগৃহত সাক্ষাৎকাৰ লোৱাৰ উদ্দেশ্যে উপস্থিত হৈছিলো। তেওঁৰ ঘৰত প্ৰৱেশ কৰিয়েই

মই অবাক হৈছিলো। যিটো কোঠালিত আমি বহিছিলো তাত চৌপাশে কিতাপ আৰু কেৱল কিতাপ। পকী বেৰবোৰত আঁৰি থোৱা আছিল নিজৰ মহান কৰ্মৰ বিনিময়ত লাভ কৰা সমাজৰ বহু প্ৰশস্তি পত্ৰ। টেবুলত মেলি থোৱা কিতাপ বহীবোৰ দেখিয়েই বোধ হৈছিল মই যোৱাৰ আগৰে পৰা তেওঁ অধ্যয়নৰ কামত ব্যস্ত আছিল। এটা কথা জানি আচৰিত হলো যে তেওঁ এই বৃদ্ধ বয়সতো নিজৰ লেখা-মেলা কামৰ ওপৰি ঘৰৰ বন্ধা-বঢ়া আদি সকলোধৰণৰ কাম-কাজ নিজেই কৰে। তেওঁ আচলতে সাধাৰণ ব্যক্তিত্বৰ এগৰাকী পৰিশ্ৰমী মানুহ আৰু সেইবাবে হয়তো সমাজত আজি তেওঁৰ পৰিচয় সুকীয়া।

বহু ভৰা-নভৰাৰ কথাৰে এক নষ্টালজিক ক্ষণৰ মাজতে আমাৰ মাজত অন্তৰংগ আলাপ আৰম্ভ হয়।

১। ছাৰ! আপোনাৰ জন্ম আৰু বাল্য জীৱন ক'ত কেনেকৈ অতিবাহিত হৈছিল? আপোনাৰ শিক্ষা জীৱনৰো চমু আভাস দিব?

উত্তৰ ঃ মোৰ জন্ম শোণিতপুৰৰ কোঠাইচুক গাঁৱত ১৯৪৯ চনত। খ-মান শ্ৰেণীত পঢ়াৰ পৰা গহপুৰৰ বালিটীকা গাঁৱত ডাঙৰ-দীঘল হৈছিলোঁ। মোৰ মাৰ নাম প্ৰমিলা বৰমুদৈ আৰু পিতাদেউৰ নাম ৰতিৰাম বৰমুদৈ। গহপুৰতে মই স্কুলীয়া শিক্ষা, মাধৱদেৱ কলেজ আৰু দৰং কলেজত কলেজীয়া শিক্ষা লাভ কৰিছিলোঁ। ১৯৭০ চনত দৰং কলেজৰ পৰা ইংৰাজীত অনাৰ্চসহ বি. এ. পাছ কৰি ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম. এ. পাছ কৰিছিলোঁ। পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা জৰ্জ বানাৰ্ড শ্বৰ নাটকৰ বিষয়ে গৱেষণা কৰি এম. ফিল. আৰু পি. এইচ. ডি. লাভ কৰিলোঁ।

২। ছাৰ! আপোনাৰ কৰ্মজীৱন সম্পৰ্কে কিছু কথা জানিব বিচাৰো।

উত্তৰ ঃ যোৰহাটৰ জে. বি. কলেজ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগত শিক্ষকতা কৰিলো। ১৯৭৩ চনৰ পৰা ১৯৯৫ চনলৈ জে. বি. কলেজত আৰু তাৰ পিছত ২০১৪ চনলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজ বিভাগত শিক্ষকতা আৰু গৱেষণা তদাৰকীৰ কাম কৰিলোঁ।

২। আপোনাৰ জীৱনৰ লক্ষ্য ছাত্ৰ জীৱনৰ সময়ছোৱাত কি আছিল? আপুনি ভৱিষ্যতে সাহিত্যিক হ'ম বুলি ভাবিছিলনে?

উত্তৰ ঃ ছাত্ৰ জীৱনতে কিবা লক্ষ্য আছিল বুলি মনত নপৰে। পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ আছিল। মোৰ মায়ে মোক সদায় পঢ়া-শুনা কৰি থাকিবলৈ কৈছিল। মাৰ পৰিয়ালত বহুত শিক্ষিত মানুহ আছিল। মায়ে মোৰ মনত সুমুৱাই দিছিল যে পঢ়া-শুনা কৰিলে ভাল মানুহ হ'ব পাৰি। সাহিত্যিক হোৱাৰ লক্ষ্য মোৰ নাছিল। এতিয়াও মই নিজকে সাহিত্যিক বুলি নাভাবোঁ।

৫। এগৰাকী দৰদী শিক্ষকৰ লগতে বিশিষ্ট সাহিত্য সমালোচক হিচাপে আপোনাৰ এক সুকীয়া পৰিচয় আছে। এগৰাকী সাহিত্যিক হিচাপে সমাজত সাহিত্যৰ অৱদান কেনেধৰণৰ বুলি ভাবে?

উত্তৰ ঃ মই শিক্ষকতা কৰি ভাল পাওঁ। কৃতী ছাত্ৰ-ছাত্ৰীসকলক মই ভাল পাওঁ আৰু সন্মান কৰোঁ। তেওঁলোকক কিবা সহায় কৰিব পাৰিলে মই আনন্দিত হওঁ। সাহিত্যিকৰ সমাজ জীৱনলৈ অৱদান থাকে। সাহিত্যই মানুহৰ জীৱন আৰু জগত সম্পৰ্কে ধাৰণাক চহকী কৰে। সাহিত্যই মানুহৰ চেতনালৈ পৰিৱৰ্তন আনে। সাহিত্যিকৰ সামাজিক দায়বদ্ধতা থাকিব লাগে।

৬। ছাৰ! দেখিবলৈ পোৱা গৈছে যে সময়ৰ সোঁতত ক্ৰমান্বয়ে সাহিত্য আৰু অধ্যয়নৰ প্ৰতি মানুহৰ ৰুচিবোধ কমি আহিছে। আনহাতে, আমাৰ যুৱ প্ৰজন্মৰো আধুনিকতাত ডুব যোৱাৰ ফলত উপৰোক্ত দুই বিষয়ৰ প্ৰতি অনিহাৰ ভাৱ দেখা গৈছে? গতিকে আপুনি অসমীয়া সাহিত্যৰ ভৱিষ্যত কেনেকুৱা দেখিছে?

উত্তৰ ঃ সাহিত্যক যিসকলে মনোৰঞ্জনৰ আহিলা বুলি ভাবে, সেইসকলৰ বাবে সাম্প্ৰতিক কালত মনোৰঞ্জনৰ আহিলা বেছি ওলাইছে। সেইধৰণৰ এছাম পাঠক সাহিত্যৰ প্ৰতি অনাগ্ৰহী হ'ব পাৰে। কিন্তু গম্ভীৰ, গুৰুত্বপূৰ্ণ সাহিত্যক ঐকান্তিকভাৱে ভালপোৱা পাঠকো আছে। সেইচাম পাঠকে এতিয়াও সাহিত্য পঢ়ি আছে।

অসমীয়া সাহিত্যৰ ভৱিষ্যতৰ বাবে মই বিপদ একো দেখা নাই। আমাৰ সাহিত্যিকসকলে নতুন প্ৰজন্মৰ প্ৰয়োজনৰ প্ৰতি চকু ৰাখি সাহিত্য সৃষ্টি কৰিব লাগিব।

৭। আপোনাৰ মতে, ভাল সাহিত্যৰ সৃষ্টিত সমালোচক এগৰাকীৰ কেনেধৰণৰ ভূমিকা থাকিব পাৰে? এগৰাকী ভাল সমালোচক হ'বলৈ কোনবোৰ গুণৰ প্ৰয়োজন?

উত্তৰ ঃ সাহিত্য সমালোচক এজনে সাহিত্য কৃতিৰ বিষয়ৰ লগতে নিৰ্মাণৰ দিশটোও চাব লাগে। নিৰ্বাচিত বিষয়বস্তুক কিদৰে শিল্পৰূপত গঢ় দিয়া হৈছে সেই কথা তেওঁ মন কৰিব লাগিব। নতুন-পুৰণি সকলো সাহিত্যতত্ত্বৰ লগত তেওঁ পৰিচিত হ'ব লাগিব। সাহিত্য কৃতি এটাত কি বিচৰা হ'ব তাৰ লগত মৌলিক ভিত্তি সাহিত্য তত্ত্বই ঠিক কৰি দিব। শিল্পী-সাহিত্যিকে যিদৰে

সমাজ আৰু মানুহৰ মংগল কামনা কৰে, সমালোচকেও কৰে। সাহিত্য কৰ্মৰ লগত সমাজৰ সম্পৰ্কৰ দিশটোত সমালোচকে চকু দিব।

৮। অসমীয়া কবিতা, উপন্যাস, চুটিগল্পতকৈ অসমীয়া নাটকৰ সৃষ্টিৰ ক্ষেত্ৰত বৰ্তমান কিছু স্থবিৰতা লক্ষ্য কৰিছে নেকি?

উত্তৰ ঃ কবিতা, গল্প, উপন্যাসতকৈ নাটক পিছপৰি থকাৰ দুটামান কাৰণ উল্লেখ কৰিব পাৰি। এগৰাকী সাহিত্য সভাৰ সভাপতিয়ে অনুবাদ নাটক আমাক নেলাগে, আমাক মৌলিক নাটকহে লাগে বুলি কৈছিল। তেওঁৰ কথাৰ প্ৰতিবাদ কৰি কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই চেতনাত অনুবাদ সম্পৰ্কে এটা মূল্যৱান প্ৰবন্ধ লিখিছিল। নাটকৰ অনুবাদ বন্ধ হোৱাৰ কাৰণে আমাৰ নাট্যকাৰসকলৰ বিশ্বৰ বৰেণ্য নাট্যকাৰসকলৰ নাটকৰ লগত আন্তঃক্ৰিয়া কমি গৈছিল। নাটক যদি মঞ্চস্থ কৰিবলৈকে নিদিয়ে, নাট্যকাৰে ইংৰাজী বা আন ভাষাৰ পৰা নাটকনো কিয় অনুবাদ কৰিব? নিয়মীয়াকৈ নাটক মঞ্চস্থ হৈ থকা মঞ্চও অসমত নাই। এইবোৰ কাৰণতে নাটকৰ বিকাশ কিছু পিছ পৰি থাকিল। পাঠকে নাটক এখন গল্প-উপন্যাস পঢ়াদি নপঢ়ে। নাটক মঞ্চস্থ কৰিবলৈ লিখা হয় আৰু অনুবাদো মঞ্চ কৰিবলৈকে কৰা হয়। যদি মঞ্চস্থ কৰিবই নোৱাৰে, নাটক কোনে আৰু কিয় অনুবাদ কৰিব? মহৎ নাট্যকাৰৰ মহৎ নাটকৰ লগত অসমীয়া নাট্যকাৰৰ আন্তঃক্ৰিয়া হোৱাৰ সুবিধাটো নোহোৱা হ'ল। আধুনিক অসমীয়া নাটক পিছুৱাই যোৱাৰ সেইটো এটা কাৰণ। আচাৰ-ব্যৱহাৰ আৰু নৈতিকতাক কেন্দ্ৰ কৰি লিখা হাস্য ব্যংগাত্মক প্ৰহসন নাটক মহৎ হ'ব পৰাৰ আশা কম।

৯। অসমীয়া সাহিত্যত উত্তৰ আধুনিকতাবাদী চিন্তাধাৰাৰ আমদানিৰ ক্ষেত্ৰত আপুনি বাটকটীয়া। এইক্ষেত্ৰত আপোনাৰ ধাৰণা কি?

উত্তৰ ঃ উত্তৰ-আধুনিকতা সম্পৰ্কে সামান্য আলোচনা মই কৰিছোঁ, কিন্তু মই বাটকটীয়া নহয়। উত্তৰ আধুনিকতাবাদ এফালে আধুনিকতবাদৰ সম্প্ৰসাৰণ আৰু একে সময়তে ই আধুনিকতাবাদী কেতবোৰ প্ৰবলতাৰ প্ৰতিৰোধ।

১০। অসমীয়া অনুবাদ সাহিত্য সম্পৰ্কত আপোনাৰ অভিমত কি?

উত্তৰ ঃ সাম্প্ৰতিক কালত অনুবাদ অধ্যয়নৰ অনেক নতুন তত্ত্বৰ উদ্ভাৱন হৈছে। আমাৰ অনুবাদকসকলেও বহুত ভাল কিতাপ অনুবাদ কৰিছে। আন্তঃভাৰতীয় ভাষালৈ হোৱা অনুবাদৰ লগতে বিদেশী ভআষালৈ আৰু বিদেশী ভাষাৰ পৰা অনেক ভাল অনুবাদ হৈছে।

১১। ছাৰ, বৰ্তমান সময়ত দেখিবলৈ পোৱা যায় যে সাহিত্যিক বনাব পাৰি। কোনোদিনে একো নিলিখাকৈ পুৰস্কাৰ পোৱাৰ উদাহৰণ আছে। অথচ এবাৰ পুৰস্কাৰ পোৱাৰ পিছত আৰু কিবা লিখিছে বুলিও ক'ব নোৱাৰি। সাহিত্যৰ জগতখনত স্বজন তোষণ চলিছে বুলি ভাবে নেকি? সঁচাকৈয়ে অসমীয়া সাহিত্যৰ কাৰণে ই কিমান ক্ষতিকাৰক?

উত্তৰ ঃ স্বজন-তোষণেৰে কোনেও কাকো সাহিত্যিক কৰিব নোৱাৰে। সাহিত্যৰ জগতখনত সদায় 'হাউচ ফুল'। নতুন সাহিত্যিক এজন নোহোৱাকৈয়ে সাহিত্যিকৰ জগতখন পূৰ্ণ হৈ থাকে। সেই কাৰণে নতুনকৈ অহাজনে ভিতৰত সোমাবলৈ বিচাৰিলে জোৰেৰে দুৱাৰত ঢকিয়াব লাগে। তেতিয়াহে দুৱাৰ খোল খায়। সম্ভাৱনাপূৰ্ণ নতুনৰ প্ৰতিভা চিনি পালে প্ৰখ্যাত সাহিত্যিকে কেতিয়াবা তেওঁক ভীৰৰ মাজেদি ভিতৰলৈ সোমোৱাত সহায় কৰি দিয়ে।

এখন বিখ্যাত সাহিত্য আলোচনীৰ সম্পাদকক এবাৰ এগৰাকী নতুনৰ মাজৰ পৰা সুপ্ৰতিষ্ঠিত হোৱা সাহিত্যিকে ক'লে, 'আপোনাৰ জহতে মই সাহিত্যিক হ'লোঁ।" প্ৰখ্যাত সম্পাদকজনে উত্তৰ দিলে, "মায়েই যদি সাহিত্যিক সৃষ্টি কৰিব পাৰো তোমাক সাহিত্যিক কৰিবলৈ মোৰ কি গৰজ? মোৰ দুজনী ছোৱালী আছে, সিহঁতক কৰিম।" সাহিত্যিক সৃষ্টিৰ লগত সাহিত্য-প্ৰতিভা জড়িত হৈ থাকে।

কাৰোবাক কোনোবাই ক্ষমতাৰ বলত সাহিত্যৰ পুৰস্কাৰ এটা দিব পাৰে, কিন্তু লেখক লেখিকাৰ প্ৰতিভা ভিতৰৰ বস্তু। সাহিত্য গুণৰ শেষ বিচাৰক পাঠক সমাজ। ৰাইজে নেৰাখিলে প্ৰাইজে নেৰাখে।

সাহিত্যৰ বঁটা নাপাবলগীয়া মানুহক দিলেও সাহিত্যৰ একো ক্ষতি নহয়। সাহিত্যৰ মূল্যমান বঁটাৰে কেতিয়াও জোখা নহয়। শংকৰদেৱ, মাধৱদেৱ, বেজবৰুৱা, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আদি আমাৰ পৰম শ্ৰদ্ধাৰ সাহিত্যিকসকলেনো কি বঁটা পাইছিল?

১২। ছাৰ, অসমীয়া ভাষাত পৰা পাশ্চাত্যৰ প্ৰভাৱক আপুনি কেনেধৰণে চায়?

উত্তৰ ঃ 'অৰুণোদই'ৰ লগে লগে অসমীয়া ভাষা সাহিত্যত এটা নতুন যুগ আৰম্ভ হৈছিল। আধুনিক অসমীয়া সাহিত্যৰ

যিবোৰ শিল্পৰূপ যেনে গীতিধৰ্মী কবিতা, গল্প, উপন্যাস, নাটক ইত্যাদি পছিমীয়া আৰু বিশেষকৈ ইংৰাজী সাহিত্যৰ প্ৰভাৱতে অসমীয়ালৈ আহিছে। শিল্পৰূপবোৰ অহাৰ লগে লগে নিৰ্মাণৰ কলা-কৌশলবোৰো আহিছে। শিল্পৰূপ আৰু কলা কৌশল বৰ্তমান আমাৰ সাহিত্যিকে নিজৰ কৰি লৈছে। আমাৰ সাহিত্যিকসকলে পাশ্চাত্য প্ৰভাৱক আমাৰ সাংস্কৃতিক পৰম্পৰাত জীন নিয়াইছে।

সাহিত্য ক্ষেত্ৰত সম্পূৰ্ণ মৌলিক বুলি একো কথা নাই। আমি মৌলিক বুলি ভবা পাঠ (Text) এটাও অনুবাদৰ অনুবাদৰ অনুবা হ'ব পাৰে। ড. বাণীকান্ত কাকতিয়ে কৈছিল যে সাহিত্যত নতুনকৈ কৰিবলগীয়া একো নাই; ই ভঙা-গঢ়াৰ খেল।

আমাৰ সাহিত্য সংস্কৃতিলৈ প্ৰভাৱ, বিভিন্ন উৎসৰ পৰা আহিব। আমি বাধা দিব নোৱাৰোঁ, দিয়াৰ দৰকাৰো নাই। বিশ্বায়নৰ যুগত প্ৰভাৱ বাঢ়িছে। আমি চকু দিবলগীয়া কথাটো হ'ল যে প্ৰভাৱবোৰ আহি আমাৰ সাংস্কৃতিক পৰম্পৰাত জীন যাব লাগে।

১৩। ছাৰ, 'কৰ্মবিমুখ অসমীয়া আৰু জাতীয়তাবাদ' —এই বিষয়ত আপোনাৰ দৃষ্টিভংগী কি?

উত্তৰ ঃ আগতে আছিল যদিও আজিৰ অসমীয়া কৰ্মবিমুখ নহয়। কিছুসংখ্যক কাম নকৰা মানুহ সকলো জাতিতে থাকিব। ভূজেল, তুমি এটা কাম কৰিব পাৰা। তুমি যিমান ভাষা জানা আৰু যিমান ভাষা তোমাৰ বন্ধু বান্ধৱে জানে, সেই ভাষাবোৰত idle, lazy, inactive, indolent, lethargic, slothful, idler, dawdle, loafer, shirker আদি শব্দৰ সমাৰ্থক শব্দ আছেনে নাই অনুসন্ধান এটা কৰাচোন। যদি আছে কেৱল অসমীয়া মানুহকে কৰ্মবিমুখ বুলি কিয় ক'বা?

১৪। ছাৰ, নৱপ্ৰজন্মৰ প্ৰতি আপোনাৰ আহ্বান কি?

উত্তৰ ঃ নৱপ্ৰজন্মৰ প্ৰতি মোৰ হিয়াভৰা শুভ ইচ্ছা জনাইছোঁ। তেওঁলোকে জ্যেষ্ঠসকলক সকলো ক্ষেত্ৰতে অতিক্ৰম কৰক। সমাজ আৰু দেশক তেওঁলোকে আগুৱাই নিয়ক।

এইধৰণে বহু প্ৰশ্ন উত্তৰৰ মাজেৰে নষ্টালজিক ক্ষণবোৰ অতিবাহিত হয়। বৰমুদৈ ছাৰ সাধাৰণতে এগৰাকী 'আশাবাদী' আৰু 'ইতিবাচক' ব্যক্তিত্বৰ গৰাকী আছিল। তেওঁৰ প্ৰতিটো উত্তৰতে এই আশাৰ ৰেঙনিবোৰ প্ৰকাশ পাইছে। এই অভাজনক নিজৰ কিছু মূল্যৱান সময় দিয়াৰ বাবে শ্ৰদ্ধেয় বৰমুদৈ ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সাক্ষাৎ গ্ৰহণ ঃ **কৃষ্ণ ভূজেল**
*সম্পাদক*